কালি আৰু আজি

শ্ৰীহেমপ্ৰভা গোস্বামী।

HANDLE THE BOOK CAREFULLY

১৯৫৬

মূল্য—১৲ এটকা

প্ৰকাশক—
ধলবসত্ৰ পুথি ভঁৰালৰ হৈ
শ্ৰীনবনাথ গোস্বামী
ধলবসত্ৰ, যোৰহাট, আসাম।

মুদ্ৰাকৰ :—
শ্ৰীমণীন্দ্ৰ নাথ ভাণ্ডাৰী
ইন্দুনাৰায়ণ প্ৰিণ্টিং ওৱাৰ্কচ
১৫বি, ৰায় বাগান ষ্ট্ৰীট্, কলিকতা—(৬)।

কালি আৰু আজি

"বোৱাৰী-হবলৈ লাগে কেতেবেলি
জীয়াৰী হবলৈ টান।"

আজিৰ দিনত আমি মূৰলৈ ওৰণীখন তুলিয়েই বোৱাৰী জনী হৈ পৰো, কিন্তু এজনী লখিমী বোৱাৰী হবলৈ আমাক কিমান খিনি সজগুণ লাগে তালৈ আমাৰ নাইবা অভিভাবক সকলৰ বিশেষ লক্ষ্য নাইকিয়া হৈ আহিছে। এখন গৃহস্থালি চলাই সুন্দৰ আৰু সুখৰ সংসাৰ এখন গঢ়ি তোলাৰ ভাৰ বোৱাৰীৰ ওপৰতে পৰে। সেইকাৰণেই আগৰ অসমীয়াই ছোৱালী ডাঙৰ হলেই লিখা পঢ়া শিকাতকৈ ঘৰুৱা জীৱনৰ আৱশ্যকীয় শিক্ষা দিয়াত বেছি গুৰুত্ব দিছিল। আগৰ দিনত ছোৱালী এজনী বিয়া কৰাবলৈ হলে প্ৰথমেই প্ৰশ্ন হব, বোৱা কটা ফুল জালী জানেনে? তাৰ লগতে ঘৰুৱা কাম বন খিনিকে আদি কৰি যাৱতীয়,—তিৰোতাই কৰিব লগীয়া কামখিনি জানিলেই হ'ল। আজি কালিৰ দৰে "কিমান পঢ়া," "বগানে,"

PLEASE HANDLE THE BOOK CAREFULLY

“ধুনীয়া নে” আদি প্ৰশ্ন নকৰিছিল। গঢ় পিত, গাৰ বৰণ ঈশ্বৰ-কৃত্য বুলি তালৈ বৰ কৈ নাচাইছিল। কেৱল গৃহস্থালি কামত পাকৈত হলেই মনোনীত হৈছিল। আৰু সেই মতেই ছোৱালী উঠন হোৱাৰ আগৰে পৰা মাকে ইখন সিখন লাচনি-পাচনি কৰোৱাৰ লগে লগে গোটেই ঘৰখন চলাই খাব পৰা শিক্ষাৰে পাকৈত কৰি এজনী লখিমী বোৱাৰী হব পৰাকৈ গঢ়ি তোলে। ছোৱালীক শিক্ষা দিওঁতে “বাঘৰ চাৱনত চাবা হাতীৰ ভোগনত ভোগাবা” বুলি অসমীয়াৰ এষাৰ যোজনাও আছে।

এজনী উঠি থকা গাভৰু ছোৱালী থাকিলে ঘৰখন গহীন আৰু শুৱনি হৈ থাকে। সেই বুলি ছোৱালী জনীৰ ৰূপত নহয়, গুণ যশস্যা আৰু ঘৰুৱা কামত পাকৈত হৈ চাফে চিকুণে ঘৰখন জিলিকাই থোৱাৰ কাৰণেহে। জীয়াৰী ছোৱালী থকা ঘৰ খনলৈ গলেই বুজিব পাৰি ঘৰৰ গৈণী গৰাকীয়ে ছোৱালীক কেনে শিক্ষা দিছে। পঢ়া শুনাত পিচ পৰা হলেও আগৰ অসমীয়া ছোৱালীয়ে ঘৰখন ধৰি খাব পৰা সকলো শিক্ষাকে জীয়াৰী কালতে শিকি লৈছিল। সেয়েহে উলিয়াই দিওঁতে নামতীয়ে গায়।

“আগফাল শুৱনি কাকিনী তামোলে
পাচফাল শুৱনি পাণ
বৰ ঘৰ শুৱনি জীয়াৰী ছোৱালী
উলিয়াই দিবলৈ টান”।

[illegible]

তিৰোতাৰ জীৱনত সাৰ্থকতা আনি দিয়ে সৰু কালৰে পৰা শিকা সজ শিক্ষা, সজ গুণ ৰাশিয়ে। জীয়াৰী হৈ থকা কাল ছোৱাত, অৰ্থাৎ বিয়াৰ আগ মুহূৰ্ত্তলৈকে, ছোৱালীৰ শিক্ষা আহৰণৰ সময়। বিয়া হৈ যোৱাৰ লগে লগেই মাকৰ ঘৰত জীয়াৰী কালতে শিকা গুণ-বিদ্যা বিলাক বিকসিত হৈ তাৰ ভাল বেয়া ফলভোগ কৰাৰ সময় আহি পৰেহি। লগে লগে সু শিক্ষাৰ সু-ফল আৰু কু-শিক্ষাৰ কু-ফল ভোগ কৰিব লগীয়া হয়। সেই কাৰণে ছোৱালীৰ জীয়াৰী জীৱনটো গঢ়ি লোৱা এটা লেখৰ টান কাম। নামত গাবৰ দৰে—

"ব'ঠা সাজিবলৈ লাগে কেতেবেলি
নাওঁ সাজিবলৈ টান,
বোৱাৰী হবলৈ লাগে কেতেবেলি
জীয়াৰী হবলৈ টান।"

সাধাৰণতে বোৱাৰীৰ দোষ অক্ষমণীয়। আৰু সেই কাৰণেই আগৰ অসমীয়া তিৰোতাই সৰুৰে পৰা ছোৱালীক বৰ যত্ন আৰু অনুশাসনেৰে সৈতে ঘৰুৱা শিক্ষা দিছিল যাতে ভৱিষ্যত তাইৰ জীৱন সুখৰ হয় এয়ে আছিল মাক হঁতৰ কামনা। এটা সুখী পৰিয়াল, এখন সুখে ভৰা ঘৰ গঢ়াৰ কল্পনা কৰিবলৈ শিকিবলৈ ছোৱালী জনীক অনেক শিক্ষাৰ আৱশ্যক, এই সকলো শিক্ষা অকল স্কুল-কলেজ বা আন আন শিক্ষা কেন্দ্ৰ লৈ অহা যোৱা কৰিলেই নাপায়; ঘৰুৱা জীৱনৰ শিক্ষা পাব মাকৰ পৰা, ওচৰ চুবুৰীয়া, আত্মীয়-স্বজন মিটিৰ কুটুম্বৰ পৰা। সাধাৰণতে

মাকৰ ওপৰতে ছোৱালীৰ ভবিষ্যত জীৱনৰ ভাল-বেয়া, সুখ-দুখ নিৰ্ভৰ কৰে। মাক উদাৰ চিতিয়া আৰু উপযুক্ত গৃহিনী হলে জীয়েকো মাকৰেই অনুৰূপ হয়। কথাতে কয় “মাটি কিনিবা মাজখাল,” “ছোৱালী আনিবা মাক ভাল” আৰৌ “টিক্ বলধা ওলাই মাটি, মাক ভালেইহে জীয়েক জাতি।”

আজিকালি ছোৱালীয়ে মাকৰ পৰা ঘৰুৱা কামৰ শিক্ষা নাপায়। এনেকুৱা গাভৰু ছোৱালীও আছে যি, ঘৰলৈ আলহী আহিলে চাহ এটোপাও ভালকৈ কৰি খুৱাব নোৱাৰে। এই-বোৰ দোষ ছোৱালীৰ নহয় মাকৰহে। ছোৱালী দিবলৈ চহকী ধুনীয়া আৰু শিক্ষিত দৰালৈ আশা কৰে, কিন্তু সেই অনুপাতে ছোৱালী জনিও যে উপযুক্ত কৰি গঢ়ি তুলিব লাগে তালৈ ভ্ৰূক্ষেপ নাই, কেৱল স্কুল-কলেজৰ কেইটামান চাপ পাৰ হলেই সকলো বিদ্যাতে পাৰ্গত হল বুলি নিশ্চিন্ত হৈ থাকে।

তদুপৰি আজিকালি এনে এশ্ৰেণী মাক আছে যি নিজৰ ছোৱালীয়ে কাম কৰিলেই দুখ পাই যেন দেখে। ধাদহী গাভৰু জীয়েকক ঠেং জোকাৰি থাকিবলৈ দি নিজেই ঘৰখনৰ কাম বন কৰিও ছোৱালীক স্কুললৈ যোৱা মেখেলা চাদৰ বৈ দিয়েহে। বোৱাৰী থকাই জীয়েকৰে সমবয়সীয়া বোৱাৰীয়েকৰ গাতে গোটেই ঘৰখনৰ কামৰ বোজা তুলি দি জীয়েকক টোপ পৰিবলৈ নিদিয়াকৈ আলসুৱা কৰে। দৰাচলতে এনেবোৰ মাক ছোৱালীৰ শত্ৰুহে কিয়নো মাকৰ ঘৰত ধিটিঙালি মাৰি ঠেং জোকাৰি খাই ডাঙৰ হৈ যোৱা ছোৱালীয়ে শহুৰেকৰ ঘৰত কেনে

অৱস্থা হয় উমানতে বুজিব পাৰি, আৰু "যত দোষ নন্দ ঘোষ" মাকৰ গাতে নপৰি পৰিব কাৰ গাত? গতিকে "চুমাতে কামোৰ" দিয়া নাইবা "চেনেহৰ চুমাই নাকটি ছিঙা" মৰমিয়াল জনক শত্রু নুবুলি কি বুলিব পাৰি? এই শ্রেণীৰ মাকে জীয়েকৰ ভবিষ্যৎ ভাললৈ আশা কৰা ভুল। মাকৰ আন্তৰিক মৰম ফুটি উঠে জীয়েকক অনুশাসনেৰে শিকাই বুজাই তিৰোতাৰ উপযোগী শিক্ষা থিনি দি এজনী নিপুণ গৃহিনী কৰি গঢ়ি তোলাত আৰু মাক হিচাবে গৌৰৱো তাতেহে।

আজিৰ ছোৱালী কাইলৈ একোজনী গৃহিনী হৈ একোখন ঘৰ গৃহস্থীৰ শুভাশুভৰ সঁচাৰ কাঠি হাতৰ মুঠিত ৰাখিব লাগিব। সন্তানৰ মাক হৈ সেই সন্তানক দেশৰ নাগৰিক কৰি গঢ় দিব লাগিব। গতিকে ছোৱালীক অলপ শিক্ষাই নহয়, লৰাতকৈ ছোৱালীক শিক্ষা অনেক গুণে বেছি লাগে। ঘৰ এখন গঢ়ি তোলে এজনী গৃহিনীয়ে আৰু সেই গৃহিনীক গঢ়ি তুলিব লাগিব একো গৰাকী সুদক্ষা মাকে। গতিকে ছোৱালীয়ে কিতাপৰ বিদ্যাৰ উপৰিও বহুতো সুশিক্ষা মাকৰ পৰা পায় বা পাব লগীয়া। মাকৰ পৰা পোৱা শিক্ষাইহে ছোৱালীৰ কাৰণে সৰ্ব্বোৎকৃষ্ট শিক্ষা। কিন্তু আনহাতে চাবলৈ গলে আজি আমি মাক হঁতেই বা কিমান পাৰ্গত? কম বেছি পৰিমাণে আধুনিকতাৰ বা-বতাহে পায় আমি মাকহঁতকো ভঁক্সীয়া কৰিলে। সেয়েহে আজি আমাৰ ছোৱালী হঁতক সজশিক্ষা দিয়াত অনভিজ্ঞ হৈ পৰিছো। ফৰাছী যোদ্ধা নেপোলিয়ান বোনাপাৰ্টে কৈছিল "যদি তুমি

উপযুক্ত সন্তানলৈ আশা কৰা তেন্তে আগতে সন্তানৰ মাকক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি লোৱা, কাৰণ আঁচীত নিজৰ মুখৰ ছবিটো যেনেকৈ প্ৰতিবিম্বিত হয়, সেই দৰেই মাকৰ সজ গুণ ৰাশিও সন্তানত প্ৰতিবিম্বিত হয়। প্ৰকৃততে কথাটো মিছা নহয়। আমাৰ অসমীয়াৰ মুখতো "মাক চাইহে জীয়েক" বুলিও এষাৰ কথা আছে। মাক অকল সন্তানৰ জন্ম দায়িনী হলেই নহয়। সন্তানৰ জীৱন-বৃক্ষৰ গুৰিত পুলিৰে পৰা উপযুক্ত সাৰজাবৰ দি ডাঙৰ কৰি ভৱিষ্যত সুফল ফলাবও পাৰিব লাগিব। আৰু ই অকল ছোৱালীৰ ক্ষেত্ৰতে নহয় লৰাকো সজ শিক্ষা সজ গুণৰ গৰাকী কৰে—মাকৰ উৎসাহ উদ্গনিৰ মাজেদি পোৱা অভিজ্ঞতাৰে। পৃথিৱীত শস্য আজি তাৰ পৰা যেনেকৈ ধন উপাৰ্জ্জন কৰিব পাৰি সেইদৰেই সন্তানেও মাকৰ পৰা সজ শিক্ষা পাই জ্ঞান উপাৰ্জ্জন কৰিব পাৰে। আমেৰিকাৰ বিখ্যাত নেতা আব্ৰাহাম লিঙ্কনে কৈছিল, "বৰ্ত্তমান মই যি হৈ উঠিব পাৰিছো আৰু আগলৈ যি হব পাৰিম বুলি আশা কৰো, সেই সকলোবোৰ উন্নতিৰ কাৰণে মই আইৰ গুৰিতহে ধৰুৱা।" কিন্তু আজি আমাৰ মাজত তেনে উপযুক্ত মাক আছেই বা কিমান ?

বৰ্ত্তমান শিক্ষা সংস্কাৰৰ ফালৰ পৰা মন কৰিলে দেখা যায় যে আমাৰ অসমীয়া তিৰোতা সকলৰ, বিশেষকৈ আগলৈ উঠি অহা ছোৱালীসকলৰ যি বিলাক আৱশ্যকীয় শিক্ষা তাৰেই অভাৱ। এই খিনিতে এটা কথা ভাবি চাব লগীয়া, ছাত্ৰী সকলে বৰ্ত্তমান স্কুল-কলেজ নাইবা আন আন শিক্ষা কেন্দ্ৰত যি শিক্ষা

লাভ কৰিছে সেই শিক্ষা তিৰোতাৰ উপযোগী হৈছেনে নাই। ভালকৈ ভাবি চালে কিছু ক্ষেত্ৰৰ পৰা দেখা যায় যে বৰ্ত্তমান প্ৰচলিত যি শিক্ষা এই শিক্ষা তিৰোতাৰ কাৰণে উপযুক্ত হোৱা নাই। কিয়নো আজিৰ ছোৱালীক দিয়া শিক্ষা ঘৰুৱা জীৱনৰ উপযোগী শিক্ষা নহয়। যদিওবা এনে শিক্ষাৰে শিক্ষিত হৈ দুই এগৰাকী উচ্চ শিক্ষিতা অসমীয়া তিৰোতাই ৰাজনীতি ক্ষেত্ৰতো ঠাই পাইছে আৰু বিদেশত শিক্ষা লবলৈকো যাব পাৰিছে, তদুপৰি সকলো পূৰ্ণ বয়স্কা তিৰোতাই ভোটাধিকাৰো পাইছে, তথাপিও তিৰোতাৰ সন্মান সুযশ ঘৰুৱা কামৰ নিপুণতাতহে। তিৰোতাৰ ঘাই কৰ্ম্মক্ষেত্ৰ ঘৰখনহে। ঘৰখনৰ পৰা তিৰোতাক বাদ দিলে ঘৰৰ একো সৌন্দৰ্য্যই নাথাকে। "তিৰিয়েহে গিৰি, তিৰি নহলে হুতচিৰি"। গতিকে ছোৱালী-সকলক তথা তিৰোতা সমাজৰ কাৰণে এনে এলানী স্বকীয়া শিক্ষা পদ্ধতি হব লাগে যি শিক্ষাৰে তিৰোতাই ঘৰে বাহিৰে উপযুক্ত তিৰোতা বুলি পৰিচয় দিয়াৰ উপৰিও মাতৃজাতিৰ সন্মান অটুত ৰাখিব পাৰে। জাতিগঠনত যে তিৰোতাৰ সহায় সহানু-ভূতি অপৰিহাৰ্য্য তাক কোনেও নুই কৰিব নোৱাৰে। আগৰ অসমীয়াই তিৰোতাৰ পৰা জাতি গঠনত যথেষ্ট বৰঙণি পাইছিল। তাৰ মূলতে আছিল সকৰে পৰা ছোৱালীক সজ শিক্ষা দি প্ৰকৃত তিৰোতা কৰি গঢ়ি তুলিব পৰাটোৱেই কিন্তু আজি আমাৰ অসমীয়া তিৰোতাই যিবিলাক শিক্ষা পাব লাগিছে তাৰ পৰা জাতি গঠন দূৰৰ কথা, ঘৰখনকে চলাই খোৱাত নানা বেমেজালি।

মানুহক পুৰুষ আৰু স্ত্ৰী এই দুভাগত সৃষ্টিৰ আদিৰ পৰাই ঈশ্বৰে পৃথকে স্ৰজিছে। যদিওবা উভয়ে উভয়ৰ পৰিপূৰক তথাপিও দুয়োৰো শাৰীৰিক প্ৰবৃত্তি পৃথক, এতেকে শিক্ষা-দীক্ষাও পৃথক হোৱাহে উচিত যেন অনুমান হয়। ছোৱালীৰ কাৰণে স্কুল-কলেজ বা আন শিক্ষা কেন্দ্ৰ সুকীয়াকৈ আছে যদিও মূলতে শিক্ষা নীতিটো পুৰুষ আৰু তিৰোতাৰে একে। এনেকুৱা একে মুখীয়া শিক্ষাই সমাজৰ গতি এচলীয়া কৰাৰ উপৰিও দেশে একনীয়া ভাৰ ব'ব লগীয়াত পৰিছেগৈ। আৰু তিৰোতাক পুৰুষৰ লগত ফেৰ মাৰিবলৈ ইন্ধন যোগাইছে। গতিকে আমাক অৰ্থাৎ তিৰোতা সমাজত এনে শিক্ষাৰ প্ৰয়োজন হৈ পৰিছে যি শিক্ষাৰ পৰা তিৰোতা উচ্চ শিক্ষিতা হৈ দেশৰ সমাজৰ নিৰক্ষৰতা, দৰিদ্ৰতা দূৰ কৰি নাৰী সমাজৰ সৰ্ব্বাঙ্গীণ উন্নতি কৰিব পাৰে। লিখা-পঢ়াৰ যোগেদিয়েই তিৰোতাই নাৰী জীৱনৰ পূৰ্ণতা লাভ কৰিব পৰা এনেকুৱা নতুন গ্ৰন্থ, নতুন শিক্ষা নীতি হলেহে স্ত্ৰী শিক্ষাৰ ক্ৰম বিকাশ হ'ব। আৰু সেই নতুন পাঠ্য তালিকাৰ লগত যাতে তিৰোতাৰ দৈনন্দিন চলি থাকিব লগীয়া আৱশ্যকীয় কাৰ্য্যক্ৰমৰ আভাস থাকে।

পৃথিৱীৰ সকলো বিদ্যাৰে বিভূষিতা হৈ আহিলেও তিৰোতাক এখনি নিজা ঘৰ, এটি নিজা পৰিয়াল, এখনি সমাজ লাগিবই। সন্তান জন্ম দিব লাগিবই আৰু এই সকলো বিষয়তে অবিচ্ছেদ্য সম্পৰ্ক ৰাখি চলিলেহে নাৰীৰ নাৰীত্ব বিকশিত হৈ সুখ্যাতি আৰ্জ্জিবলৈ সুবিধা হয়। তিৰোতা সুন্দৰী হয় গুণতহে, ৰূপত

নহয় আৰু লখিমী হয় ঘৰুৱা জীৱনতহে ৰাজনীতি ক্ষেত্ৰত বা চাকৰি জীৱনত নহয়। তিবোতাৰ কাৰণে জগতৰ সমস্ত বিদ্যা এফাল আৰু সতি সন্তান পালন কৰি ঘৰ গৃহস্থী কাম খিনি নিপুণভাৱে কৰিব পৰা শিক্ষা খিনি অকলে এফাল। গতিকে ছাত্ৰী সকলৰ কাৰণে যি শিক্ষা দিয়া হয় তাৰ সমানে এফাল নাৰী জীৱনৰ দৈনন্দিন কাৰ্য্যক্ৰমৰ লগত খাপ খোৱা হব লাগে।

বৰ্ত্তমান প্ৰচলিত শিক্ষাৰে শিক্ষিতা তিৰোতা সকলে আজি প্ৰশংসা পাব পৰা নাই, বৰং নিন্দা, ঘৃণা, ঠাট্টাহে পাব লাগিছে। উদাহৰণ বিচাৰিলে দেখিবলৈ পাব নানা ধৰণৰ আধুনিক গল্প, কৱিতা, নাটক, উপন্যাস আৰু ব্যঙ্গকৌতুক কৱিতা আদিৰ মাজেদি দেখুৱাব লাগিছে, শিক্ষিতাৰ শিক্ষাৰ ফালটো। তদুপৰি আধুনিকাৰ আধুনিকতাৰ ওপৰত উচ্চ শিক্ষিতাৰ শিক্ষাৰ ওপৰত কেনে বেত্ৰাঘাট কৰিব লাগিছে পাঠক-পাঠিকা মাত্ৰেই নজনা নহয়। এইবোৰৰ কিবা ব্যক্তিগত কাৰণ থাকিলেও দেখাদেখিকৈ স্কুল কলেজৰ প্ৰচলিত শিক্ষাৰ কাৰণেই তিৰোতা কেনেকুৱা হৈ আহিবলৈ ধৰিছে তাকেহে সোঁৱৰাই দিয়ে। সচাঁকথা কবলৈ গ'লে এনে শিক্ষাই আমাক একো ভাল কৰিব পৰা নাই বা সজ পথে নিব পৰা নাই। তিৰোতাৰ কাৰণে, জ্যামিতি পৰিমিতি, এলজেব্ৰা, বীজগণিত নাইবা বিদেশীয় বুৰঞ্জী, বিদেশীয় মানচিত্ৰকে আদিকে ধৰি কিছুমান বাবে বিং কৰা আধা কেচেলুৱা শিক্ষাৰ নিষ্প্ৰয়োজন। তাৰ ঠাইত জাতিৰ

পিতা বাপুজীৰ সু-চিন্তিত সু-পৰিকল্পিত বুনিয়াদী শিক্ষাই আমাৰ তিৰোতা সকলৰ কাৰণে অতি উৎকৃষ্ট শিক্ষা। তিৰোতাৰ ঘাই কাম হৈছে নৰীয়া শুশ্ৰূষা, ঘৰুৱা বিজ্ঞান, স্বাস্থ্যনীতি, কুটীৰ শিল্প, গো-পালন, শিশু-পালন, বনৌষধ আৰু পথ্যাপথ্যৰ জ্ঞান, ধাত্ৰী শিক্ষা আদি বিলাকেইহে। প্ৰধানকৈ ধাত্ৰী শিক্ষা অতি আৱশ্যকীয় শিক্ষা। কিয়নো তিৰোতা মাত্ৰেই সন্তানৱতী হবই লাগিব আৰু সন্তান জন্ম হোৱাৰ আগৰে পৰা অৰ্থাৎ গৰ্ভাৱস্থা হোৱাৰে পৰা ধাত্ৰীৰ আৱশ্যক আছেই। গতিকে প্ৰত্যেক গৰাকী তিৰোতাই যদি ধাত্ৰী জ্ঞানত পাকৈত হৈ থাকে তেন্তে আগন্তুক বহুতো বাধা বিঘিনীৰ পৰা হাত সাৰিব পৰা হয়। সেই বাবে ধাত্ৰী শিক্ষা তিৰোতা সকলৰ অপৰিহাৰ্য্য শিক্ষা। তদুপৰি তিৰোতা সকলৰ একাগ্ৰতা, স্বজন প্ৰিয়তা, সহনশীলতা, ধৈৰ্য্যগুণ আদি সদ্গুণ ৰাশিৰ উৎকৰ্ষ সাধন কৰাও এটা লেখৰ শিক্ষা। এনেবোৰ শিক্ষাৰ অভাৱতে আজি আমি তিৰোতা সকলে সৰল সহজ নাৰী সুলভ কমনীয়তা হেৰুৱাই নাট ঘৰৰ ভাৱৰীয়াৰ দৰে হলোহঁক। ছাত্ৰী সকলে পঢ়াৰে অজুহাত দেখুৱাই গৃহস্থালি শিক্ষালৈ আওকাণ কৰাৰ ফলত আজি শিক্ষিত সমাজতো ন বোৱাৰী সমালোচনাৰ বিষয় হৈ পৰিছে। ছাত্ৰী সকলক বাদ দিও আমাৰ অসমীয়া গাৱঁলীয়া সমাজতো ছোৱালী সকলে লাহ-বিলাহত মন এৰি দি ঘৰুৱা কামলৈ ধাউতি এৰি আহিছে। গাভৰু ছোৱালীৰ স্বাভাৱিক লাজ সৌন্দৰ্য্য সঙ্কোচ সংযত নাইকিয়া হৈ আহিবলৈ ধৰিলে।

অকৃত্রিম কৰ্ম্ম ব্যস্ত গাৱঁলীয়া গাভৰুৰ সকলো ক্ষেত্ৰতে কৃত্রিমতাই ঠাইলোৱাৰ কাৰণেই বিয়াৰ নৌ চাৰিদিন হওঁতেই ঘৰুৱা কাম-বন আদি নজনাত বহুতো ছোৱালী পুনৰ ওভোটাই দিব লগীয়া হোৱাও দেখা গৈছে। এই বিলাকৰো কাৰণ আন কিবা থাকিলেও বৰ্ত্তমান অনুশাসনহীন মুকলি মুৰীয়া শিক্ষা, সস্তিয়া লাহ বিলাহৰ সামগ্ৰী আৰু নাৰীপ্ৰগতিৰ নামত বলা বতাহ চাতিয়েই যাই। নিজৰ ঘৰ খনতে প্ৰগতিৰ পথত আগুৱাব নোৱাৰিলে বাহিৰত মেল মিটিং কৰি দীঘলীয়া বক্তৃতা দি, বৈদিক যুগ, মধ্যযুগ আদি জ্ঞানেৰে ঢুকি নোপোৱা যুগৰ তিৰোতা সকলৰ কথাকে গায় বায় থাকিলেই আৰু ঘৰুৱা বন খটি কৰি দিনটোৰ সৰহ সময় বাহিৰত কটাই তথা-কথিত দেশ সেৱীকাৰ নাম ললেই আমি নাৰী স্বাধীনতা নাপাওঁ। স্বাধীনতাৰ আচল মৰ্ম্ম উপলব্ধি কৰিবলৈ হলে আমি অৰ্থাৎ তিৰোতা সকলে দেশক, জাতিক, প্ৰধানকৈ নিজৰ ঘৰ খনক নিজৰ পৰিয়ালটোক ভাল পাব পাৰিব লাগিব, আৰু সেই সকলো খিনি আমাৰ ছোৱালী হঁতকো শিকাই সুগৃহিনী, লখিমী বোৱাৰী কৰি গঢ়ি তুলিব পাৰিব লাগিব তেতিয়াহে আমি নাৰীয়ে স্বাধীনতাৰ সোৱাদ পাম। আন হাতে আগলৈ উঠি অহা আমাৰ ছোৱালী হঁতেও ভবিষ্যত সুখৰ সংসাৰ ৰচনা কৰি নিজেও সুখী হৈ লোককো সন্তোষ দি দেশৰ জাতিৰ উন্নতি কৰিব পাৰিব।

অসমীয়া তিৰোতাৰ গৃহস্থালিৰ শিক্ষা।

বৰ্ত্তমান সময়ত আমি স্ত্ৰী-শিক্ষা বুলিলে বা শিক্ষিতা তিৰুতা বুলিলে স্কুল কলেজৰ শিক্ষা পোৱাকে ধৰি লব খোজো, অৱশ্যে তেনে শিক্ষা বাদ দিবলৈ কব খোজা নাই। স্কুল-কলেজৰ শিক্ষাটো হৈছে আমাৰ আন আন শিক্ষাৰ কেৱলমাত্ৰ সহায়কাৰী শিক্ষা হে।

একোজনী ছোৱালী একোখন ঘৰ-সংসাৰ সুচাৰুকৈ চলাই থাবলৈ স্কুল কলেজৰ শিক্ষাৰ উপৰিও আৰু বহুতো শিক্ষাৰ আৱশ্যক হৈ পৰে, যিবিলাক শিক্ষা নহলে তিৰুতা-জীৱনত অকল স্কুল কলেজৰ শিক্ষাই কোনোমতেই কামত আহিব নোৱাৰে। তিৰুতা কোনোমতেই স্বাৱলম্বী হৈ চলিব নোৱাৰে। যি-দুই একে চলিছেও তেওঁলোক হয়তো নিৰাশ্ৰয়া বিধবা যাৰ মাত্ৰ নিজৰ পেট-ভাত মুঠিৰ দিহা কৰোতা নাইবা আন তেনে উপাৰ্জ্জন কৰিব পৰা পুৰুষ নাই, বা থাকিলেও অকৰ্ম্মণ্য। তেনে তিৰুতাৰ বাহিৰে বাকী সকলে, যিমানেই উচ্চ শিক্ষা নাপাওক শিক্ষা সাং কৰি বহুতে কিছুদিন চাকৰি কৰি তাৰ তিতাকেহা অভিজ্ঞতা লাভ কৰি অৱশেষত একোজন উপযুক্ত পুৰুষৰ লগত সাঙোৰ লৈ ঘৰ সংসাৰ পাতি সতি-সন্তান পালন কৰি সকলো গৃহস্থী ধৰ্ম্ম পালন কৰি ঘৰখনৰ গৰাকী হৈ ভিতৰমুৱা হবই লাগিব। কাজেই আমি ঘৰখনৰ ঘৈণীজনী হবলৈ কিমান যে শিক্ষা পাব লাগে তাক আঙুলি পাৱত লেখ দিয়া টান।

"ঘৈণী" শব্দৰ আমি আন প্ৰকাৰে অৰ্থ কৰো এজনৰ পৰিবাৰক; আচলতে ঘৰখনৰ ঘৰিণী হৈ সেই ঘৰখনৰ ভাল বেয়া শুভাশুভ লাভ-লোকচান দয়া-মৰম শ্ৰদ্ধা ভক্তি আদিৰে পৰা সকলোবোৰ উপলব্ধি কৰি গোটেই খন সহজভাৱে চলাই যাব পৰাটোহে ঘৰিণী বুলিব লাগিব। "আমাৰ ঘৰ" বুলি পৰিচয় দিবলৈ আমাৰ অস্তিত্ব অটুট ৰাখিবলৈ বহুত শিক্ষাৰ, বহুত গুণৰ অধিকাৰিণী হব লাগিব। ঘৰৰ নিজা পৰিয়ালৰে পৰা লগুৱা লিগিৰীলৈকে ঘৰৰ ঘৈণী গৰাকীৰ মুখলৈ চকু। খোৱা-পিন্ধা, কৰা-মেলা, ৰং-ধেমালী আদি এই সকলো বোৰ নিয়মীয়াকৈ চ'ল যাব পাৰে ঘৰৰ ঘৈণী গৰাকীৰ একোটা ইঙ্গিততে। সেই দৰেই ঘৰখনৰ গৰু-ছাগলীৰ পৰা কুকুৰ-মেকুৰী, হাঁহ-পাৰ লৈকে। বুঢ়া লোকে ক'বৰ দৰে "চালৰ কুটাৰে পৰা বেৰৰ মাটিলৈকে" সকলো বয়-বস্তুলৈ চকু দিব লাগিব ঘৰৰ ঘৈণীয়েহে। ঘৰৰ ঘৈণী গৰাকী বিচক্ষণা হলেই ঘৰখন ৰংধেমালি আৰু আনন্দত সুন্দৰকৈ চলি যায়। সেয়ে নহলেই ঘৰখন হৈ পৰে এখন ৰণথলী, লগে লগে থান বান।

ঘৰৰ ঘৈণী গৰাকী হিচাবে আজিকালি বহুতো শিক্ষিতা তিকতাক ঘৰুৱা কাম কৰিবলৈ ভাগে ভাগে মানুহ লাগে, সেইদৰে অৱশ্যে অৱস্থাপন্ন সকলে লৈছেও। পিচে শিক্ষিতা তিকতা হৈ ঘৰখনৰ ঘৈণী হৈ ঘৰুৱা কাম-বন প্ৰধানকৈ ভাতৰ চৰুটো লোকৰ হাতত এৰি দি নিশ্চিন্ত হৈ ঘৰৰ গৃহিনী বোলাবলৈ যোৱাটো সঁচাকৈয়ে বৰ বেয়া কথা আৰু ইয়াক এক

প্ৰকাৰ শিক্ষাৰ অপচয় কৰা বুলি নধৰি নোৱাৰি। প্ৰত্যেক শিক্ষিতা তিৰুতাই নিজৰ শিক্ষা লোৱা কালতেই "ঘৰুৱা বিজ্ঞান" আৰু "স্বাস্থ্য ৰক্ষা নীতি" শিকি আহিও যদি নিজৰ ঘৰখন নিজে অধিকাৰ কৰিও সেই শিক্ষা কামত খটাব পৰা নাযায় তেনেহলে তাৰ পৰা লাভেই বা হল কি ?

ঘৰৰ ঘৈণী গৰাকীয়ে ৰান্ধি-বাঢ়ি যতনাই দিয়া এমুঠি ভাত এটোপা পানী লাগিলে সুদায়ে হক নিজৰ পৰিয়ালৰ আগত হাঁহি মুখে আনি দিলে কেনে সুন্দৰ দেখা যায়, খোৱায়ো কেনে তৃপ্তি পায় আৰু দিয়াৰো কেনে সাৰ্থক তাক অলপ উপলব্ধি কৰিলে বুজিব পাৰি। নিজৰ ধান্ধনি ঘৰটোত নিজৰ লখিমী ৰান্ধনী জনীয়ে নিজে নানাবিধ ৰান্ধি-বাঢ়ি নিজৰ প্ৰিয় পৰিজনৰ আগত আনি দিয়ে, এয়ে হৈছে আমাৰ ঘৰখনৰ লক্ষণ। সেইদৰেই নিজৰ শাহু-শহুৰ, জেঠাল-বৰজনা, স্বামী, দেওৰ, ননন্দ, লৰা-ছোৱালী, নিজৰ ঘৰ দুৱাৰ, নিজৰ বয় বস্তু সকলো আমাৰ নিজৰ ; তাত আনকোনেও প্ৰভুত্ব খটাব নোৱাৰে। এনে স্থলত আমাৰ এই সোণৰ সংসাৰখনলৈ আমি আওকান কৰি চাকৰ ৰান্ধনি ৰাখি সিহঁতৰ ওপৰত সৰ্ব্ব ভাৰষা কৰি সিহঁতে লাৰি চাৰি দিয়া খাবলৈ হলে আমিনো কিহৰ গৃহিনী জনী হলো ? নিজৰ ঘৰখনলৈ পিঠি দি নিজৰ ঘৰুৱা কাম খতি কৰি বা নষ্ট কৰি লোকৰ মানুহক ঘৰত ৰখীয়া থৈ বাহিৰত নানান কথন-মথন কৰি দেশৰ হিত সাধিবলৈ যোৱা মানে নিজৰ সোণৰ সংসাৰখন চাৰখাৰ হবলৈ দিয়াৰ বাজে আন বুলিব নোৱাৰি।

কথাতে কয় বোলে—"পুৰুষৰ ৰণ বাজত তিৰুতাৰ ৰণ ভিতৰত"। ঘৰৰ ভিতৰৰ ৰণখন আটাইতকৈ ডাঙৰ ৰণ যাক জীৱনযাত্ৰা পথত আগৰণুৱা কৰি দি ঘৰৰ ঘৈণী নামেৰে ভূষিত কৰি এৰি দি পুৰুষ সকল নিশ্চিন্ত হৈ বাজৰ ৰণত যোগ দিব পাৰে।

আমাৰ ঘৰখনত যিমান কাম সেই সকলো বিলাক কাম পৰি পাত্তিকৈ আমি ঘৈণী জনীয়ে যিটো দিহাৰে কৰিম চাকৰে তেনেকৈ কেতিয়াও নকৰে। চাকৰে কৰা কামত নানা প্ৰকাৰ খুট আৰু সেই খুট বোৰে চাই থাকি থাকি নিজৰে খিংখিঙীয়া স্বভাৱ এটা হৈ যায়গৈ। লোকে কৰা কামত আনন্দ নাই। নিজে কৰা কামত আনন্দ আছে, তৃপ্তি আছে। ঘৰখন চলাই খাব পৰা শিক্ষাতকৈ ডাঙৰ শিক্ষা তিৰুতাৰ কাৰণে আন আৰু নাই। আমাৰ প্ৰধান কাম হৈছে ঘৰৰ পৰিয়ালৰ খোৱা পিন্ধা, চাফ চিকন আদিলৈ চকুৰখা, সন্তান আদি পালন, গোপালন, ৰোগীৰ শুশ্ৰূষা কৰা, পথ্যাপথ্য বিষয়ে জ্ঞান অৰ্জ্জা, বয়-বস্তু পা-পইছাৰ সজ ব্যৱহাৰ কৰা, জীৱৰ প্ৰতি দয়াৱতী হোৱা, আলহী অতিথি শোধ পোচ কৰা ইত্যাদি বিলাকেই হৈছে ঘৰৰ ঘৈণীৰ অৰ্থাৎ আমাৰ ঘাই কাম।

এই ইমান বিলাক কামৰ উপৰিও আমাৰ আৰু কাম আছে। বোৱা কতা, বনা-খুন্দা, ভজা-পোৰা, বোৱা-তোলা, শিয়া-পোতকা জমা খৰচ ৰখা আদি গৃহিনীৰ অনেক কাম। আমাৰ উদ্দেশ্য এইটোও হব লাগিব যে পুৰুষ সকলে বাহিৰৰ পৰা যি ধন আদি ঘটে সকলোখিনি আমাৰ হাততেই পৰেহি। গতিকে

আমি চাব লাগিব যাতে কম খৰচতে আৰু নিয়মীয়াকৈ সহজ-ভাৱে ঘৰখন কেনেকৈ চলাই তুপইছা সাচিব পাৰি তাৰবাবে আমি বিশেষ যত্ন লৈ আমাৰ লৰা-ছোৱালীকো শিকাব পাৰিব লাগিব। বাহিৰৰ পৰা অহা পইছা কেইটাৰ ওপৰতে সকলো ঘৰুৱা লাগতিয়াল বস্তু কিনাৰ কাৰণে নিৰ্ভৰ নকৰি তাৰে পৰা নিজে তৈয়াৰ কৰিব নোৱাৰা বস্তু কিনাতহে ঘৈণীৰ বাহাদুৰী। আমি অসমীয়া ছোৱালীৰ তাঁতবোৱা সূতা কটা আমাৰ কৌটি কলীয়া নিয়ম। আমাৰ কাপোৰৰ আৱশ্যক হলেই বিদেশী ৰং চঙীয়া কাপোৰত ভোল গৈ বেছি দাম দি সেইবোৰ কিনি সৰহ পইছা খৰচ কৰাতকৈ কম পইছাৰে সূতা কিনি আনি সেই সূতাৰে ঘৰত বৈ ললে কিনি অনা এখন কাপোৰৰ ঠাইত তিনি-খন কাপোৰ হব। ঘৰুৱা কাম কাজৰ হৈ যদি আমি নিজৰ গাৰ কাপোৰ ডোখৰ বৈ লব পাৰো তাতেই আমাৰ ধনৰ সজ ব্যৱহাৰ হল। তদুপৰি আমি বস্তুও পালো খাটি, দামো পালো সস্তা। ইয়াতকৈনো আমি গৃহিনী সকলৰ গৌৰৱ কি লাগিছে? আমি তাঁত বৈ সকলো আৱশ্যকীয় কাপোৰ কানি—জাৰত জাৰ কাপোৰ জহত জহৰ কাপোৰ নিজে তৈয়াৰ কৰি লব পৰাকৈ উপযুক্ত শিক্ষা পাওঁ যদি সেইটোও এটা ডাঙৰ শিক্ষা নহল জানো আমাৰ কাৰণে?

কেইডোখৰ মান দামী কিনা কাপোৰ পিন্ধি মুখত নানা প্ৰসাধান ঘঁহি ইংৰাজীৰে কথা কবলৈ শিকি ঘৰত "চাকৰ" বাপুতিৰ হাতত নিজৰ "ঘৈণী" স্বত্বটো সোধাই দি পুৰুষৰ সমানে

ফেৰ মাৰি মেলে মিটিঙে বক্তৃতা দি ফুৰাটোৱেই যদি স্ত্রী-শিক্ষা বুলি কবলৈ যাওঁ বাকী ঘৰৰ “ঘৈণী” বোলা এই মহান উপাধিটো কাৰ হাতত সোধাওঁ বাৰু? চাকৰৰ হাতত নে ৰান্ধনি বাপুতিৰ? নাইবা নিজৰ স্বামীৰ হাতত? অৱশ্যে সেই বুলি অহর্নিশে পাক ঘৰটোৰ ভিতৰতে বা ঘৰুৱা কাম বনতে লাগি নিজৰ ৰং-ধেমালি আদি শাৰীৰিক মানসিক আমোদ আহ্লাদ বোৰলৈ পিঠি দি লেকেৰ লেকেৰ তাকে কৰি কৰিয়েই দিন বিলাক কটাই দিয়াৰ কথা কব খোজা নাই। আমাতকৈ আমাৰ বুঢ়ী আই হঁতৰ কামো আছিল বেছি অথচ ৰং ধেমালি আদিও আছিল যথেষ্ট। তদুপৰি তেওঁলোকৰ স্বাস্থ্যও আছিল, নিৰোগী নিপোটল তেজ গোড়া আৰু সদায়েই হাঁহি মুখীয়া। একো গৰাকী আলৰ বুঢ়ী দেখিলেই প্রমাণ পোৱা যায় তেওঁলোকৰ মুখত অতীতৰ ৰং ৰহইচৰ বৰ্ণনা বোৰৰ। সেইবোৰৰ তুলনাত আমি অকামিলা হৈ যোৱা যেন লাগে।

ঘৰ খনত বেলি উঠাৰ পৰা বেলি বহালৈকে সময়খিনি ভগাই লৈ যেতিয়াৰ যিটো কাম তাক তেতিয়াই কৰি বা কৰাই ললে কামবো অস্ত আৰু নিজৰো আজৰি হৈ পৰে। কথাতে কয়,

ঘৰৰ ঘৈণী লৰাৰ মাক
তোক নামাতি মাতিম কাক।

সচাকৈয়ে ঘৰৰ ঘৈণী হৈ যদি আমি সকলো বিষয়তে ব্যুৎপত্তি লাভ কৰিবলৈ শিকিব নোৱাৰো তেন্তে অকল উচ্চ শিক্ষা বা কিতাপৰ বিদ্যাই একো কামত নাহে বৰং উচ্চ শিক্ষাই পুৰুষে

কঠোৰ পৰিশ্ৰম কৰি ঘটি অনা ধনৰ অতি মাত্ৰা খৰচ বঢ়োৱাৰ উপৰিও তিৰুতা সকলক অকামিলা কৰি তোলে। উদাহৰণ হিচাপেও বছৰি যিমান বিলাক লৰা ছোৱালীয়ে উচ্চ শিক্ষাৰ দেওনা পাৰ হয় তাৰ ভিতৰত লৰাবোৰে এটা নহয় এটা উপাৰ্জ্জনৰ পথ উলিয়াই লয়, কিন্তু ছোৱালীবোৰে পঢ়া শুনা সাং কৰি মাক দেউতাকৰ চিন্তাৰ বোজা হৈ ঘৰতে আলহী হৈ বহি শুই নানা কল্পনা জল্পনাৰ মাজেদি দিন গণিব লগাত পৰে উপযুক্ত এজন পাত্ৰৰ লগত সাঙোৰ খাবলৈ। তাৰ পাচত যেনে তেনে ধাৰে ঋণে নিজৰ আৰু মাক দেউতাকৰ লগতে উচ্চ শিক্ষা বজাই ৰাখি বিয়া খন হৈ যোৱাৰ লগে লগেই লাগিল এটা ভাড়া ঘৰ, এটা ৰান্ধনি এটা চাকৰ এজনী চাকৰণী। সতি সন্তান উপজিবৰ হলেতো কথাই নাই। ডাক্তৰ, লেডী, নাৰ্চ, মেটোৰ মেটোৰণী আৰু যে কত কি। ইঁপিনে গিৰিহঁতৰ উপাৰ্জ্জন যিমানেই নহক লাগে ধাৰে ডিঙিৰ গুৰিলৈকে পোতেই যক তথাপি ভদ্ৰতা ৰক্ষা কৰিবই লাগিব। এয়ে হল আমাৰ স্ত্ৰী শিক্ষাৰ ফল। এয়ে যদি আমাৰ স্ত্ৰী শিক্ষা হয় তেন্তে আমাৰ সমাজে বিশেষকৈ ঘৰৰ লখিমীয়ে নিশ্চয় এৰা দিব। উচ্চ শিক্ষা লৈ, একো গৰাকী তিৰুতা দেশৰ নেত্ৰী হোৱাতকৈ ঘৰে ঘৰে একো গৰাকী লখিমী ঘৈণী হৈ নিজৰ ঘৰৰ সুখ শান্তি নিজে আনি লব পৰাকৈ একো গৰাকী মাতৃ হৈ নিজৰ সন্তানক সজ শিক্ষা দি দেশৰ নাগৰিক কৰি গঢ়ি তুলিব পৰাটো দেশৰ কাৰণে, জাতিৰ কাৰণে, ঘৰৰ কাৰণে আৰু আমাৰ তিৰুতা সকলৰ

কাৰণে বেছি গৌৰৱৰ কথা। একো গৰাকী বিচক্ষণা গৃহিনীৰ হাতৰ বুলনত আৰু মুখৰ দিহাত মৰততে সৰগৰ সুখ শান্তি পাব পাৰি।

—:*:—

আমাৰ ঘৰখন আৰু বস্তু বেহানি

আমাৰ অসমীয়াৰ মুখে মুখে এষাৰ কথা আছে "পূবে ভঁৰাল, পশ্চিমে মৰাল, উত্তৰে চৰু দক্ষিণে গৰু।" সেই কথা ষাৰকে মানি লৈ আগৰ অসমীয়াই সেই নিযমেই ঘৰখন সজাই-পৰাই লৈ আহিছিল। আজি কালিও কোনো কোনো ঠাইত গাৱঁলীয়া সমাজত সেই নিয়মতেই ঘৰ দুৱাৰ লোৱা দেখা যায় যদিও ভিতৰৰ বয় বস্তু, সাজ-সৰঞ্জাম বিলাক কিন্তু অসমীয়া ধৰণৰ পৰা আঁতৰি গল।

আগৰ অসমীয়াই বাৰীৰ চৌ ঢাপ মাৰি চ'ৰা ঘৰ, বৰ ঘৰ, মাল ঘৰ, ৰান্ধনি ঘৰ, ঢেঁকীশাল, গৰু গোহালি আদি লেখৰ ঘৰ কেইডোখৰ য'ত যেনে দৰে সাজিব লাগে সাজি পদুলি মুৰৰ নগুলা মুখত নাহৰ, বকুল, চম্পা, টগৰ, কৰ্‌বি, গুলচ, খৰিকা জাঁই, গধুলি গোপাল, অৰ্জ্জুন গছ, সাগৰ কেনা আদি কই নিতে সাৰি পুচি চাফ চিকণ কৰি আগ ফালটো মোহ লগা আৰু

চালে চকু বোৱা কৰি ৰাখিছিল। পদুলি পায়েই নঙলা মেলি সোমাই গৈ চ'ৰা ঘৰৰ দুৱাৰ মুখৰে পৰা দেখা পোৱা যায় ভিতৰৰ বৰ খুটাত পহু শিং, বেৰৰ দাতিয়ে দাতিয়ে আঁওজাই থোৱা বৰ পীৰা, চামৰ পীৰা, তামুলী পীৰা, দুখৰি পীৰা, কাছ পীৰা। বেৰত আঁৰি থোৱা পাটী ঢৰা, মেৰ ঢৰা, চটাই ঢৰা মুঠাৰ কথ আদিৰে চ'ৰা ঘৰটি শুৱনী হৈ থকা। কিন্তু আজিৰ অসমীয়াৰ ঘৰৰ ভিতৰখনলৈ ভুমুকি মাৰি চালে চকুৰ পানী ওলায়। আমাৰ গা উদং হোৱাৰ দৰেই ঘৰৰ ভিতৰ খনো উদং হ'ল। আমাৰ চ'ৰা ঘৰত বৰ খুটা নাই, পহু শিং নাই, মেৰঢৰা পাটীঢৰা নাই, বৰপীৰা তামুলীপীৰা নাই। বৰজাপি সৰুদৈয়া জাপি আদি আমাৰ জাতীয় সম্পদ আৰু গৌৰৱৰ সমল নাই। সেইবোৰৰ ঠাই চকি মেজ বেঞ্চ আদিয়ে অধিকাৰ কৰিলে। আমি সৰ্ব্বসাধাৰণ গাঁৱলীয়াৰে পৰা শিক্ষিত নগৰীয়ালৈকে আমাৰ বাপতি সাহোন পিৰা ঢৰাত বহিবলৈ বেয়াই পোৱা হলোঁ। দিনে দিনে আমি সেইবোৰ এৰি অহাৰ লগে লগেই তাক পাহৰি যাবলৈ ধৰিলো। আমাৰ চ'ৰা ঘৰত চকিমেজ নহলে উকুণ্ডা লগা হ'ল। ইপিনে লাগে আমি তাৰ ব্যৱহাৰ কৰিব জানোৱেই বা নাজানো তথাপিও আমাৰ চ'ৰা ঘৰৰ বুলনিত চকিমেজ থাকিবই।

আগেয়ে অসমীয়াৰ ঘৰলৈ আলহী আহিলে গৃহস্থই যথা যোগ্য মানসম্মান, স্নেহ প্ৰীতিৰ উপলক্ষে ঢৰা পিৰা কথ আদিৰ ভিতৰতে যাক যিহত বহুৱালে আলহী গৃহস্থ উভয়ৰে ব্যক্তিগত

নাইবা সামাজিক সন্মান অটুত থাকে তালৈ লক্ষ্য ৰাখি ভাগে ভাগে বহা শোৱাৰ সঁজুলি তৈয়াৰ কৰি লৈছিল আৰু সেই মতেই ব্যৱস্থাও কৰিছিল। কোন কেনে ধৰণৰ মানুহ তাক অসমীয়াই প্ৰথমেই মাত কথা আৰু বহা আসনৰ যোগেই প্ৰকাশ কৰি দেখুৱাইছিল। খোৱা বোৱাতো অসমীয়াৰ ভিতৰ সম্পত্তি কঁহি-বাতি আদিৰ মাজতো যথেষ্ট মান সৎকাৰৰ আভাষ পোৱা যায়। মুঠৰ ওপৰতে যাক যেনে দৰে ব্যৱহাৰ কৰিলে সন্তোষ পায় সেই দৰেই ব্যৱহাৰ কৰিবৰ কাৰণে যথেষ্ট আহিলা পাতি গোটাই লোৱাটো অসমীয়াৰ এটা জাতিগত ৰীতি আছিল।

অতীজৰ অসমীয়াৰ আবুৰ থকা ঘৰ সাজি তাৰ শৃঙ্খলা ৰক্ষা কৰা আৰু জাতীয় হয় বস্তুৰ সমাদৰ কৰা, জতুৱা মাত কথা, সৰল আচাৰ ব্যৱহাৰৰ যোগেই দেশৰ আৰু জাতিৰ গৌৰৱ সন্মান ৰাখি আহিছিল। কিন্তু আজি ক্ৰমাম্বয়ে এৰি আহিলোঁ। আজি কালি আমাৰ ঘৰ সজাৰ কোনো শৃঙ্খলাবদ্ধ নিয়ম নাই। অনা অসমীয়া মিস্ত্ৰীৰ হতুৱাই আনৰ আদৰ্শতহে আমাৰ ঘৰ সজা হয়। বৰঘৰ, মালঘৰ আদি লেখৰ ঘৰ বিলাক আমি বাদ দিলো। ঘৰৰ ভিতৰৰ আবুৰ নাইকিয়া হল অৰ্থাৎ যাৰে তাৰে অবাধ গতি হল। আগৰ অসমীয়াৰ ৰান্ধনি ঘৰত বৰ ঘৰত যেই সেই মানুহ সোমোৱা দূৰৰে কথা, এতিয়া আমাৰ শোৱনী ঘৰত শোৱা ঢাৰী পাটীত আলহী আহিলে বহিবলৈ দিওঁহক। ৰান্ধনি ঘৰত ঘৰৰ ধৈণী গৰাকীৰ বাদে আগৰ অসমীয়াৰ আনৰ প্ৰৱেশ নিষেধ আছিল আন মানুহে তাত ঠাই

নাপাইছিল। এতিয়া আমাৰ ৰান্ধনি ঘৰত চাকৰ ৰান্ধনি বাপুৰ টিঘিল ঘিলনিৰ ঠাই হল। শোৱনী ঘৰ বা শোৱনী কোঠাৰ আবুৰ নাইকিয়া হল। ৰান্ধনি ঘৰত ভাত খাই লোটা চৰীয়াৰে মুখ ধুই উঠি গৈ চ'ৰাঘৰত পীৰা ঢৰাত বহি তামোল ধপাতেৰে মুহুদী কৰা অসমীয়া আজি আমাৰ মাজত বিশেষকৈ শিক্ষিত সমাজত খুব কমেই হে ওলাব। আমি আমাৰ জাতীয় ধৰণ কৰণ জাতীয় বয় বস্তু এৰি বিদেশীৰ ৰীতি নীতি লৈ একেবাৰে খছৰ হৈ পৰিলোঁ।

আমাৰ উপৰি পুৰুষ সকলৰ দিনৰ কাঠ বাঁহৰ সম্পত্তি খাট পালেং চালপীৰা, পেৰাখাট, বৰপেৰা, হাতনি পেৰা. জপা, পেটাৰী. গছা. ঠগা, লাখুটি, খাটোলা, হাতীৰ পিঠিত হাওদা, খৰম-ফানতি আদি বস্তুবোৰ এৰিলোঁ। এইবোৰৰ নাম আমাৰ লৰা ছোৱালীয়ে শুনাই নাই। সেই দৰেই অসমীয়াৰ কৌটি কলীয়া সহজেৰে কাঁহ পিতল তামৰ আঁঠধতুৰাৰ ৰূপৰ বিশুদ্ধ কাঁহি বাতি শৰাই সঁফুৰা লোটা বটা মাইহাং বান বাতি, বেৰাকাঁহি, পাণধোৱা. তৰাহী, টৌ, চৰীয়া, ডাবৰ, পিকবান্, ভোগ জৰাকে আদি কৰি কলহ গাগৰী ইত্যাদি বস্তুৰে অসমীয়াৰ ঘৰ শুৱনী হৈ আছিল। কিন্তু আজি কালি তেনেকুৱা ঘৰ শুৱনী সাতাম পুৰুষীয়া নিত্য ব্যৱহৃত জাতীয় বস্তু আন হাতে শৰীৰৰ কাৰণেও উপকাৰী বস্তুৰ ঠাইত চীনামাটি, বগীটিং, আইনা, প্লাষ্টিকৰ কাপপ্লেট, ঘঁটি, গিলাছ, বাল্টি, ভঁজীয়া এলুমিনিয়ামৰ থাল বাতি আদি অস্বাস্থ্যকৰ বস্তুৰে আমাৰ ঘৰ ভৰি পৰিল।

লোটাৰে মুখ ধুবলৈ আমাৰ ঘিণ লাগে। ডাৱ কটাৰীখন, আৰু চুনৰ টেমীটোৰে সৈতে তামোলৰ বটাটো আজিৰ শিক্ষিত ডেকা গাভৰুৱে বেয়া দেখে। জাউতি যুগীয়া সাতাম পুৰুষীয়া অসমীয়া বস্তু আজিৰ আধুনিক অসমীয়াৰ চকুত ঘিণ লগা হল। বৰ্ত্তমান এনে এঘৰ অসমীয়া নাই যাৰ ঘৰত এলুমিনিয়াম থাল-বাতি ঘঁটি নাইকিয়া। এনে এঘৰ অসমীয়া নাই যাৰ ঘৰত আইনা গিলাছ, বালটি নাইকীয়া। কিন্তু লোটা, কলহ বানবাতি, মাইহাং নাইকিয়া, তৌ, বাতি, চৰীয়া, ডাবৰ নাইকিয়া অসমীয়াৰ লেখ ললে হয়তো বহুতো ওলাব। অথচ আমাৰ অসমীয়া লোটা কলহ আদি ব্যৱহাৰ কৰা অনা অসমীয়া পোৱা নাযাব কিজানি। কাঁহ-পিতলৰ সা সম্পত্তি কাঠ বাঁহৰ ঢৰাপীৰা, পাচি খৰাহী আদিৰে ঘৰ ভৰি থকা অসমীয়া গৃহস্থী আজি কালি খুব কমেইহে ওলাব। আগৰ অসমীয়া তিৰোতা সকলৰ দৰে আমি বাহি ঠাইঘৰ নতাওঁ। কাষত গাগৰী লৈ নৈ বা পুখুৰীৰ পানী নানো, মুৰত ওৰণী নলও, ইপিনে, “গাগৰী বুৰাই সখী ওৰণী টানি” বুলি কণ্ঠ সঙ্গীত গোৱাত আমি পাকৈত। যিটো বস্তু অলাগতিয়াল তাক লৈ গীতপদ গোৱাটো এক প্ৰকাৰে কৰলৈ গলে নিষ্প্ৰয়োজন নহয় জানো? আন হাতে আমাৰ গাগৰী আৰু ওৰণী এই দুয়োটাৰ এটাও নাইকিয়া দেখোন, তাক জানো ভাবি চাইছো?

এড়ীমুগা, পাতৰ কানি-কাপোৰ, কাঠ বাঁহৰ পেৰা পেটাৰী, পাচি-খৰাহী, কাঁহ পিতলৰ খোৱা ধোৱা কাঁহি বাতি লোটা,

কলহ, গৰু-মহ, তামোল-পাণৰে বাৰী খন, ধানে ভৰা ভৰালটি ইয়াকে লৈয়েই অসমীয়াই চহকী বোলাই নিজৰ দহৰ আৰু দেশৰ হিত সাধি সুখেৰে দিন কটাইছিল। পিচে আজিৰ দিনত আমি সেই বোৰলৈ আস্থা এৰি অহাত দিনে দিনে দুখীয়া আৰু অসুখী লগতে পৰমুখী হৈ আহিছোঁ।

মাটিৰ মলা চৰু, কলহ, টেকেলী, নদীয়া আদিয়ে আধুনিক অসমীয়াৰ ঘৰত ঠাই নোপোৱা হল। ফলত অসমীয়া কুমাৰ, কমাৰ, কাৰিকৰৰ হাতৰ শিল্প লোপ পালে। আগৰ অসমীয়াই মাটিৰ চৰুত ভাত ৰান্ধি খাই এশ বছৰ পৰমায়ু পাইছিল। এতিয়া আমি নানা প্ৰকাৰ অস্বাস্থ্যকৰ পাত্ৰত খোৱা বোৱা কৰি দিনে দিনে ৰুগীয়া, স্বাস্থ্যহীন হৈ আহিবলৈ ধৰিছো। ঔষধৰ বিহনে টনিকৰ বিহনে জীৱনধৰা টান হৈ আহিছে।

অতীজৰ অসমীয়াৰ নিত্যব্যৱহাৰিক বয়-বস্তু আমি প্ৰদৰ্শনীত চাইহে গৌৰৱ কৰোঁ, ঘৰত ব্যৱহাৰ কৰি নহয়। অসমৰ প্ৰদৰ্শনীত আন আচৰিত বস্তু দেখক বা নেদেখক পুৰণা অসমীয়া কাপোৰকানি, কাঁহি বাতি, পিঠা পনা তাঁত বোৱা, হাতে কটা সুতাৰ কাপোৰ দেখিবই—যিবোৰ অসমীয়াৰ কাৰণে এসময়ত তেনেই উজু আৰু সদা সৰ্ব্বদা ব্যৱহাৰ কৰা সাধাৰণ বস্তু বা কাম আছিল তাকেহে দেখা পাওঁ। তাৰ বাদে আৰু নতুন বস্তু নতুন কাম একো দেখা মনত নপৰে। যিবোৰ আনে চাই আচৰিত হব লগীয়া সেই বোৰকে চাই আমিহে আচৰিত হব লগীয়া হৈ পৰিছোহঁক।

বুঢ়ী আইহঁতৰ মুখে শুনো আগৰ অসমীয়াই লাগতীয়াল বস্তু বিচাৰি লোকৰ হাতলৈ মুখলৈ চাব নালাগিছিল। সকলোবোৰ আমাৰ নিজৰ দেশতেই পাইছিলো কি বস্তু ক'ত পায় আৰু ক'ৰ বস্তু উৎকৃষ্ট তাকো জানিছিল। যেনে জয়খাম দাং পথাৰৰ ধানৰ চাউলৰ ভাত, নাম দাং নৈৰ মাছ, শদীয়াৰ কচু, মালৌৰ গাখীৰ, ফুটুকা তলিৰ গৰু', শালমৰাৰ চক গেলেকাৰ হাঁহ, বছাৰ বাঁহ, গড় গাঁৱৰ কটাৰী, সৰ্থে বাৰীৰ কাঁহ ইত্যাদি বিলাক ৰজাই শলগা বস্তু।

বুঢ়ী আইহঁতৰ দিনৰ বাঁহৰ কাঠিৰ ফুলৰ চানেকী আজি আমাৰ মানত এলাগী হল। পদুম টগৰ বাবৰী, চম্পা ফুল, গছা খুৱাই লুটিয়াই দিয়া ফুল, ধান চিৰা খুৱাই বছা নানা প্ৰকাৰৰ লতা ফুল, কল্কা, গুটি ফুল আদি থকা ফুলৰ চানেকী আমাৰ অনাদৰত লেৰেলি গল। আজিৰ দিনত আগৰ দৰে শিপিনী, ফুলতী, কাজী, নামতী নাই কোনোবা কৰবাত দুই এক ওলালেও আগৰ বাঁহৰ কাঠিৰ ফুলৰ চানেকী চাই ফুল নাবাছোঁ। সেইবোৰ আগৰ দিনীয়া-পুৰণা ধৰণৰ। সেইবোৰ আমাৰ চকুত আপচু দেখোঁ। এতিয়া আমি ছাপা বহী চাই বাবে বিংকৰা, কেণা ধেনা লগাই বঙ্গলুৱা ফুলহে বাছোঁ, তাকো তাঁতত নহয়। এদিনৰ কাম সাতদিনে কৰি আৰু এটকাৰ ঠাইত সাত টকা ভৰি টেবুল ঢকা, গাৰু গিলিপ, কমাল, ব্লাউজ আদিত—বেজিৰেহে।

খোকা, চেপা, লাহনী, পল, জুলুকী, জকাই, খালৈ, টোনা, গালফলা, দলঙ্গা, হুকুমা, ঘনী, ঘগৰা আদি মাছ ধৰা সজুলি আগৰ অসমীয়াৰ ঘৰে ঘৰে আছিল। নিজে অৰ্জ্জা ধানৰ ভাত নিজে মৰা মাছৰ আঞ্জা অসমীয়াই নিজে খায়ো লোকক খুৱাব পৰা সমৰ্থ আছিল। আজিৰ অসমীয়াৰ লৰা ছোৱালীয়ে মাছ ধৰা ওপৰোক্ত সজুলি দেখাও যে নায়েই নামো শুনা নাই বুলিলেও বঢ়াই কোৱা নহব। মাছ মৰা, ধানদোৱা, ভূঁইৰোৱা, অসমীয়াৰ জাতিগত নীতি আছিল কিন্তু আধুনিক অসমীয়া আমি জকাই বাব নাজানো তাৰমানে নাবাও। বিদেশৰ পৰা অহা "চালানী" মাছ খাই খাই আমি বনগীত গাওঁ—

"অ'ৰঙদৈ
অকলৈ অকলৈ যাব কোন বিললৈ
হাতত লৈ জাকৈ খা-ল-ই"।

শকাব্দ, শঙ্কাবাব্দ মুং আমি ব্যৱহাৰ নকৰো। সেইবোৰ যাদুঘৰত থকা পুৰাতনীয়া আচৰিত বস্তুৰ দৰে পঞ্জিকা, বাত-ৰিকাকত, আলোচনী, নাইবা কাৰোবাৰ জন্মপত্ৰিকাৰ বাদে আমাৰ গতানুগতিক জীৱনৰ কামত সেইবোৰ ব্যৱহাৰৰ বাহিৰ। বিদেশীয় "চনে"ৰেহে আমি আমাৰ দিন মাহ বছৰৰ লেখ লওঁ।

আগৰ হোজা সৰল চিন্তিয়া অসমীয়াৰ লৰা-ছোৱালী উপ-জিলে নামাকৰণ কৰে ঈশ্বৰ ঈশ্বৰীৰ নামে। নানা দেৱ দেৱীৰ নামে। মাহ বাৰ তিথি নক্ষত্ৰৰ নামে। বগা ক'লা গাৰ বৰণৰ

নামে। গছ বন লতা নানাবিধ ফুলৰ নামে। সোণ ৰূপ আদি পঞ্চ ৰত্নৰ নামে কিন্তু আজিৰ শিক্ষিত অসমীয়াই অৰ্থাৎ আমি সেইবোৰ আজিকালি শুনিবলৈ আপচু পাওঁ। আমি আমাৰ লৰা ছোৱালীৰ নামকৰণ কৰো বিদেশী ভাষাৰে উচ্চাৰণ কৰি কুইণী, ৰ'জ, বিবি', ৰুবী', লিলি নতুবা কোনো অৰ্থ নাইকিয়া কিছুমান শব্দৰে যেনে—টি টি, দাছু, বিক্ত, অক, তুলু, ডুডুল, বাবাই, টুিট, ইত্যাদি তদ্রূপৰি চন্দ মিলাই মিলাই একোটা আধুনিক নামেৰে যিবোৰ শুনিলে তাত অসমীয়াৰ গোন্ধ ভাপো বিচাৰি পোৱা নাযায়।

সঁচাকৈ আমাৰ যদি এনেবিলাকেই হৰলৈ হয় তেন্তে অতি সোনকালেই অসমীয়াৰ জাতীয় চিন চাব নাইকিয়া হৈ যাব যেন হে অনুমান হয়। অৱশ্যে এই বিলাকৰ গুৰিতে অকলে যে আমিয়েই হে দায়ী এনে নহয়, আমাৰ জাতীয় চৰকাৰ, জাতীয় মহা সভা, জাতীয় সাহিত্য সভা আদিবিলাকৰ অমনোযোগিতাৰ কাৰণেও আজি অসমীয়া বিপথে যাব লগীয়াত পৰিছো হঁক। আমি আজি একালৰ পৰা ঠেৰেঙা লাগি মৰি আহিছো। আমাৰ জাতীয় বোধ, জাতীয় চেতনা লোপ পাই আহিছে। সেইহে আমি আমাৰ প্ৰাচীন ঐতিহ্য হেৰুৱাই লোকৰ হাতলৈ, মুখলৈ চাব লগীয়া হৈছো। অসমীয়াৰ এই ভগা ককাল কাহানিবা পুনৰ ভাল হোৱাৰ আশা আছে জানো?

অসমীয়া শিপিনী—জীয়ৰী-বোৱাৰী।

বৰ্ত্তমান আমি বিদেশী শাসনৰ পৰা সম্পূৰ্ণ মুক্ত হৈছো যদিও, বিদেশী ভাব-ভাষা বিদেশী শিল্প সৌন্দৰ্য্যত আজিও মুগ্ধ। আমি আমাৰ জাতীয় বৈশিষ্ট্য জাতীয় মৰ্য্যদা ৰক্ষা কৰি এটা আত্মনীয়া সমৃদ্ধিশালী জাতি হৈ উঠিব নোৱাৰাৰ ঘাই কাৰণ হৈছে আমাৰ কুটীৰ শিল্পৰ অধোগতি। বিদেশীয় যান্ত্ৰিক শিল্পৰ কবলত পৰি আৰু প্ৰচুৰ পৰিমাণে বিদেশী বস্তুৰ বিশেষকৈ কানি কাপোৰৰ আমদানী হোৱাত আমি তাতে ভোলগৈ বিলাসিতাত গা এৰি দিয়াত আমাৰ অসমীয়া কুটীৰ শিল্পই গা কৰিব নোৱাৰা হল। আদৰ কমি আহিল, আৰু সেই কাৰণেই মূল্যহীন হৈ উৎপাদনো কমি আহিবলৈ ধৰিলে। অৱশেষত লক্ষ্যশূন্য হৈ ক্ৰমান্বয়ে নাইকিয়া হল। লগে লগে আমি অৰ্থাৎ অসমীয়া তিৰোতাবিলাকো একেবাৰে আলাইবাদু হৈ আহিবলৈ ধৰিলো।

এসময়ত অসমীয়াৰ "বাৰীৰ পাছে ফালে আইদেউৰ তাঁত-শাল" খনিৰ পৰা ঘৰতে কটা বিবিধ সূতাৰ নানাতৰহৰ কাপোৰ ওলাই গা শুৱনী কৰিও জাৰত জাৰ গুচোৱা জহত লৈ আৰাম পোৱা কাপোৰৰ উপৰিও জপা-পেৰা থুন্দ খাই আছিল। তদুপৰি একোগৰাকী অসমীয়া তিৰোতাই নিজৰ শিল্পবিদ্যাৰ

প্ৰভাৱতে ঘৰতে এৰি পুহি কপাহ কাটি তাঁত বৈ ঘৰুৱা কানি-কাপোৰৰ জোৰা মাৰিও ধন উপাৰ্জ্জন কৰি ৰজাৰ খাজনা, লোণ তেলৰ খৰচ আদিৰো যে লেঠা মাৰিব পাৰিছিল তাৰ প্ৰমাণ “কটনা কাটিয়ে খেজেনা শোধালো মুনিহ দি খুৱালো ভাত” বুলি গোৱা নাম ষাৰতে পোৱা যায়।

বাৰীত এৰা, কঁৰা, বজৰনী, কেচেৰু, চোম, নুনি আদি গছ ৰুই লৈ, ঘৰতে এৰি মুগা পাত পলু পুহি, তাৰ সূতা কাটি নিজৰ পৰিয়ালৰ কাপোৰৰ অভাৱ গুচাইছিল। পলু পোহা, এৰি মুগা পাত, খোলা জোঠা কপাহ আদিৰ সূতা কটা, ব পকোৱা, তাঁত বোৱা, ফুল বছা, কেঁছ বছা, কথ বোৱা, শীতল পাটি বোৱা, বিছনী, গাৰুৰ চক সজা ইত্যাদি কামবিলাকত আগৰ অসমীয়া তিৰোতা অতি পাৰ্গত আছিল। তাৰ উপৰিও ভোমলতি, টেপৰ, জৰথ, আচুকাঠ, হালধি, পাণ, থৈৰাঙমী, পচতীয়া, কেঁহেৰাজ, শিলিখা, বগৰী আদি নানা গছ বন লতাৰ ছাল পাত শিপা গুটিৰে হৰেক প্ৰকাৰ ৰং তৈয়াৰ কৰি সেই ৰঙতে সূতা বোলাই ধুনীয়াকৈ ফুল বাছি কাপোৰ বৈ লৈছিল আৰু গাঠিয়ান, গান্ধবিৰিঙ্গা, পিৰিকাফুল, মুঠাবনৰ শিপা ইত্যাদি বনৰীয়া গছ বনৰ ফুল শিপা গোটাই নাৰিকলতেলেৰে সুন্দৰ সুগন্ধি তেল ঘৰতে তৈয়াৰ কৰি ঘঁহিছিল। এতিয়া আমি সেইবোৰ বজাৰৰ পৰা কিনি নানিলে ঘৰতে কৰি লব নোৱাৰো।

আমি আমাৰ জাতীয় শিল্পবিলাক এৰি অহাৰ ফলত ঘৰতে

বোৱা “ছাঁতে শুকুৱা মুঠিতে লুকুৱা” মিহি ধুনীয়া ফুলাম কাপোৰ নাইকিয়া হল। যিমানেই আমি বিদেশী শিল্পসৌন্দৰ্য্যত ভোলগৈ আমাৰ কুটীৰ শিল্পলৈ আওহেলা কৰি আহিছো সিমানেই আমাৰ দেশৰ অৱস্থা শোচনীয় হৈ আহিছে আৰু যেতিয়াৰে পৰা অসমীয়া তিৰোতাই কুটীৰ শিল্পলৈ আওকাণ কৰিবলৈ ধৰিলে তেতিয়াৰে পৰা আমাৰ অসম দুখীয়া হল। অসমীয়াৰ অন্নবস্ত্ৰ সমস্যা সমাধান কৰাত তিৰোতাই সকলো ক্ষেত্ৰতে আগ ভাগ লৈ পুৰুষৰ সহযোগী হৈ আছিল। এতিয়া আমাৰ দিনত কাপোৰ কিনি নিপিন্ধিলে লাজ নিবাৰণৰ উপায় নাই। আচাৰ্য্য বিনোৱা ভাবেই কবৰ দৰে “বাহিৰৰ কাপোৰ যি পিন্ধে সি নাঙঠ।” আমিও আজি বিনোৱাজীৰ মতে “উলঙ্গ আৰু নিলাজ” হৈ পৰিছোঁহঁক, কিয়নো আজি আমি নিজে এডোখৰ কাপোৰ ঘৰতে বৈ লৈ পিন্ধিব নোৱাৰো। আমাৰ “বাৰীৰ পাছে ফালে” তাঁতৰ ঘিট ঘিটনি, মাকোৰ খিটখিটনি নাই। বৰ ঘৰত যঁতৰৰ গুণগুণনি, নেওঠনীৰ কেৰকৰণি, ধেনুৰ ধপধপনি নাই। পলু পোহা, টেপা কটা কপাহ কটা অভ্যাস নাই। মুগা কটা শাল নাই। বাৰীত এৰা, চোম, কপাহৰ গছ নাই। জপা-পেৰা উদং। কিমা সূতা এদালো বৈ লব পৰা অসমীয়া তিৰোতা অতি তাকৰ।

আগৰ অসমীয়া তিৰোতাই সূতা কাটিছিল তাঁত বৈছিল ঘৰ খনৰ কাপোৰৰ অভাব গুচাবলৈ। নানা গছ বনৰ পৰা ৰং তৈয়াৰ কৰিছিল সূতা বোলাই ফুল বাছি কাপোৰৰ সৌন্দৰ্য্য

বঢ়াবলৈ। তাকো ঘৰৰ চাবি বেৰৰ ভিতৰতহে, যত সহজে মানুহে দেখা নাপায় তাত। এতিয়া আমি সূতা কাটো,—গান্ধী জয়ন্তী নাইবা তেনে কোনো চৰকাৰী উৎসৱত মুকলি পথাৰত মানুহক দেখুৱাই জহ বঁটা পোৱাৰ উপৰিও ফটো তোলাই বাতৰি কাকতৰ জৰীয়তে নিজক প্ৰচাৰ কৰিবলৈ হে—তাঁত বৈ কাপোৰৰ অভাৱ দূৰ কৰিবলৈ নহয়। জাতিৰ পিতা মহাত্মা গান্ধীয়ে আমাক তেনে কৰিবলৈ উপদেশ দিয়া নাছিল। এদিন এনেছা সূতা বা এটা বা দুটা পাজি কাটি মানুহক দেখুৱাবলৈ তেখেতে আমাক আদৰ্শ দেখুৱা নাছিল। তেখেতৰ সূত্ৰযজ্ঞৰ তাৎপৰ্য্য আছিল প্ৰত্যেকেই সূতা কাটি সেই সূতাৰে কাপোৰ বৈ লৈ নিজৰ নিজৰ বস্ত্ৰ সমস্যা সমাধান কৰাটোহে। এতিয়া আমাৰ দৰে সমাজক দেখুৱাই খন্তেক সূতা কাটি শলাগৰ শৰাই লবলৈ নহয়। আমাৰ এই সূতা কটা ভুৱা অভিনয় দেখি বাপুজীৰ স্বৰ্গগত আত্মাই নিশ্চয় সন্তোষ পোৱা নাই।

তিৰোতাসকল আছিল তেখেতৰ অনুৰক্তা ভক্তা। কিন্তু আমি বৰ্ত্তমান বাপুজীৰ আদৰ্শত অনুপ্ৰাণিত হৈ তেখেতৰ বাণী আৰু আদৰ্শ মানি চলিছো জানো? আমি কৰিছো কি একোসাজ কিনা কাপোৰ পিন্ধি লোকক দেখুৱাই সূতা কাটো। আমাৰ ঘৰ চোতালত চোৰোক এটাও নামাৰো অথচ এদিন এখন্তেক লোকৰ চোতাল সাৰি চাফ কৰি আদৰ্শ দেখুৱাবলৈ যাওঁ। নিজৰ ঘৰখন অপৰিষ্কাৰ কিন্তু পৰীক্ষাত যকৰা বিজ্ঞানত

সৰ্ব্বোচ্চ নম্বৰ পাব পাৰো। এয়ে আমি অসমীয়া শিপিনী, ঘৈণী বা গৃহলক্ষ্মী। মহাত্মা গান্ধীৰ অনুৰক্তা ভক্তা।

আহোম স্বৰ্গদেউ সকলৰ দিনত অসমীয়া তিৰোতাই ৰাতি ভাত খাই উঠিও একোটা সূতলাহি কাটিহে শুইছিল তদুপৰি একে ৰাতিৰ ভিতৰতে সূতা কাটি তাঁত বৈ কাপোৰ উলিয়াই পুৱালৈ বীৰ স্বামীক পিন্ধাই যুজলৈ পঠাব পৰা শিপিনী তিৰোতা অসমীয়াৰ বাজে পৃথিবীৰ ক'তো নাছিল। তাৰ প্ৰমাণ বিচাৰিলে "একে ৰাতিৰ ভিতৰতে কাপোৰ বৈ দিয়া বঙ্গাল মাৰিবলৈ যাওঁ" বোলা নামষাৰেই দিয়ে। প্ৰতি গৰাকী অসমীয়া তিৰোতায়ে যে একো গৰাকী সুদক্ষ শিপিনী আছিল তাকো "ৰাতিৰে ৰাতিটো কাটো সৰু সূতা পুৱালৈ তৰি যাওঁ তাঁত" এনেবিলাক নাম গুণৰ পৰাই জানিব পাৰি। এতিয়া আমাৰ জাতীয় কুটীৰ শিল্প নকৈ শিকিবলৈ চৰকাৰী প্ৰশিক্ষণ কেন্দ্ৰলৈ ঢ'পলিয়াব লগীয়া হ'ল। শুকক বেদ পঢ়াব লগীয়া হোৱাৰ দৰে আমাৰ চিৰাচৰিত ঘৰুৱা শিল্প পুনৰুদ্ধাৰ কৰিবলৈ সমূহীয়া প্ৰচেষ্টা আৰু চৰকাৰী সহায় বিচাৰিব লগীয়া হলগৈ। অসমীয়া তিৰোতাৰ হাতত শিল্পবিদ্যাত মামৰ লাগিল। এড়ি মুগা পলু আদি পুহিবলৈ আমাৰ ঘিণ লাগে। সূতা কাটি কাপোৰ বোৱাটো বাদকে দিছো। বজৰুৱা সূতা আচুৰেও আমি বহুতে কাপোৰ এডোখৰ বৈ লব নজনা হৈ আহিলো। এইবোৰ কাম যেন অতি নিকৃষ্ট শ্ৰেণীৰ হে কৰ্ত্তব্য। নগৰীয়া তথাকথিত আধুনিকা সকলে এনেবোৰ শিল্পৰ কাষেদিও যাব

নোখোজে। আমাৰ লৰা-ছোৱালীয়ে মুগাকটা শাল, ভাৰ্ৰৰী, কঁৰা শলি এড়িমুগা পোহা সজুলি বা পলু, এৰা, চোম, সুনি, কপাহ গছ আদি বহুতে দেখাই নাই। "অসমীয়া তিৰোতাই তাঁতত সৰগৰ তৰা বাছিব পাৰে।" বুলি প্ৰশংসা পোৱা অসমীয়া তিৰোতা আজি আছু থুপৰী।

নামত গোৱাৰ দৰে—

"বৰলৈ লেতেৰা বিহুচেৰা তাঁত।
শুনিবলৈ লেতেৰা থুপৰী তিৰোতাৰ মাত॥"

আকৌ—"জয়মতী জাপৰি আলাবাহু থুপৰী
নাজানি আনিলো তোক।
সমনীয়াৰ আগলৈ নোলাবি থুপৰী
নিন্দাই মাৰিব মোক॥".

আমি আজি থুপৰী। অসমীয়া সমাজত আগেয়ে থুপৰী তিৰোতাক অতি তুচ্ছ জ্ঞান কৰিছিল। আনহে নালাগে বোৱা-কটা আৰু ঘকৰা কাম নজনা থুপৰী তিৰোতাক বিয়া দিবলৈ দৰাকে পোৱা টান হৈছিল। আগৰ অসমীয়া ডেকাই আজি কালিৰ দৰে বহন সনা কপত ভোল গৈ পশ্চিমীয়া ধৰণৰ সন্তিয়া প্ৰেমত পৰি থুপৰী ছোৱালী বিয়া নকৰাইছিল। নিজে বৈ-কাটি এডোখৰ প্ৰেমিকক পিন্ধাব পৰাটোহে আছিল আগৰ অসমীয়া গাভৰুৰ প্ৰেম। আৰু তেনে ছোৱালীহে অসমীয়া ডেকাই মনোনিত কৰিছিল। সেয়েহে নামত গাইছিল—

"ককাই গৈ আছেগৈ মিকিৰৰ পাহাৰত
আনিব কপাহৰ জোলা,
তুমি বৈয়ে লবা ৰিহাকৈ মেখেলা
মোকো বৈয়ে দিবা চোলা।"

আগৰ অসমীয়া তিৰোতা যে অকল যোৱা কটাতহে পাকৈত আছিল এনে নহয়, ৰন্ধা-বঢ়া, খেতি-বাতি, নাম-গুণ, গীত-পদ, পশু-পালন আদি সকলো বিলাক শিল্পতে ব্যুৎপত্তি আছিল। ৰন্ধা-বঢ়াত কি বস্তু কিহৰ লগত ৰান্ধিলে খাবলৈ তৃপ্তিকৰ, দেখিবলৈ সুন্দৰ আৰু পেটলৈ উপকাৰ হয় তাক ভালকৈয়ে জানিছিল। গীত পদ নাম-গুণতো কোন সময়ত কি সুৰে কেনেকৈ গাব লাগে তাক বৰ্ণনা কৰি অৱস্থাৰ লগত খাপ খুৱাই যি কোনো উৎসৱতেই সময়োপযোগী গীত পদ নাম গুণৰে অনুষ্ঠান মনোগ্ৰাহী কৰি তুলিব পাৰিছিল। বিহু নাম, বিয়ানাম, আই নাম, গোসাঁই নাম, যোৰা কীৰ্ত্তন আদিৰ একোষাৰ অসমীয়া তিৰোতাৰ মুখত মুখস্থ থাকিবই, তদুপৰি ফকৰা যোজনা সাঁথৰ আদিৰে উপস্থিত বুদ্ধিসত্তাৰ পৰিচয় দি বাক্ যুদ্ধত সময়ৰ শৰ মাৰিব জানিছিল। নৃত্য শিল্পতো অসমীয়া তিৰোতাৰ বিহু নাচ অতি মনোমোহা। অসমীয়া নাচনী গাভৰুৱে ঢোলত নাচনী চেও মৰা শুনিলে পাতৰ ভাত আৰু বৈ থকা চেনেহৰ তাঁতখনো এৰি আহে। সেয়েহে—

"ঢোলত চাপৰ মাৰি ঢুলীয়া ওলালে
বহি বৈ আছিলো তাঁত।
টোপোলাৰে সেন্দুৰ টোপোলাতে এৰিলো
এৰিলো পাতৰে ভাত॥"

—বুলি মন-প্ৰাণ উল্লাসিত হৈ পৰে। সেই দৰেই কৃষি শিল্পতো অসমীয়া তিৰোতাৰ পৰা পুৰুষ সকলে যথেষ্ট সহায় পাই আহিছে। কঠীয়া তোলাৰ পৰা ধান দাই চপাই মাৰি কাটি ভঁৰালত ভৰাই দিয়াৰ উপৰিও বানি-খুন্দি, ৰান্ধি-বাঢ়ি খুউৱা-লৈকে ধান মুঠিত তিৰোতাৰ হাতৰ বুলন নাপালে আমাৰ আই লখিমী আথানীয়েই হয়। ধান খেতিৰ বাদেও বাৰীৰ আলু, কচু, জীকা, ভোল আদি অৰ্জাত তিৰোতা সকলেই আগৰণুৱা আছিল। কৃষি কৰ্ম্মত অসমীয়া তিৰোতা বৰ উৎসাহী আছিল।

"আজি কই অহা কাচি বোৱা দৰা
কোনে কেনেকিলে আলি,..."
"বহলকৈ পথাৰত ধানে দাই আছিলো
মুঠি.বান্ধিছিলো টানি,..."
"জীকা বগাবলৈ বাঁহজেং পুতিলো
বগালে বঙা পুবৈ..."

ইত্যাদি নাম বিলাকে আগৰ অসমীয়া তিৰোতা সকলৰ কৃষি শিল্পত নিপুণতাৰ পৰিচয় দিয়ে। তদুপৰি দোকান পোহাৰতো অসমীয়া কৈৱৰ্ত্ত সম্প্ৰদায়ৰ বাই-ভনী সকলে আজিও মাছ-কাছ,

শাক-পাচলি আদিৰ পোহাৰ দি দেশৰ ধন দেশতে ৰখাৰ উপৰিও আৰ্থিক উপাৰ্জ্জনত পুৰুষক সহায় কৰিবই লাগিছে। অতীতৰ অসমীয়া তিৰোতা সকলে পুৰুষৰ কেৱল অঙ্ক শায়িনীয়েই নাছিল। বাজে-ভিতৰে সকলো প্ৰকাৰৰ কামৰ যথেষ্ট বৰঙণি যোগাই জাতীয় যুজত জীৱন যুজত সুখে দুখে তেওঁবিলাকে পুৰুষৰ সম ভাগিনী হৈ জীৱন কটাইছিল। এতিয়া আমাৰ দৰে পুৰুষৰ টেটুৰ হাৰমাল হৈ থকা নাছিল। প্ৰত্যেকেই স্বাৱলম্বী হৈ চলিব পৰা অভিজ্ঞতা আৰু কোনো বস্তুৰ বাবে কাৰো ওচৰত হাত পাতিব নলগাকৈ নিজেই কৰি লব পৰা গুণ থিনি তেওঁ লোকৰ গাত আছিল।

বৰ্ত্তমান গাৰ্ব্বৰ ক্ষুদ্ৰায়তন শিল্প প্ৰসাৰৰ ওপৰত গুৰুত্ব দি জনসাধাৰণৰ উন্নতি কল্পে জনপ্ৰিয় চৰকাৰে ঠায়ে ঠায়ে সমূহীয়া উন্নয়ন কেন্দ্ৰ স্থাপন কৰি সেই কেন্দ্ৰৰ জৰীয়তে তাঁত শিল্প প্ৰশিক্ষণ শাখা খুলি দি থক্ থকি শালত তাঁত বোৱাৰ শিক্ষা দিয়াৰ যি ব্যৱস্থা কৰিছে তাৰপৰা দেখাদেখি-কৈয়েই গোটাদিয়েক আসোৱাহ ওলায়। তাৰে প্ৰধান এটা হ'ল একোখন থকৃথকি শালৰ দাম ২৫৲, ৩০৲ টকা। তাৰ একোখন বাঁছৰ দাম ১৫৲, ২০৲ টকাতকৈয়ো অধিক। ব—একো সজুলিৰ দাম ২৫৲ ২৬৲ টকা। একোটা মাকোৰ দাম ৭৲ ৮৲ টকা আনকি একোটা মহুৰাৰ দামো ।০ অনা লাগে। এনে স্থলত গাৰ্ব্বলীয়া দুখীয়া শ্ৰেণীৰ তিৰোতা সকলে সেই শাল থনত তাঁত ববলৈ শিকিলেও ঘৰত জানো তেনেকুৱা শাল এখন গোটাই লব পাৰিব? এই

PLEASE HANDLE THE BOOK CAREFULLY.

অৰ্থনৈতিক দুৰৱস্থাৰ মাজত দৰিদ্ৰ জনসাধাৰণে ওপৰোক্ত ধন ভাঙি উক্ত শাল খন কিনি লব নোৱাৰাটো একেবাৰে নিভুৰ্ল সত্য।

একোখন গাইগুটীয়া ঘৰুৱা তাঁত শাল থকাতো আৰু সেই বিষয়ে যথেষ্ট অভিজ্ঞতা থকা সত্বেও তালৈ পিঠি দি গাৱঁলীয়া জীয়াৰী বোৱৰীহঁতে প্ৰশিক্ষন কেন্দ্ৰলৈ গৈ একোজন অনা-অসমীয়া পুৰুষ কৰ্ম্মচাৰীৰ পৰা থকৃথকি শালত তাঁত ববলৈ শিকিব লগীয়া হোৱাটো অসমীয়া তিৰোতাৰ কাৰণে অতি লাজৰ বিষয়। ৰজাৰ জীয়াৰী উষাইও আমাৰ অসমীয়া শালত তাঁত বৈ জাতীয়তা বাদৰ পৰিচয় দিয়াৰ চিন্‌চাব আজিও তেজপুৰত উষাৰ তাঁত শালৰ ভগ্নাৱশেষ আছে। তদুপৰি অসমৰ পৰা ভালেখিনি নিলগত ৱাৰ্দ্ধাৰ সেৱাগ্ৰামতো তাঁতশাল প্ৰশিক্ষণ কেন্দ্ৰ খুলি আমাৰ অসমীয়া তাঁত শালৰ বহুল প্ৰচাৰৰ চেষ্টা চলাইছে। অথচ আমাৰ তেকেুৰা নিজা শালখন এৰি থকৃথকি শাললৈহে ধাউতি হল। অৱশ্যে সেই বুলি এই বিজ্ঞানৰ যুগতো তাহানিৰ মান্ধাতা দিনৰ পুৰণা তাঁত শালখন পুৰণা কাৰু শিল্প বিলাককে ধৰি থাকিয়েই ঠেক আবেষ্টনীৰ মাজত সোমাই থাকিবলৈ নাইবা তাকে লৈয়েই এৰি অহা শ শ বছৰৰ পিচলৈ পিচ হোঁহকি যাবলৈ ক'ব খোজা নাই মাত্ৰ আগেয়ে কি আছিলো, এতিয়া কি হলোহঁক আৰু আগলৈ কি হোৱাৰ আগন্তুক তাৰেইহে এটা তুলনা মুলক সমালোচনা মাথোন। আজিৰ যুগ প্ৰগতিৰ যুগ। এই প্ৰগতিৰ যুগত আমাকো নানা ধৰণৰ বৈজ্ঞানিক সাজ-সৰঞ্জাম

উন্নত ধৰণৰ নতুন নতুন শিক্ষা সংস্কাৰ আৰু নতুন কৰ্ম্ম পন্থা লাগে সঁচা, কিন্তু দাৰিদ্ৰ্য পীড়িত দেশৰ দুখীয়া জন সাধাৰণে সেইবোৰ লয় কি উপায়েৰে ? সামান্য বাঁহ-কাঠৰ শাল এখনকে ঘটি লোৱাৰ উপাই নাইকিয়া দুখীয়া গাৱঁলীয়া তিৰোতাই বিশেষকৈ অসমীয়া বাই-ভনী সকলে থকৃথকি শালত তাঁত বৰলৈ শিকাৰ পৰা কিবা লাভ হব জানো ? প্ৰশিক্ষণ কেন্দ্ৰ বিলাকত যদি গাৱঁলীয়া দুখীয়া আৰু অৱস্থা হীন তিৰোতা সকলক, জীয়াৰী বোৱাৰী সকলক স্বাৱলম্বী হৈ চলিব পৰা কিবা শিক্ষা দিব খুজিছে তেন্তে তাঁত শাল বিভাগত অন্ততঃ আমাৰ অসমীয়া তিৰোতা সকলক থকৃথকি শালৰ পৰিবৰ্ত্তে অসমীয়া শালত তাঁত শিক্ষা দিয়া হলে অধোগতি যোৱা আমাৰ কুটিৰ শিল্পই এখোজ উদগতিৰ পথত আগ বাঢ়িব পাৰিলে হেঁতেন। তদুপৰি আমাৰ ঘৰুৱা শালখনৰ খৰচো কম দুই চাৰি পদ বস্তুৰ বাদে বাকী খিনি শিপিনীয়ে নিচেই সাজি লব পাৰে আৰু যি দুই এটা নোৱাৰে তাক কিনিবলৈকো দাম নিচেই সামান্য। তাঁত শিক্ষাৰ উপৰিও এৰি, মুগা, পাত-পলু পুহি তাৰ সূতা কটা, কপাহ কটা, চিলাই শিক্ষা দিয়া, বেজিৰ কাম, শলাৰ কাম, ক্ৰোশাই কাম, ফুল বছা, ছবি অঁকা, পশুপালন, ঘৰুৱা বিজ্ঞান, স্বাস্থ্য বিজ্ঞান, আদি লাগতীয়াল শিক্ষাবোৰ দিয়াৰ দিহা কৰা হলে দুখীয়া শ্ৰেণীৰ তিৰোতা সকল আৰু আগলৈ উঠি অহা জীয়াৰী সকল স্বাৱলম্বী হোৱাৰ উপৰিও ক্ৰমে লোপ পাব খোজা আমাৰ কুটীৰ শিল্পৰ পুনৰুদ্ধাৰ হয়। গতিকে আমাৰ অসমীয়া

বাই-ভনী সকলে যাতে সাতাম পুৰুষীয়া বাপতি সাহোন তাঁত-শাল খনকে আদি কৰি আমাৰ যাবতীয় শিল্প খিনি লোপ নোপোৱাকৈ ৰাখি জাতিৰ সম্মান বঢ়াবলৈ যেন চেষ্টা কৰে।

স্কুল কলেজত পঢ়ি পুৰুষে লব লগীয়া শিক্ষা বোৰকে তিৰোতা সকলেও লব লগীয়া হোৱাৰ ফলত তিৰোতা সকল বিশেষকৈ জীয়াৰী ছোৱালী বিলাক একেবাৰেই নিষ্কৰ্ম্মা হৈ পৰিল। একোজনী ছোৱালীৰ গাত যি খিনি গুণ-বিদ্যা থাকিব লাগে সেই খিনিতো নায়েই সামান্য খোৱা-বোৱা কাম এখনবো চন নাইকিয়া হৈ আহিছে। ঘৰুৱা কামত তেনেই ওদা। এই দৰে হলে অসমীয়া তিৰোতাৰ অতীত গৌৰব ইমানতে ওৰ পৰাহে শঙ্কা। ইচ্ছা আৰু চেষ্টা কৰিলে এতিয়াও আমি তাহানিৰ অসমীয়া তিৰোতা আমাৰ বুঢ়ী আই আজু আই সকলৰ আদৰ্শ সুঁৱৰি তেওঁলোকৰ শাৰীলৈ উঠি, অসমীয়া তিৰোতা যে এসময়ত সকলো কামতে অদ্বিতীয়া আছিল তাৰ পৰিচয় দিব পাৰোহঁক। আশাকৰো আমাৰ অসমীয়া তিৰোতা সকলে এই বিষয়ে আগ বাঢ়িবলৈ চেষ্টা কৰে।

আমাৰ অসমীয়া সাজ-পাৰ আৰু অলঙ্কাৰ

আমি অসমীয়া, কিন্তু অতীতৰে অসমীয়াৰ সেই অসমীয়া নামটো আৰু অসমৰ ভৌগোলিক চাৰি সীমাটোৰ বাদে আমাৰ বহুতো নাইকিয়া হৈ আহিছে। আজি আৰু "আমি অসমীয়া, নহও দুখীয়া···" বোলা কথাষাৰৰ সত্যতাৰ প্ৰমাণ কৰি দেখুৱাব নোৱাৰিম কিজানি; কিয়নো বৰ্ত্তমান সময়ত আমি নিভাজ অসমীয়া বুলি কবলৈ গলে মিছাকোৱাৰ বাহিৰে আন একো নহব। কাৰণ সাজ-পাৰ পিন্ধন-উৰণ, গহনা-গন্থা, মাত-কথা, খোৱা-বোৱা, থকা-মেলা, খোজ-কাটল আনকি ঘৰুৱা বয়বস্তুকে আদি কৰি সকলো বিলাকতে আমাৰ জাতীয় ধৰণ-কৰণ এৰি অহাত আমি অসমীয়া জাতিটো লোকৰ অনুকৰণশীল— বৈশিষ্ট্যহীন যেন হৈ পৰিছোহঁক। সকলো ফালৰে পৰা লক্ষ্য কৰিলে দেখা যায় যে, আমাৰ যেন নিজস্ব বুলিবলৈ নিভাজ একোৱেই নাইকিয়া হল। সকলো বিলাক ক্ষেত্ৰতেই অলপ নহয় অলপ ভেঁজুৱা দেখা পোৱা যায়েই। আমি বাৰু অসমীয়া বুলি পৰিচয় দিওঁ কোনেকৈ? আমাৰ নাই কাণত কেৰু, নাই ডিঙিত মণি, হাতত গোটা খাৰু, নাই আঙুলিত ম'ৰা নেজীয়া টেঙেচি পতীয়া আঙঠি, নাই বুকুত বিহা, নাই মুখত এষাৰ নিভাজ জতুৱা মাত। এনে স্থলত আমি বাৰু অসমীয়া বুলি পৰিচয় দিওঁ কি বুলি?

প্ৰথমতে ধৰক আমাৰ সাজ পাৰকেই ডোখৰকে। আগেয় বাটেদি মানুহ গলে কোন জাতীয় লোক সাজ পাৰতেই জাতিৰ একোটি চিন দৰ্শাই। কথাতে কয় "দেশ চায় বেশ।" আমাৰো অসমীয়া হিচাবে জাতীয় সাজ-পাৰৰ ভিতৰত ৰিহা মেখেলা, চেলেং-খনীয়া, এড়ীয়া কাপোৰ, বৰ কাপোৰ, খোলা মুগাৰ কাপোৰ, চাপকন-চোগা, এণ্ডা-চোলা, টঙালী, পাগুৰি, হাচতি ইত্যাদি বিলাকেই যাই, এই বিলাক সাজ কাপোৰ লৈয়েই অসমীয়াই এটা বৈশিষ্ট্য পূৰ্ণ জাতি হিচাবে পৰিচয় দি আহিছিল, কিন্তু আজি কালি সাজপাৰ চাই অসমীয়া বুলি দূৰতে চিনি নোপোৱা হ'ল। নানা জাতিৰ নানা প্ৰকাৰ অনুকৰণ কৰি নিজকে একোটা ভুচুং পছু সজাই নিজৰ আটাইবোৰ এৰি দিনে দিনে আমাৰ জাতিৰ অৱনতি কৰি আহিছোঁ হঁক। আজি আমাৰ লৰা-ছোৱালীয়ে বৰ কাপোৰ, টঙ্গালী, চাপকন-চোগা, এইবোৰ চিনি নাপাই অথচ আমি আমাৰ লৰা ছোৱালীক গীত গাই নাচিবলৈ শিকাও—

"ককালত টঙ্গালী বান্ধি লৈ লগৰী
কাটিম পঠাৰৰে ধান।"

কিন্তু সিহঁতে টঙ্গালী কি বস্তু বুজি নাপায়। ভাটৌ চৰায়ে শিকাদি মাত্ৰ মুখস্থহে কৰে আৰু গায়। পানী গামোছা, হাঁচতী আদিৰ নাম আমি পাহৰিলোৱেই। ৰিহা খনক মাহী আইৰ সাদৰহে দিছোঁ। ৰিহা খন অসমীয়া হিন্দু মুছলমান উভয় সম্প্ৰদায়ৰে জাতীয় সাজ অথচ আমি ৰিহাখনক স্নো পাউদাৰ

আদিৰ লগত বৰ্জকৰা বস্তুৰ লগতহে ঠাই দিছোঁ। এফালে ধুনমাৰি ওলাই যাওতেহে বিহাখন আৰি লও। আমাৰ কাৰণে একান্তই লব লগীয়া বা লাগতিয়াল বস্তু হিচাবে নহয়। তাকো যেতিয়া আমি বোৱাৰী হও, তেতিয়াহি আমাৰ বিহাৰ লগত ক্ষন্তেকীয়া সম্বন্ধ। জীয়াৰীহঁতেতো বিহা লোৱাৰ কথা শুনিলে তিনিটা জাপ মাৰিব।

আগৰ অসমীয়া ছোৱালী ডাঙৰ হোৱাৰ লগে লগে অৰ্থাৎ শান্তি হোৱা মাত্ৰকে গাত বিহা মেৰ খালেই।

"আইঁতে সলাল পাত,
আমাৰ আইদেৱে বৰণটি সলাসে
মুগা বিহা মেৰালে গাত।"

এনেবোৰ মুখে মুখে শুনি অহা নাম গুণ বিলাকেই আমাৰ কোন সময়ত আৰু কোন বয়সত কি সাজ পিন্ধিব লাগে তাক সোঁৱৰাই দিয়ে। তদুপৰি একোজনী বাৰ-তেৰ বছৰীয়া যৌৱন প্ৰাপ্তা গাভৰু ছোৱালীক আগৰ অসমীয়াই কিদৰে সজাইছিল আমি নাজানিলেও আঁঠহতীয়া বিহাখন আৰু চাৰে পাঁচ হতীয়া মেখেলাখনেই বুজাই দিয়ে। আজি কালি আমাৰ ছোৱালীবোৰ আদ-নাঙঠ হল, তিনি-চাৰি বছৰীয়াৰে পৰা বাৰ তেৰ বছৰীয়া ছোৱালীলৈকে একেটা সাজ "ফ্ৰক" টোহে। কোনো কোনোৱে আকৌ তালুৰ ওপৰত খোপাটো বান্ধি গাত পাঞ্জাৰী লোকৰ সাজটো পিন্ধাই দি নিজৰ জাতীয় চেতনা হেৰুৱাই পেলাইছে।

কেঁচ বছা বিহাখন আৰু সেন্দুৰৰ ফোঁট টো আগৰ অসমীয়াৰ

পৰম আদৰৰ বস্তু আছিল, কিন্তু এতিয়া সেইবোৰ আমাৰ কাৰণে অৱজ্ঞাৰ বস্তু হৈ পৰিছে গৈ। ৰিহা খন আৰু সেন্দুৰৰ ফোঁটটো আজি কালি জীয়াৰীহঁতে এৰাই।

বাছনী মোৰে চটচটে আঁচুদিয়া নাইবা নানা ৰঙৰ আঁচুৰে বুলাই বুলাই কেঁচ বছা ৰিহাখন আমাৰ জাতীয় সাজ পাৰৰ ভিতৰতে এটা বিশেষ অঙ্গ কিন্তু আমাৰ ৰিহা খনলৈ আগ্ৰহ নাই। কাৎচিতো আমি ঘৰত ৰিহা নলওঁ। ৰিহাখন লৈ অহা মানুহ এগৰাকী দেখিলে দূৰৰে পৰাই অসমীয়া বুলি চিনিব পাৰি। এনেকুৱা জাতিৰ প্ৰতীক আৰু পাৰ আবুৰ ৰখা ৰিহাখন এৰি আমি পাতল, বঙ্গালীৰ শাৰীৰ আহিত তৈয়াৰ কৰা জিল জিলীয়া চাদৰ খনলৈ বেছি হেপাহ কৰোঁ।

আমি অৰ্থাৎ অসমীয়াই যিদৰে লোকৰ অনুকৰণ কৰিবলৈ ধৰিছো এইদৰে হবলৈ হলে অসমীয়া জাতিৰ মৰণ অনিবাৰ্য্য। প্ৰথমতে আমি অসমীয়া এটা সুকীয়া জাতি, তাৰ পাছ তহে আন জাতিৰ লগত লগৰ লগৰীয়া বা ভাই ভাতৃৰ সম্বন্ধ দেখুৱাব লাগিব। ভাৰতত অসমীয়া, বঙ্গালী, বিহাৰী, পাঞ্জাবী আদি সকলো জাতিয়েই নিজা জাতীয় ভাষা কৃষ্টি সভ্যতা বজাই ৰাখিহে নিজকে ভাৰতীয় বুলি পৰিচয় দিব পাৰিছে, আৰু সেই দৰে দিয়ো আহিছে কোনো জাতিয়ে নিজা ৰীতি নীতি এৰি লোকক অনুকৰণ কৰা দেখা নাযায়। মাত্ৰ আমি অসমীয়াই পোন্ধৰ অনা লোকৰ আহিলৈ নিজক "ঘন চিৰিকা" সজাই পেলালোহঁত। আমি যেনেকৈ লোকক অনুকৰণ কৰি আহিছোঁ

সেইদৰে কোনো জাতিয়েই আমাক অনুকৰণ নকৰে। স্বাধীনতা হেৰুৱাৰ পাচৰ পৰা এতিয়া পুনৰ স্বাধীন হোৱালৈকে এই কাল ছোৱাৰ ভিতৰত বিদেশীয়ে আমাৰ পৰা ললে কি আৰু আমাক দিলে কি? আমি তেওঁলোকৰ খোৱা পিন্ধা, মাত কথা খেলা হেচা বহুতো অনুকৰণ কৰিলো অৰ্থাৎ ললোহঁত। কিন্তু আমাৰ পৰা তেওঁলোকে একোকে নললে। বিদেশীৰ সাজ-পাৰ আমি অসমীয়াই ঘৰে ঘৰে ললো হঁত। বিলাতী ধৰণে নিপিন্ধিলে, বিলাতী খানা নাখালে 'ডাঙৰ মানুহ" হবই নোৱাৰি। আমাৰ অসমীয়া ল'ৰা বিলাতলৈ যাব লগীয়া হলেই অজস্ৰ ধন ভাঙি বিলাতী সাজ-পাৰ কৰাবই লাগিব, কিন্তু বিলাতী হঁত আমাৰ ইয়ালৈ আহোঁতে কোনোবাই ধুতি পাঞ্জাবী বা চাপকন চোলা পিন্ধিবলৈ কৰাইছিলনে? দেশ স্বাধীন হোৱাৰ পিছতো আজি আঠ বছৰেও আমি বিলাতী চেপাৰ পৰা জাতিক উদ্ধাৰ কৰিব নোৱাৰাটো সচাকৈয়ে পৰিতাপৰ বিষয়। বিলাতীহঁতহে নালাগে আজিও আমাৰ অসমতে বসবাস কৰি থকা আন আন জাতীয় লোকেই বা অসমীয়া মাত কথা লৈছেনে অসমীয়া সাজ এটা পিন্ধিছেনে? আন হাতে আজি এঘৰ অসমীয়া নাই যাৰ ঘৰত জাপিয়া নাই, পটলুং নাই, যাৰ ঘৰত শাৰী নাই, যাৰ ঘৰত পায়জামা লুঙি নাই, যাৰ ঘৰত চেলোৱাৰ দোপাট্টা নাই, কিন্তু চুৰিয়া-চেলেং, গামোছা, ধনীয়া, নাইকিয়া অসমীয়া প্ৰায় বোৰেই। তাৰ ভিতৰ শিক্ষিত সমাজতেই অত্যধিক হব। "মোৰ চুৰিয়া নায়েই, আটাইবোৰ লংপেণ্ট, আৰু পায়জামাহে" বোলা

অসমীয়া ডেকা যিমান ওলাব, আমাৰ চুৰিয়া মেখেলা পিন্ধা হনা অসমীয়া হয়তো এজনো নোলাব কিজানি। মাটি ভেটিৰ বাজে আমাৰ পৰা তেওঁবিলাকে আন একো নিবিচাৰে।

আমাৰ লৰা-ছোৱালীয়ে অসমীয়া পাত-মুগা, এড়ী, মেজাঙ্কৰী, কিংখাপ, গোমচেং আদিৰ নাম শুনাই নাই বুলিলেও বঢ়াই কোৱা নহব। অলঙ্কাৰবো সেইদৰেই মিনাকৰা, টকা আৰু বাখৰুৱাকৈ গঢ়োৱা কেৰু (থুৰীয়া) মনি, গেজেৰা, জোন বিৰি, ঢুগ-ঢুগী, গলপতা, চাপকলি, চিপাট, ধৰীয়া বিৰি, লংকেৰু, লোকাপাৰ, মতামণি গামখাৰু, কৰধনি, সচকুৱা খাৰু ইত্যাদি আমাৰ অসমীয়াৰ জাতীয় গঢ়না দেখাহে নালাগে বহুতে নামকে শুনা নাই। অতীতৰ অসমীয়াই পুৰুষ তিৰোতা উভয়েই অলঙ্কাৰ পিন্ধিছিল, পাতৰ মুগাৰ মেজাঙ্কৰীৰ গোমচেঙৰ কাপোৰ পিন্ধি কাণত লোকাপাৰ ডিঙিত মতামনি পিন্ধি, হাতত গাম খাৰু ককালত কৰধনি পিন্ধিহে অসমীয়াই 'দৰা' হৈছিল। কন্যায়ো সেইদৰেই পাতমুগা, কিংখাপৰ সাজ পিন্ধি গলত গল পতা চিপাত কানত কেৰু ধৰিয়া বিৰি হাতত সচকুৱা খাৰু পিন্ধিহে কইনা হব পাৰিছিল। আহোম স্বৰ্গদেৱ সকলেও গোমচেঙৰ চোলা পিন্ধি কানত জাংফাই পিন্ধাৰ দৃষ্টান্ত তলৰ কবিতা ফাকিত পোৱা যায়। যেনে—

স্বৰ্গদেউ ওলালে বাট চ'ৰাৰ মুখলৈ
ঢুলীয়াই পাতিছে দোলা,
কাণতে জিলিকে নৰা জাঙফায়ে
গাতে গোমে চেঙৰ চোলা।

তাঁত সুত বৈ, নিজে পিন্ধা কাপোৰ কানি কেইডোখৰ তৈয়াৰ কৰি লব পাৰা অসমীয়াই বিদেশী বজকৰা কাপোৰ কানিত ভোল যোৱাত পাত মুগা এড়ী আদি আমাৰ নিজৰ জাতীয় একচেতীয়া কুটীৰ শিল্পত মামৰ লাগিল। ভাগ্য ভাল যে, অসমৰ গৌৰৱৰ থলী শোৱাল কুছিয়ে আজিও অসমীয়া ধৰণতে ৰিহা মেখেলা কেই ডোখৰ সেই সাঁচতে তৈয়াৰ কৰি ব্যৱসায় চলাই থাকি আমাৰ জাতীয় সাজ-পাৰৰ চিনটো ৰাখিছেগৈ। সেয়ে নোহোৱা হলে আজি অসমীয়া তিকতাই মেখেলা কিনিবলৈ নাপায়, বঙ্গালীৰ শাৰীৰ পাকে পাকে সোমাই থাকিব লাগিল হেতেন।

আজি কালি সোণাৰীয়ে থুৰীয়া মনি গঢ়িবলৈ নাপায় অৰ্থাৎ আমি থুৰীয়া মনি নিপিন্ধো। আধুনিকতাৰ গোন্ধ পাই আমি আমাৰ জাতীয় অলঙ্কাৰ থুৰীয়া, কঁৰীয়া, জাংফাই, মনি, আঙঠি নিপিন্ধা হলোঁ। তাৰ ঠাইত অনা অসমীয়া কানপাশা, ইয়েৰিং, মাকড়ী, ফুল, কানবালা মটৰ আদি নানা গঢ়ত গঢ়োৱাই লৈ অলঙ্কাৰ প্ৰতিযোগিতা চলোৱাত আমি পাকৈত হৈ পৰিছোহঁত। ডিঙিত মণিৰ ঠাইত ভজুৰা সোণৰ চেইন নেকলেচ হল। ম'ৰানেজীয়া আঙঠিৰ ঠাইত কেটলেগ চাই বঙ্গলুৰা আহিঁও আঙঠি গঢ়োৱাই ললেহে আমাৰ মন খায়। বাখৰ পতোৱা আঙঠি আমি নিপিন্ধো। সেইবোৰ অসমীয়া ধৰণৰ ইপিনে কোনোবা বঙ্গালীয়ে কাৰবাক "মেখলা চাৰতে হবে" বুলি কোৱা শুনি অসমীয়াৰ গা জ্বলি গ'লে হ'ব কি? আমাৰ আৰু 'চাৰিবলৈ' বাকীনো থাকিল

কিটো ? অকল এই মেখলা খনহে। তাকো আমি আন আন বিলাক এৰাৰ দৰে এৰিবই লাগিছিল। এতিয়া তাক এৰিবলৈ ক'লে—শুনি বেয়া পালে আমাৰ ভুল হব। কিয়নো আমাৰ বাকীবোৰ কাহানিবাই তেনেই "চাৰিলো"হঁক সেইটো আমি ভাবি চাইছোঁ জানো ? এতিয়া আৰু আমি অসমীয়া এটা জাতি বুলি আন জাতিৰ লগত ফেৰ মাৰিব নোৱাৰোহঁক ; কিয়নো এতিয়া অসমীয়া সম্পূৰ্ণ ভঁজুৱা আৰু জোৰা দিয়া অৰ্থাৎ ভগাবটা অসমীয়া।

সেইদৰেই সেন্দুৰৰ ঠাইত বহুতো অসমীয়া ছোৱালীয়ে নীলৰ ফোঁট, চিয়াহীৰ ফোঁটহে লোৱা দেখা যায়। অসমীয়াৰ চেনেহৰ বস্তু সেন্দুৰ জেতুকা এৰি আহিলোহঁক। স্কুল কলেজৰ ছোৱালীৰ কথাই নকওঁ সৰ্ব্বসাধাৰণ গাৱলীয়া ছোৱালীৰ কপালতো সেন্দুৰৰ ফোঁট নাই, কানত কেৰু নাই, বুকুত বিহা নাই। সেন্দুৰৰ ফোঁটটো অসম তথা ভাৰতীয় হিন্দু তিৰোতাৰ এটা মাঙ্গলিক তিলক। সেন্দুৰৰ ফোঁটৰ পৰা বঞ্চিত হোৱা হিন্দু তিৰোতাই নিজৰ জীৱনকে বৃথা অনুভৱ কৰে। আগৰ অসমীয়া জীয়াৰী হঁতে সেন্দুৰ, হেঙ্গুল হাইতাল গোটাই কপালত ৰেঘা লৈছিল, কিন্তু আজি কালি আমাৰ ছোৱালীহঁতে ৰেঘাৰ নামকে শুনা নাই।

আধুনিক যুগৰ লগত খাপ খোৱা কাম কৰা উচিত যদিও, নিজৰ জাতীয় প্ৰচলিত ৰীতি নীতি বোধ এৰি আনৰ অনুকৰণ কৰাটো কোন জাতিৰেই উন্নতিৰ লক্ষণ নহয়। সভ্যতাই অনুকৰণ কৰিবলৈ নকয়, উন্নতি আৰু সংস্কাৰ কৰিবলৈ

আগবঢ়াকেহে সভ্যতা বোলে গতিকে আমাৰ আইসকল আৰু বাই ভনী সকলে যাতে জাতীয় সভ্যতাৰ পৰা আতৰি নগৈ অনুকৰণত নিজত্ব হেৰুৱাই নেপেলায় যেন আৰু যি সকল আতৰি গৈছেও সেই সকলকো ঘৰৰ লৰা ঘৰলৈ ওভোটাই অনাৰ দৰে ওভোটাই আনিবলৈ যত্ন কৰে যেন।

আমাৰ খোৱা-বোৱা আৰু মাত-কথা

মানুহ মাত্রই জাতীয়তাবাদী। প্রত্যেক জাতিৰে একোটা জাতিগত বৈশিষ্ট্য আছে। তাৰ ভিতৰতে খোৱা পিন্ধা মাত-কথাই হৈছে আদিমূল। প্রচলিত ৰীতি-নীতি আচাৰ-ব্যৱহাৰৰ সীমা ৰাখি নিজকে একোটা জাতি বুলি পৰিচয় দিয়াটোৱেই হৈছে মানুহৰ জাতি ধৰ্ম্ম। আমাৰ অসমীয়াইও এসময়ত খোৱা পিন্ধা, মাত কথা গীত পদ; পূজা-পার্ব্বন, ব্রত, উপাসনা আনন্দ উৎসৱ আদি লৈয়েই এটা স্বকীয়া জাতি হিচাবে চিনাকি দি আহিছিল। কিন্তু আজিকালি আমি সেই বিলাকলৈ আওকাণ কৰি তেনে আদর্শ বা উপদেশ মানি চলিবলৈ এৰি অহাত আমাৰ খোৱা-বোৱা মাত-কথা আদিত অনেক ব্যতিক্রম ঘটা যেন অনুমান হয়। খোৱা বোৱাৰ বিষয়ে আমাৰ অসমীয়াই যথেষ্ট লক্ষ্য ৰাখিছিল। বুঢ়ী আইহঁতে কয়—"মাছে মঙহে গাবি, সাজে-কাপোৰে চিৰি।" কেতিয়া কি বস্তু খালে শৰীৰৰ

কাৰণে উপকাৰ বা অপকাৰ হয় নাইবা কোনটো বস্তু খোৱাৰ আগত বা পাচত কোনটো বস্তু খাব পায় বা নাপায় এই বিষয়ে আগৰ অসমীয়াই বিশেষকৈ তিৰুতা সকলে যথেষ্ট মনোযোগ দিছিল "ভৰাপেটত বেল, শুদা পেটত তাল, মাকেও কয় মোৰ পোৰ চাপিছেহি কাল" বোলা কথাষাৰেও প্ৰমাণ কৰি দেখুৱাই। ৰোগী শুশ্ৰূষা, পথ্যাপথ্যৰ জ্ঞানলৈ চালে, বন দৰৱ জৰাফুকা, জুৰণি খুটুৱা ইত্যাদি বিলাকেও অসমীয়া তিৰুতাৰ যে এসময়ত বেচ অভিজ্ঞতা আছিল তাৰো প্ৰমাণ দিয়ে, কিন্তু বৰ্ত্তমান আমি কি পুৰুষ, কি তিৰুতা কোনোৱেই কোনো ফালৰে পৰা পাকৈত হৈ দেখুৱাব নোৱাৰাত পৰিছোঁ। পশ্চিমীয়া সভ্যতাৰ শিক্ষা পায় আমি আমাৰ আগৰ প্ৰচলিত অসমীয়া খাৱন পিন্ধন মাত-কথা ভাষা সাহিত্য ৰোগী শুশ্ৰূষা আদিৰ পৰা ফালৰি কাটি আহিলো। সেইবাবে আমাৰ উপকাৰেই হৈছেনে অপকাৰেই হৈছে বিজাই চাবৰ হল। আমাৰ পূৰ্ব্ব পুৰুষ সকলৰ লগত এতিয়া আমি অলপো খাপ খাব পৰা নাই। আগৰ অসমীয়া তিৰুতা সকলে যি দৰে ঘৰ থনৰ মঙ্গল কামনা কৰি যেনেদৰে নিজৰ পৰিয়ালৰ খোৱা পিন্ধালৈ চকু দি সকলো সময়তে পুৰুষক সহায় কৰি ঘৰৰ আৰু জাতিৰ উন্নতিলৈ যত্ন কৰিছিল আজিকালি আমি তেনেকুৱা হব পাৰিছোঁ জানো? নিশ্চয় নাই পৰা।

কাউৰীয়ে কা কৰাৰ লগে লগেই আগৰ অসমীয়া তিৰুতাই শোৱাপাটী এৰি হাতত লোতা-বাঢ়নি লৈ ঠাইঘৰ মচি সাৰি

কাঁহিবাটি, লোটা, কলহ ধুই পখালি গৰু-গাই খীৰাই গোবৰ জাবৰ পেলাই বাট-পদূলি অঁতাই গা-পা ধুই শুচি-সংযম হৈ গোসাঁই থাপনাত মাননীয়-পূজনীয়ক সেৱা-সৎকাৰ কৰি ঘৰৰ পৰিয়ালক খুৱাইহে নিজে খাইছিল। একণ খাতি গাখীৰ, এমুঠি ঘৰুৱা জলপান, একন গুৰ, এটি কল, এখনি মৰমী হাতেৰে সজাই দিয়া জলপানটি আজিৰ দিনৰ ৰান্ধনি বাপু বা চাকৰে সজাই দিয়া বজৰুৱা জলপানটিৰ নিচিনা নাছিল। এতিয়া আমি লিখা পঢ়া জানি পুৰাতনীয়া নীতি-নিয়ম এৰিলো সোন-কালে শুই সুঠো। বাহিৰন এৰিলো বাহিগা, শৌচকৰা গা ধুৱলৈ এৰিলো। ৰজঃস্বলা চুৱা, অশৌচীয়া চুৱা মানিবলৈ এৰিলো। বেলি সাতবজালৈকে শুই উঠিয়েই চকু কেইটা মোহাৰিয়েই চাহ জলপান নাখালে ভাল নালাগে। পুৰুষ সকলৰটো কথাই নাই, আমি তিৰোতা সকলেও আচাৰ নীতি এৰি আহিলো। এক প্ৰকাৰে কবলৈ গলে পুৰুষ সকল হৈছে এশ এটা লেঠাৰ মানুহ, সময়ত তেওঁ লোকৰ আচাৰ নিয়মৰ ব্যতিক্ৰম ঘটাতো স্বাভাবিক। তথাপিও আমাৰ জাতীয় আচাৰ-ব্যৱহাৰ বিলাক এৰি দিয়াটো বেয়া কথা। কিন্তু আমি তিৰোতা সমাজে আমাৰ জাতীয়, প্ৰচলিত সামাজিক নীতিবোৰ, আচাৰ ব্যৱহাৰবোৰ বিশেষকৈ স্বাস্থ্যৰ কাৰণে যিবোৰ উপকাৰী প্ৰথা আছিল সেইবোৰ এৰি দিয়াটো নিতান্তই অযুগুত হৈছে। বুঢ়া লোকৰ এষাৰ বচন আছে "পুৰুষৰণো কিহৰ ঘৰ তিৰুতাৰহে ঘৰ" কথাটো যথাৰ্থতে সঁচা। আমি তিৰুতা সকলেই

যদি আমাৰ জাতীয় ধৰণ কৰণ, জাতীয় সভ্যতা সামাজিক বান্ধোন এৰি দিও তেন্তে আমাৰ ঘৰৰ বা আমাৰ জাতিৰ উন্নতিয়েইবা হয় কেনেকৈ? অসম লখিমীৰ দেশ বুলি দহে শলাগে। তদুপৰি "অন্যত্রে বিৰলা দেবী কামৰূপে গৃহে গৃহে" বুলি যশস্যাও আছে। কিন্তু আমি তিকতা সকলে আজিকালি অধিক বিলাসীতাত গা এৰি দি নিজকে নিজে ঠগাইছো মাথোন। বিশেষকৈ শিক্ষিতা সকলৰ মাত্ৰা অলপ বেছি হৈছে। শিক্ষিত হলে মানুহৰ জীৱন বিকশিত হয় কিন্তু আমাৰ নাৰী সমাজৰ শিক্ষিতা সকলে বিকশিত জীৱন ধাৰণ নকৰি বিলাসী জীৱনহে যাপন কৰিছে।

সাধাৰণতে অশিক্ষিত গাঁৱলীয়া সকলে শিক্ষিত নগৰীয়া সকলৰ পৰাই আদৰ্শ লবলৈ বিচাৰে, নগৰীয়াই যেনে ধৰণ-কৰণত চলে সেয়েই উত্তম বুলি লবলগীয়া বুলি গাৱঁলীয়া শ্ৰেণীৰ ধাৰণা কাজেই গাৱঁলীয়া সকলে নগৰীয়া সকলৰ আদৰ্শ লোৱাটো স্বাভাবিক। নগৰীয়া সকলৰ নিতে ন-ন আচাৰ-ব্যৱহাৰ দেখি শুনি তাকে ভাল বুলি ভাবি জ্ঞানীলোকৰ সজকাম বুলি ধৰি লোৱাত হোজা গাৱঁলীয়া সকলে সেই আদৰ্শকে অনুকৰণ কৰিয়েই ক্ৰমে তেওঁলোকে নিজৰ জতুৱা আচাৰ-ব্যৱহাৰ, মাত-কথা, খোৱা-পিন্ধা সকলো পাহৰি গল, ফলত অসমীয়া দিগম্বৰ হল।

আমাৰ বোপা ককা হঁতৰ দিনৰ খোৱা বস্তু আজি কালি আমি খাবলৈ এৰিলো আৰু খাববৈ এৰাৰ লগে লগে তাৰ উৎপন্নও কমি আহিল। অৱশেষত বিদেশীৰ হাতলৈ মুখলৈ

চাব লগীয়া হোৱাত বিদেশীয়ে আমাক ঘৰতে কিল ভুকু যাচিব পৰা হল। এতিয়াৰ দৰে আগেয়ে মাছ একণ, গাখীৰ একণ, ভাত এমুঠিৰ কাৰণে ভাবিব নালাগিছিল। পুষ্টিকৰ খাদ্য নিজে খাইয়ো লোকক বিলাব পাৰিছিল। তদুপৰি ওচৰ চুবুৰীয়া কাৰবাৰ কেতিয়াবা নাতনি ভুতনি হলেও যেয়ে যি পাৰে দি সহায় কৰি মিলা প্ৰীতিৰে আৰু মাউথেৰে দিন নিয়াইছিল। এতিয়াৰ দৰে তেতিয়া সকলো বস্তু কিনা বেচাৰ দিন নাছিল। বস্তুৰেই বস্তু সলাই প্ৰত্যেকৰে অভাৱ গুচাই ৰং ধেমালিৰ মাজেদি কৰ্ম্মী জীৱন কটাইছিল। এতিয়া কিন্তু সেই দিন নাই। ভাই-ককাই, অওহি-বঙহিৰ মাজত চেনেহা-চেনেহী, মিলা-প্ৰীতি নাই। ওচৰ চুবুৰীয়াৰ পৰা দয়া মৰম পোৱা নাযায়। জ্ঞাতি-কুটুম্বৰ আন্তৰিকতা নাইকিয়া হল। আন নালাগে ককায়েকৰ ঘৰৰ গাখীৰ একণ আনিলেও ভায়েকৰ পৰা পইচা লোৱা হল। ঘৰে ঘৰে দণ্ড খৰিয়াল, কপটা-কপটি নুগুচা হল।

আমাৰ আন আন আচাৰ নীতিৰ সলনি হোৱাৰ লগতে অসমীয়া খাৱন পিন্ধনো সলনি হল। আমি এতিয়া অতীজৰ নিভাজ অসমীয়া খাৱন-পিয়ন, পিন্ধন-উৰণ, মাত কথা এৰিলো। খাৱনৰ পিনে চাবলৈ গলে পিন্ধনৰ দৰেই বেবেৰি বাং হল। শিক্ষিত সমাজত আকৌ বহুতে বঙ্গালী ধৰণে বিলাতী ধৰণে তৈয়াৰ কৰি মেজৰ ওপৰত কাটা-চামোচেৰেহে খোৱা হল। খোৱা-পিন্ধালৈ চাই সহজে অসমীয়া বুলি চিনিব নোৱাৰি। আৰু অলপ দিনৰ পিচত অসমীয়াই নামৰ পাচৰ উপাধিটো সলনি

কৰি বিদেশীয় উপাধি লোৱাৰহে সম্ভৱহৈ পৰিছে। অসমীয়াৰ ৰন্ধা-বঢ়াৰ প্ৰণালী লৰিল, আগৰ অসমীয়া ধৰণেৰে ৰন্ধা ভাত-শাক, অসমীয়া পিঠা-পনা, জা-জলপান আমাৰ মুখত ৰুচিনহা হল। বৰাচাউলৰ পিঠা আদি খাই বেয়াই পাওঁ। কৰিব জনাটো দূৰৰে কথা নামকে নজনা হৈ আহিছোঁ। আমি তিৰুতা সকলে চিৰা-সান্দহ পিঠাগুৰি নুখুন্দো। কোমল ধান নবহাওঁ। ধান নাবানো, ঢেঁকীদিয়া টান। ঢেঁকীদিলে গা বিষায়, ভৰি বিষায়। তদুপৰি সেইবোৰ লেতেৰা কাম। নিজৰ পেটৰ, নিজৰ পৰিয়ালৰ আহাৰ খিনিও আমি খাব পৰাকৈ বাটি কাহিত যতনাই লবলৈ বা দিবলৈ আমাৰ টান লাগে। আমি দিনে দিনে সকলো ফালৰে পৰা এলেহুৱা হৈ পৰিছো আৰু লগতে ধোদ, সোৰোপা, অকামিলা হৈ "পৰৰ মূৰত খোৱা, ভটিওৱা নাৱত যোৱা" হৈ আহিবলৈ ধৰিলো। অলপো কষ্ট স্বীকাৰ, অলপো ত্যাগ স্বীকাৰ নকৰো। আমাৰ নাই কি? পুষ্টিকৰ খাদ্য নিজেই তৈয়াৰ কৰি খাব পৰা সকলো উপাদানেই আমাৰ আছে। অথচ আমি অলপ পৰিশ্ৰম কৰি ভাক যতনাই নাখাই একালে অত্যধিক খৰচ আনফালে উপযুক্ত খাদ্য প্ৰাণৰ অভাৱত আমি দুৰ্ব্বল নিশকতিয়া আৰু দুখীয়া হৈ পৰিছো। পৰিশ্ৰম নকৰা শৰীৰ শকত হলেও তেনেকুৱা ধেৰেপা শৰীৰ এলেহুৱা আৰু নিৰুৎসাহী হয়। বৰ্ত্তমান আমিও তেনেকুৱা হৈ পৰাত আমাৰ শৰীৰত "বাৰটা মাহৰ তেৰটা জগৰ, এটাও নুগুচে গাৰ লগৰ" বোলাৰ দৰেই এটা অসুখ নুগুচাই হ'ল। গাৱঁলীয়া কৃষক শ্ৰেণীৰ তিৰুতা

সকল যেনে হৃষ্ট-পুষ্ট আৰু কৰ্ম্মী, উৎসাহী। আমি অৰ্থাৎ আধুনিকা সকলে তেওঁবিলাকৰ লগত জোৰ মাৰিব নোৱাৰো। আমাৰ সদাই এটা অসুখ থাকিবই "বেমাৰ এটা থকাই হৈছে ডাঙৰীয়ানীৰ চিন" বোলা কথাষাৰ এতিয়া আমাৰ গাতে ফলিয়াইছে। ইপিনে আকৌ আমাক "সমস্বত্বঃ" "নাৰী স্বাধীনতা" লাগে। ৰান্ধনি বাপুৰে পৰা লৰা লোৱা চাকৰলৈকে যাৰ পুৰুষেই, ভাত জলপানৰ পৰা গাৰ কানি-কাপোৰলৈকে যাৰ কিনা, কুটা এগছ ঘৰুৱা বন কৰি খাব নোখোজা এনেহুৱা বলশক্তি হীনদেহা, হাতভৰি কোঙা কৰন্ধ মাংস-পিণ্ডৰ দৰে হৈ আমি স্ত্ৰী স্বাধীনতাহে নালাগে একোলৈকে আশা কৰিব নোৱাৰোঁ।

আগৰ অসমীয়া তিৰুতাই সান্দহ চিৰা কোমল চাউলৰ কোনো দিনেই ৰাহি নাভাগিছিল। এতিয়া অসমীয়া জলপান চিৰা, সান্দহ, আখৈ, মুৰি, কোমল চাউল, লুথৰি পিঠা, দোৱাভজা চিৰা, লোৱা পিঠাগুৰি, শুকান পিঠাগুৰি, চুঙা চাউল, চুঙাপিঠা, কলপিঠা, তেল দিয়া, তিলদিয়া পিঠা, শুতুলি পিঠা, ভুৰভুৰীয়া পিঠা, ফেনিপিঠা, গোটকৰাই, পকা মিঠৈ আদি নানাবিধ পিঠাপনা, জা-জলপানক, বজকয়া চুজি, আটা-ময়দাৰ লুচি-পুৰি, কেক্-বিস্কুট; ৰসগোল্লা, সন্দেশ, মামলেট, কাটলেট, জেলপি আদিয়ে ভলত পাৰি বহিলে।

মাকৰ বুকুৰ গাখীৰ খুৱায়েই আগৰ অসমীয়া তিৰোতাই কেচুৱাৰ ভোক পিয়াহ গুচাইছিল। তদুপৰি জীৰ, কল, গৰুৰ

গাখীৰ, গুৰ সানি লুথুৰি পিঠা খুৱায়েই ডাঙৰ কৰি দেশৰ আৰু জাতিৰ সুসন্তান গঢ়ি তুলিছিল। এতিয়া আমাৰ লৰা-ছোৱালীয়ে উপজিয়েই বিদেশী বস্তু; গ্লুকোজ, বাৰ্লি, গুৰি গাখীৰ, লেক্টুৱা গাখীৰ, চাগুদানা, গ্লেক্স, কৰ্ণফ্ল'ৰ আদি মুখত নিদিলে জীয়াই থকাৰ উপায় নাই। আমাৰ লৰা-ছোৱালীয়ে আমাৰ জাতীয় বস্তু খাই হৃষ্ট-পুষ্ট নহলেও বিদেশী বিজতৰীয়া ভঁজিয়া বস্তু খাই নিতে নতুন ৰোগত কিন্তু ভুগীবলৈ পাইছে। আন হাতে আমি মাকহঁতে আমাৰ কেচুৱাক বুকুৰ গাখীৰ খুৱাই আমনি পাওঁ। সন্তানৰ কাৰণে দিয়া ঈশ্বৰৰ দান বুকুৰ অমৃত আমাৰ কেচুৱাক নুখুৱাই "পিয়াহ দানী" কিনাই অনাই গুৱালৰ ভেজীয়া গাখীৰ নাইবা আন বজৰুৱা গাখীৰ গুলি লগুৱা-লিগিৰীৰ হতুৱাই খুউৱাই মাক জীয়াই থাকোতেই সন্তানক মাউৰা আৰু ৰুগীয়া কৰিছোঁ হঁক। আমি গৰু নোপোহোঁ। সেইবোৰ জঞ্জাল। "গো-ধন মহাধন" বুলি আমি মানি লব নোখোজোঁ আগৰ অসমীয়াই ঘৰে ঘৰে জাকে জাকে গৰু ম'হ ছাগলী পুহি ঘৰতে গাখীৰ খীৰাই এৰাঁকৈ খাইও একাজিত মলা পাতি দৈ কৰি শুদ্ধ থমা দৈ ঘৰে ঘৰোৱাহে খাই তৃপ্তি পোৱাৰ উপৰিও আলহী-অতিথী, খোজনীয়া-মগনীয়া সুধিছিল। আজিকালি আমি গৰু ম'হ পোহাৰ নামত নাক কোচাওঁ। অসমীয়াৰ গোহালি ভৰা গৰু ক্ৰমে নাইকিয়া হৈ আহিল। দুই এঘৰত আছে যদিও সংখ্যা অতি তাকৰ, আৰু অৱস্থা দেখিলে শোক লগা, হাড়ে চালে লগা খোজতে পৰি মৰা। তাবো-

প্রতিপাল নাই। ৰোগৰ চিকিৎসা নাই। বছৰি বাতৰি কাকতত পশু চিকিৎসকৰ উত্তীর্ণৰ বাতৰি পঢ়ি পোৱাৰ বাজে গৰু ম'হৰ চিকিৎসাৰ কাৰণে গাৱঁলীয়া ৰাইজে পশু চিকিৎসকক দেখা পাবলৈ টান। ৰোগৰ চিকিৎসাৰ অভাৱত গাৱঁলীয়া ৰাইজৰ যি দুই এটা মৰচেৰেলা গৰু ম'হ আছে, সেইকেইটাও কিছু দিনতে মৰি অন্ত হোৱাৰ হে আশা। ফলত নিভাঁজ গাখীৰ একণ পাবলৈ নাইকিয়া হল। চৰকাৰৰ সহায় নিবিচৰাকৈ আজিৰ অসমীয়াই নিজে নিজৰ ভৰিত থিয় দিব নোখোজা হলো। আগৰ অসমীয়া এতিয়াৰ দৰে পৰ মুখাপেখী নাছিল। এতিয়া আমি, এদিন বিদেশীয়ে দোকান পোহাৰৰ দুৱাৰ বান্ধিলেই লঘোনে থাকিব লাগিব। ভঁড়ালত ভাত নাই, গোহালীত গাখীৰ নাই, বাৰীত শাক পাচলি নাই, শালত কাপোৰ নাই, চাঙত গুৰ নাই, পুখুৰীত মাছ নাই। একোজন বিদেশী গুৱালে একোজনী গাইৰ পৰা পোন্ধৰ সেৰ গাখীৰ উলিয়াই পাঁচসেৰ পানী মিহলাই বেচি দিনে কুৰি টকা উপাৰ্জ্জন কৰে। অথচ আমি আমাক লগা গাখীৰকণো ঘৰত গৰু পুহি খীৰাই নাখাওঁ।

জহা বৰা ধানৰ চাউল ঘৰতে পেৰা গুৰ তেল বাৰীৰে তিল গোহালীৰ গৰুৰ গাখীৰ ইত্যাদিৰে আমি আজিকালি জা-জলপান তৈয়াৰ নকৰো। আৰু কৰিলেও প্রসংশা নেপাওঁ। নাৰিকল ঘিউ, আটা মৈদা, চুজি, বাদাম কিচ্‌মিচ্ পেষ্টা, তেজপাত গোলাপজল চেনি, কর্পূৰ, দালচেনি আদিৰে আলোচনীত

বাতৰি কাকতত, আৰু অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰিত আই-দেউৰ কুলনিত বহা মহিলা মেলৰ পৰা প্ৰচাৰ কৰা প্ৰণালীৰে 'জাতি লাওৰ পায়স', 'ময়দাৰ পুডিং', 'পাউৰুটিৰ পুডিং', 'গমৰ লাৰু', নানাবিধ 'মিঠাই' ইত্যাদিহে আমি কৰি ভাল পাওঁ। বঙ্গালী বা বিলাতী ধৰণৰে পিঠা-পনা জা-জলপান কৰি খুৱাব পৰাটোহে আজিকালি অসমীয়াৰ বাহাদুৰী হল। আমাৰ —"নবৌহঁতে চিৰা সান্দহ খুন্দিবই নাজানে" বুলি কোৱা অসমীয়া ডেকাও নাইকিয়া নহয়। চাউল পিঠাগুৰি খোৱাটো যেন এটা লাজৰহে কথা।

বিয়া সকাম হলেও কোমল চাউল দৈ খাওঁতা নাইকিয়া হৈ আহিছে। অশিক্ষিত গাৱঁলীয়া সমাজৰ কোনো বাই খালেও শিক্ষিত নগৰীয়া সকল ওচৰলৈকে নাযায়। আজিকালি সৰ্ব্ব সাধাৰণ গাৱঁলীয়া মানুহ এঘৰতো বিয়া সকাম পাতিলে লুচিৰ যোগাৰ হবই, নগৰীয়া মানুহক নিমন্ত্ৰণ কৰিলেটো কথাই নাই। নগৰীয়া মানুহক কোমল চাউলৰ জলপান খুৱালে খাওঁতাৰো অপমান খুৱাওতাৰো অপমান একান্তই লুচি-ভাজিৰ সুবিধা নহলে অনিচ্ছাৰে দৈ-চিৰা। চাহৰ লগত কিন্তু মিঠাই লাগিবই। অসমীয়া হৈ আমি কোমল চাউলৰ জলপানটো খাই বা খুৱাই বেয়া পাবলৈ হলে ইয়াতকৈ আৰু লাজৰ কথা কি হব পাৰে? বিশেষকৈ বিয়া-সবাহ সকাম নিকামত অসমীয়া জলপানৰ প্ৰচলন কৰাটো আমাৰ নিতান্তই উচিত আছিল।

জলপানক বাদ দিও ভাতৰ ফালেও আমাৰ তথৈবচ। লাহি শালি আহু ধানৰ আৰৈ, উখুৱাকৈ ঘৰৰ ঢেঁকীত বানি উলিওৱা বিধে বিধে চাউলৰ ভাত, বাৰীতে অৰ্জ্জা মাটি, মগু, কলা মাহত আলু কচু দি খাৰ টেঙা আদখৰিয়াকৈ ৰান্ধি খাই আগৰ অসমীয়াই যিটো ভোগ কৰি গল আমি তেনে ভোগ কৰিবলৈ পোৱা নাই। বাৰীত মাহ, সৰিয়হ, আলু, কচুহে নেলাগে আজি আমি জলকীয়া পুলি এটা কই নোখোৱা হলো। অতীজৰ অসমীয়াই ঘৰে ঘৰে পথাৰত নানা বিধ ধান, মাহ, সৰিয়হ, তিল, আলুগুটিৰ খেতি, চালত লাও, কোমোৰা, বাৰীত জিকা ভোল জলকীয়া, বেঙেনা, কেৰেলা, উৰহি, ৰঙালাও, বেল লাও, লেচেৰা মাহ, কটাৰী ডবুৱা মাহ, এদা, হালধি, নহৰু, পনৰু, কঁঠালুক, পিপলি আদি আৰ্জি খাইছিল। তাৰ উপৰিও লফা, চুকা, পালেং, বাবৰি, মেমেধু, মৰিছা, মিঠা-তেঁতা, মৰাশাক অনেক বিধৰ লাইশাক ঢেকুৱা আদি বতৰৰ বতৰীয়া বস্তু সুগুছেই। পকা ৰঙালাও পকা কোমোৰা আতকে পিতকে খাবলৈ সাচি ৰাখি থৈছিল। এতিয়া আমাৰ দৰে কৰবাৰ পৰা খেতেলা খাই অহা লেৰেলা পৰা শাক পাচলি, ঘুণে খোৱা লেটাপোকে ধৰা কোৱাও-কণিয়ে খোৱা গোন্ধোৱা মাহ ধনদি কিনি নাখাইছিল। ঘৰচীয়া শাকৰ উপৰিও কচু, ঢেকীয়া, জিলমিল, ভতুৱা, মাটিকান্দুৰি, মানি মুণি, বনজালুক, খুতৰা, মছন্দৰি, পনৌনোৱা, শুকলতি, নৰসিংহ ভূতমূলা, ভেদাইলতা, কলমৌ, পুৰৈ, বেতগাজ আদি অনেক বনৰীয়া শাক আমাৰ বাৰীত এনেয়ে হয় এইবোৰ অকল ভাতৰ

লগত খোৱা আঞ্জা বা ভজাই নহয় ৰোগ বিশেষে একোটা দৰবো। ইয়াৰ বাজেও টেঙেচি, মধুসোলেঙ, নলটেঙা, বগীটেঙা. বাঁহগাজ ইত্যাদি বিনাযত্নতে হোৱা যদিও মাছৰ লগত ৰান্ধি খাবলৈ বৰ বঢ়িয়া। কিন্তু আমি এইবোৰ নাখাই নাখাই খাব নজনা আৰু চিনি নোপোৱা হলো।

ৰেবাব, সুমথিৰা, চকলা, কৰুণা নেমু, মৰি, সোলেং, জেঙুৰ, কৰ্জ্জা, জলফাই, মিৰিকা, টেপৰ, কৰদৈ, ৰহদৈ, বৰথেকেৰা. কুজী থেকেৰা, ৰূপহীথেকেৰা আদি আঞ্জাত খোৱা আৰু এনেয়ে খোৱা অনেক প্ৰকাৰ টেঙা আমি নাম শুনাৰ বাজে কিছুমান খাইকে পোৱা নাই। কাঠ আলু, চিনা-মোৱা আলু, পানী আলু, ৰঙা-বগা মিঠা আলু, খাছীয়া আলু আৰু কচুও সেইদৰেই হ'ল নল কচু. নগা, তুৰুং, ওল, কণিকচু আদি সকলো বিধৰে আলু কচু খেতি কৰি খোৱা অসমীয়াৰ লেখৰ কাম আছিল। ভীমকল, জাহাজী, সোন্দা, মালভোগ, মনোহৰ, পুৰা, দীগযোৱা আদি নানা প্ৰকাৰ কল আৰু আম, কঠাল, লেটেকু, পনিয়ল, তিয়হ, চিৰাল, বাণ্ডি, মাটি কঠাল, বহট, জৰা ডালিম, বেল, অমিতা, চাম কঠাল জামু এইবোৰ আগৰ অসমীয়াৰ ঘৰে ঘৰে বাৰীত ভৰি আছিল। আমি এইবোৰ কিনি নেখালে আমাৰ বাৰীত নাই। এতিয়া আমাৰ বাৰী লঠামুৰা। নগৰীয়া সকলৰ এইবোৰলৈ বিশেষ ধাউতি নাই। বজাৰৰ পৰা কিনা নাচপতি, বেদনা, আঙুৰ, মালদহীয়া আম এইবোৰেই আমাৰ বাৰীৰ নানাবিধ ফললৈ পাহৰালে।

কাহুদি-খাৰলি, পানীটেঙা, পকাবেল, পোৰামাছ, খৰিছা, বগৰি গুৰি, পাততদিয়া মাছ, কচুথোৰ পাতত দিয়া, বেঙেনা, আলু কচুপোৰা প্ৰভৃতি আগৰ অসমীয়াই নিতৌ খোৱা মুখৰ জুতি ভাতৰ আগৰ পিতিকা আমি খাবলৈ এৰি, আচাৰ চাটনিত ধৰিলো। শাক-শোকোতা, তিতামূল, ভেকুৰিগুটি কলদিল পচলা কঠাল গুটি দেৱৰো দুৰ্ল্লভ হল। চুকা শাকৰ টেঙা দি, লফা শাকত জ্বলা মাছত মেমেধু দি ৰন্ধা গোন্ধতে ম-মৰাই থকা আঞ্জাকণৰ জোৰ বজাৰৰ মাখি পৰা গেলা মাছৰ আঞ্জাখনে পাব জানো? বুঢ়ী আইহঁতে যোজনাত "ধুনধুন্ ধুনীয়া কলি তামোল পনিয়া, গেলা মাছত টেঙা দি খাই, আটীৰ মুখ চাই, গছীনকৈ কথা কয়, মোৰ মান ধুনীয়া, মোৰ মান সুখীয়া নাই" বুলি কোৱাৰ দৰেই আমিও গেলা মাছত টেঙা দি খাই যোজনাত বৰ্ণোৱাৰ নিচিনাহে হৈছোগৈ! কাহানিবাই মাৰি বৰফ দি নেগেলাকৈ থোৱা চালান অহা মাছৰ লগত বজাৰৰ লেৰেলা এফাল গেলা পাচলিৰে ভজীয়া তেলদি ৰন্ধা মাছৰ আঞ্জাকণ আৰু কলত বানি খাদ্যপ্ৰাণ নাইকিয়া কৰা চাউলৰ ভাত কেইটাই হৈছে আজিৰ সভ্য শিক্ষিত অসমীয়াৰ ঘাই আহাৰ।

কাতিমহীয়া কলাখাৰ পোৰা; আৰু যখাৰ ভোলা; সটখাৰ পোৰা, থেকেৰা, খৰিছা শুকুৱা আগৰ অসমীয়াৰ ঘৰত বন্ধা নিয়ম আছিল, আমি সেই বোৰ কাম এৰিলো। খাৰ খাবৰ মন গলে দোকানৰ চৌদাখাৰ অনাই খাওঁ। আগৰ অসমীয়াই যেতিয়াই যি বস্তুৰ বতৰ, তেতিয়াই লবাই বুঢ়াই লাগি কৰি থৈছিল।

আজি কালি ভাল খোৱা তেল অকন পাবলৈ নাইকিয়া হল। পকা তেলৰ গোন্ধ আজি কালি আমাৰ লৰা ছোৱালীয়ে চিনি নোপোৱা হল। দোকানৰ ভঁজীয়া তেল খায়েই পেট ৰুগীয়া হৈ দিন নিয়াব লাগিছো, তথাপি ঘৰত তেল অকণ পেৰি নাখাওঁ।

বাৰীৰ পান তামোল, শামুক চুণ আৰু অসমীয়া ধপাতেৰে পাগ লগাই খোৱা তামোলখন আগৰ অসমীয়াৰ অতি আদৰৰ মুহুদি আছিল।

আমাৰ লৰা ছোৱালীয়ে বঙ্গকুৱা বস্তু খায়েই ডাঙৰ হৈ ডেকা গাভৰু কালতে চকুৰ বিকাৰ, দাঁতৰ বিকাৰ, মূৰফুৰণি, অকালতে চুলিপকা আদি নানা অস্বাভাৱিক ৰোগে বাঁহলৈ দুৰ্ব্বল আৰু অকামিলা হৈ পৰিছে। ডাক্তৰৰ পৰামৰ্শ বিচাৰিলে উত্তৰ পাব "খাদ্যপ্ৰাণৰ অভাৱ হৈছে, ভাল আহাৰ খাওক, অমুক তমুক টনিক খাওক, পিল খাওক, বেজী লওক" ইত্যাদি। তদুপৰি চহৰৰ চাহৰ দোকান আৰু হোটেল বিলাকত নানা প্ৰকাৰ মানুহে খোৱা পাত্ৰতে খাই খাই আমাৰ অৱনতি হৈছে। আগৰ অসমীয়াই ঘৰতে খোৱা পাত্ৰৰ বিচাৰ ৰাখিছিল। এতিয়া আমি য'তে ত'তে যেয়ে সেয়ে মুখ দিয়া পাত্ৰতো খাবলৈ ঘিণ নকৰা হৈ আহিছো। বৰ্ত্তমান চাহৰ দোকান আৰু হোটেল বিলাকৰ কিছুমানত প্ৰকাশ্যে চাহ-ভাতৰ ব্যৱসায় চলাই গোপনে মদৰ যোগান ধৰাৰ ফলত আমাৰ আগলৈ উঠি অহা লৰাবোৰ অধঃপতন হোৱাৰহে সম্ভৱ হৈ পৰিছে। সৰু সৰু স্কুলীয়া লৰাবে

পৰা দেশৰ, জাতিৰ গুৰি ধৰোতা সকললৈকে আটায়ে চাহৰ দোকানত ধন ঢলা হল।

আজি কালি আমি আমাৰ কোনোবা প্ৰিয় পৰিজন অহাৰ বাতৰি পালে বা আহিলে "বকুল বৰা ধানৰ চিৰাগুন্দি থৈছে ছপোৱা গাখীৰ দৈ" বুলি নামত গোৱাৰ দৰে থমাদৈৰে চিৰাৰ বাটিটো আৰু পিঠাৰ পানধোৱা খন আগবঢ়াই দিব নোৱাৰো। ৰান্ধনি বাপুক নাইবা চাকৰ লৰাটিক লৰালৰিকৈ দোকানলৈ পঠিয়াই সাৰণত যাওঁতে বুটলি থোৱা ফটা কাকত এখিলাত টোপোলা বান্ধি অনা মিঠাই দুটামান অনাই লুচি দুখন মানেৰে সৈতে গুড়ি বা গুৱালৰ গেলাপানী মিহলি গাখীৰেৰে চাহ এটোপা দিব পাৰিলেই লেঠা মৰি গল। তাতোকৈ বেছি লগা হলে মামলেট, কাটলেট, হালোৱা, বুণ্ডিয়া, দাইল ভাজি, অম্বল এই বোৰহে হব। থমাদৈৰ ওপচাই খামুচীয়া গুৰ দি সজাই দিয়া চিৰা সান্দহ কোমল চাউলৰ জলপানটি, নতুবা এৱা গাখীৰত ওপঙাই কলেৰে সজাই দিয়া আখৈ মুৰিৰ জলপান খুৱাই আজি আমি আলহী সুধিব নোৱাৰো। আগৰ অসমীয়াই এবাটি জলপান খায়েই বেলাটোৰ বাট ৰংদে ৰৰঙুণে গৈয়ো হাঁহি মুখে ঘুৰি আহিছিল। আজি আমি ঘৰত খাই ওলাই গৈয়েই এমাইল বাটৰ মুৰতে চাহৰ দোকানত বহি চাহ এটোপা নাখালে ঘুৰি অহা টান। তদুপৰি এবাটি কোমল চাউল খাই পথাৰত হাল কোৰ বাই আগৰ অসমীয়াই ৰংমনে ঘৰলৈ ওভতে। এতিয়া কেইখনমান লুচিৰে চাহটোপা খাই শিক্ষিত আৰু সুখীয়া

অসমীয়াই ছাঁতে চকী বেঞ্চত বহি গাৰ সুখ লৈ লৈ কাম কৰিও ঘৰলৈ ওভটোতে কপালত গাঠি থোপা খাই মুখ বিবৰ্ণ কৰিছে অহা দেখা যায়।

নিজে পুখুৰী খানি পানী উলিয়াই ফটিকৰ ধাৰ যেন নিৰ্ম্মল পানী খাই আগৰ অসমীয়াৰ দিন গল। এতিয়াৰ অসমীয়াই পানীৰ লগত হাঁহাকাৰ কৰি এই বাৰিষা দিনটো "এটোপা পানী" বুলি বাতৰি কাকতৰ যোগে চৰকাৰৰ ঘৰলৈ দুখ নিবেদন কৰিব লগীয়া হল। আজি আমাৰ অসমীয়াৰ ৰাজহুৱা পুখুৰীৰ নাইবা ঘৰুৱা বাৰীৰ পুখুৰীৰ অৱস্থা দেখিলে শোক লগা। এবালি বন, পুনীয়ে ছাটি ধৰিছে। গছপাত পৰি তাতে গেলিছে। চাফ কৰোতা নাই। কাপোৰ কানিৰে পৰা গা-পা ধোৱা, মাহ চাউল ধোৱালৈকে পুখুৰীতে কৰাত পানী গেলিছে আৰু তাকে খাই নানা ৰোগত ভুগি এলেহুৱা অসমীয়াৰ অকাল মৃত্যু হয়। জগৰ লাগে চৰকাৰৰ গাত "ভাল খাদ্য, ভাল চিকিৎসাৰ অভাৱ, মানুহ মৰিছে"। ইয়াকে কয় "আপোন দোষত মৰে, যমক দায় দিয়ে।"

বগৰী, অমৰা, ফুটুকলা, ধেতোৰ, জেতুলি পকা, আমলখি, শিলিখা, কেহেৰু, চেচোৰ, শেলুক, ভেটকলা, শিঙৰিগুটি, কুহিয়াৰ, এনেবিলাক আগৰ অসমীয়া সৰু সৰু লৰা ছোৱালীৰ বৰ হেপাহৰ বস্তু আছিল। আজিকালি আমাৰ লৰাছোৱালীয়ে এইবোৰ খাই যে পোৱা নায়েই নামকে কিছুমানে শুনা নাই। এতিয়াৰ সৰু সৰু লৰাছোৱালীয়ে বজাৰৰ পৰা কিনা লোকে

লেতেৰা হাতেৰে লাৰি চাৰি দিয়া ভজাবুট, ভজা বাদাম, চানাচুৰ গৰম, লজেঞ্চ, সস্তীয়া বিস্কুট, টফী, মৰ্টন, ভুজীয়া, আদি খাই পেটৰ আৰু দাতৰ ৰুগীয়া হোৱাৰ উপৰিও লুভীয়া হৈ ঘৰৰ পৰা চুৰকৰি পইছা নি সেইবোৰ কিনি খাই মাক বাপেকক মিছা কথা কৈ সৰুৰে পৰা মিছলীয়া হয়।

মাত কথালৈ চালেও আমাৰ অসমীয়া মাত কথা ভঁজীয়া হল। ভাষা বিকৃত হল। সাহিত্যত গোড়ামী নাইকিয়া হল। সেইবাবে আমি কাক দোষ দিম? আমাক নিজকেনে আমাৰ আই বোপাইকেনে নাইবা আমাৰ শিক্ষকক? আজিৰ শিক্ষিত অসমীয়া পুৰুষৰ পৰা তিৰুতালৈকে লৰাৰ পৰা ছোৱালীলৈকে সকলোৱে কথা বতৰাৰ মাজত একোষাৰ ইংৰাজী কথা নকলে কথা কব নোৱাৰাত পৰিল। আই, বোপাই বা বৌ-পিতাই দেউতা, ভাই-ককাই, শাহু-শহুৰ নুবুলি মাডাৰ, ফাদাৰ, ব্ৰাদাৰ, মাডাৰ ইন ল', ফাদাৰ ইন ল', ইত্যাদি নুবুলিলে শুদ্ধ অসমীয়া ভাষাৰে সম্বন্ধবিলাক উচ্চাৰণ কৰি বেয়াই পোৱা হল। বিদেশী ভাষাৰ সানমিহলি মাতকথা, বিদেশী খোৱা পিন্ধা, বিদেশী সম্বোধন ইয়াকে লৈ আমাৰ লৰা ছোৱালী ডাঙৰ হব লগীয়া হল। ছোৱালীহঁতে আকৌ কথাৰ ঠেও ধৰি লগৰীয়া ছোৱালীকে ভাই সম্বোধন কৰি যেনে "দেনা ভাই" "তই ভাই কিযে আৰু" "বেয়া নেপাবি ভাই" আদি বিপৰীত সম্বোধনেৰে মাতকথাৰঃচিন নাইকিয়া কৰি পেলাবলৈ ললে। সাধাৰণতে পুৰুষৰ সখা-বান্ধৱ বন্ধু ভাই আৰু তিৰুতাৰ সখী বান্ধৱী ভনী

ইত্যাদিহে ব্যৱহৃত আছিল, কিন্তু আজি কালি সেইবোৰ চিন বান হৈবাল। ছোৱালী "ভাই" হল "বন্ধু" হল। তদুপৰি কোনো কোনোৱে আকৌ লৰা-ছোৱালীক বাপেকক "পাপা" বাবা বুলি মাতিবলৈকো শিকোৱা দেখা যায়। ভাৰ্য্যাই স্বামীক নাম ধৰি মতা, আৰু তুমি-তমা কৰা অসমীয়া বোৱাৰীও আছে। আমাৰ অসমীয়া ভাষাত মান্যাৰ্থ আৰু তুচ্ছাৰ্থ বুলি কথা কোৱাৰ দুটা ভাগ আছে, তাৰ ভিতৰতে মানীজনক মান্যাৰ্থেৰে আৰু অমানীক তুচ্ছাৰ্থে কথা কোৱা চলিত প্ৰথা আছিল। অসমীয়া তিৰোতাৰ স্বামীতকৈ মান্যবন্ত দ্বিতীয় জন নাই যাক অসমীয়া তিকতাই ঈশ্বৰ জ্ঞান কৰে তেনে এজনক তুচ্চাৰ্থ অৰ্থাৎ তুমি তোমা কৰি নাম ধৰি মাতিলে স্বামীক হেয় জ্ঞান কৰা যেন নালাগেনে বাৰু? কথা বতৰা বাদ দিও অসমীয়া সাহিত্যৰ মাজতো উৰ্দ্ধ কমাৰ মাজে মাজে বন্ধনীৰ মাজে মাজে একোটা ইংৰাজী শব্দ; ইংৰাজীৰে বা অসমীয়া আখৰেৰে ইংৰাজী উচ্চাৰণেৰে নিলিখিলে আমাৰ ন-পুৰণা অসমীয়া লিখক লিখিকাই একো লিখিবই নোৱাৰা হল। অৱশ্যে যিবোৰ শব্দৰ অসমীয়া ভাঙনি নাই তেনে বিলাকৰ কথা সুকীয়া কিন্তু সেইবুলি—যেনে "পজিটিভ আন্দোলন" "নিগেটিভ দাবী" "লেডীজ ছিটত" এটা 'ডিফেন্সৰ সুবিধা' "চেকেণ্ড ইয়েৰত পঢ়া ভাইটো" "বিকেটি চেহেৰা" ইত্যাদি কিছুমান সানমিহলি কৰি নিলিখিলে নাইবা এনেবোৰ শব্দ আমাৰ সাহিত্যৰ বোকোচাত তুলি নিদিয়াকৈ আমাৰ নিজা ভাষাত

এনেবোৰ শব্দৰ ভাঙণি নাই জানো? শ্ৰীযুত হেম বৰুৱাৰ ভাষাত কবলৈ গলে "মাতৃ ভাষাৰে প্ৰচাৰিত নহলে কোনো কথাই প্ৰাণ স্পৰ্শী হব নোৱাৰে।"

এনেবিলাককে যদি আমি আধুনিকতা বুলি কবলৈ যাও তেন্তে আমি আমাৰ জাতীৰ চিনাকি দিও কি বুলি? "আশা শুধীয়াক ভাত কাপোৰে নাটে" বোলা কথাষাৰৰ দৰেই অসমীয়াই অনা অসমীয়াৰ লগত মিলি জুলি মিলা প্ৰীতিৰে থাকিবলৈ চাওঁতে নিজৰ অস্তিত্বও হেৰুৱাব যেন লাগিছে। কৃষ্টি, সভ্যতা সাংস্কৃতিতটো ঘুণে ধৰি লৈই, অৱশেষত গৈ থৈ পিচত ভাষাটোও হেৰুৱাই এটা লোকৰ ভাষাবাহী জাতি বুলিহে চিনাকি দিয়াৰ লক্ষণ দেখা গৈছে। নহলেনো স্বাধীনতা পোৱাৰ আজি সাত-আঠ বছৰেও অসমীয়া ভাষাক ৰাজ্যক ভাষা কৰি লব পৰা নাই কিয়? আশাকৰো আমাৰ অসমীয়া ভাই-বন্ধু আৰু বাই-ভনী সকলে এই বিষয়ে অলপ ভাবি চিন্তি চাই যেন।

আমাৰ সামাজিক উৎসৱ বিয়া আৰু বিয়া নামত বাস্তৱতা।

পৃথিৱীৰ সকলো জাতিৰে চিৰাচৰিত কিছুমান সামাজিক ৰীতি নীতি আছে আৰু তাকে মানি চলিয়েই প্ৰত্যেক জাতীয়ে নিজৰ জাতীয় আৰু সামাজিক উৎসৱবোৰ পালন কৰি একোখন সুস্থ সমাজ, একোটা সৱল জাতি গঢ়ি তোলে। গঠনত সামাজিক শৃংখলা আৰু চলিত ৰীতি-নীতি অপৰিহাৰ্য্য।

আমাৰ অসমীয়াইও সেইদৰেই শাস্ত্ৰোক্ত নীতি বেদোক্ত কৰ্ম্ম বিলাকৰ লগতে জন্ম, মৃত্যু, বিবাহ আদি ব্যক্তিগত কৰ্ম্ম বিলাকত সামাজিক ৰীতি নীতিৰ বান্ধোনবোৰ মানি চলি জাতীয়-ত্বক স্বীকাৰ কৰি আহিছে। জাতীয় ঐক্য আৰু সমাজৰ শৃংখলা লগতে লোকাচাৰ প্ৰথা সমূহৰ যোগেদি পালন কৰি অহা আমাৰ উৎসৱ বিলাকৰ ভিতৰত বিয়া, সকাম, ভাওনা, সবাহ নামগোৱা পুথি পঢ়োৱা ইত্যাদি বিলাকেই লেখৰ। এই সকলো বোৰেই আমাৰ সমাজৰ একোটা ধৰা-বন্ধা নিয়মৰ চাৰি সীমাৰ ভিতৰুৱা। আৰু এই আটাই বিলাক উৎসৱৰ ভিতৰত বিয়া খনেই হৈছে বেছি আনন্দৰ। বেদোক্ত কৰ্ম্ম, শাস্ত্ৰোক্ত নীতি আৰু সামাজিক বান্ধোনৰ উপৰিও একোটা লৌকিক প্ৰথাৰে সৈতে আমাৰ বিবাহ উৎসৱটো অতি আনন্দৰ বিষয় হৈ পৰে। অসমীয়াৰ এই বিয়াখন স্ত্ৰী পুৰুষ উভয়ৰে সহায় সহানুভূতি আৰু ৰং ৰহইচৰ মাজেদি সমাধা হয়। এই ক্ষেত্ৰত পুৰুষতকৈ তিৰোতা সকলৰ প্ৰভাৱ বেছি। বিয়াৰ যাৱতীয় কাম বিলাকৰ

উপৰিও সমাজত চলি অহা লৌকিক ক্ৰিয়া বিলাক যেনে পানীতোলা, নোওঁৱা-ধুউৱা, মুৰত চাউল দিয়া, আমসাঁ দিয়া, গাঠিয়ন খুন্দা, দৈয়ন দিয়া, সুৱাগুৰি তোলা, বাটি সলোৱা, আঙঠি সলোৱা যাক যেনে দৰে ধৰিব লাগে মান মৰ্য্যাদা ধৰা আদি কাম বিলাকৰ উপদেষ্টা তিৰোতা সমাজেই। তদুপৰি এই ক্ষেত্ৰত অসমীয়া তিৰোতাসকলৰ আন এটা বিশেষত্ব হল বিয়া নাম। অসমীয়ানামতীয়ে বিয়াত বিয়া নামেৰেই অনুষ্ঠানৰ প্ৰতিটো অৱস্থা বৰ্ণাই শুনিবলৈ বৰ সুৱলাকৈ গাব পাৰে। হাস্য ৰসাত্মক জোৰা নামেৰে উপস্থিত সকলোকে বেচ্ আনন্দৰ যোগান ধৰিব পাৰে। অকল বৰ বিয়াতে নহয় নোৱাই তোলনি, লগুণ দিয়নি, কাণ বিন্ধনি, পোহন বিয়া আদি বিভিন্ন প্ৰকাৰৰ বিয়া আৰু গোপিনী সবাহ, আই সবাহ আদি বিভিন্ন প্ৰকাৰৰ সবাহ সকামতো সময়োপযোগী নাম, গুণ, গীত পদেৰে অনুষ্ঠান মুখৰিত কৰি তুলিব পাৰে। কিন্তু আজি বহুতো অসমীয়া তিৰোতাই নাম গাবলৈ এৰি আহিছে। বিয়া নাম অসমীয়া সাহিত্যৰ অমূল্য সম্পদ আৰু ই তিৰোতা সকলৰ শ্ৰেষ্ঠ বৰঙণি। বিয়া নামক বাদ দিলে অসমীয়া তিৰোতাৰ সৌন্দৰ্য্য ম্লান হৈ যাব। আগৰ অসমীয়া তিৰোতাসকলে বিয়াত ছোৱালীক আঙঠি পিন্ধোৱাৰ পৰা বাহি বিয়াৰ দিনালৈকে যথেষ্ট মনোযোগ দি বিয়া ঘৰীয়াক উৎসাহিত কৰি তুলিছিল। আৰু ই এক প্ৰকাৰ চলিত প্ৰথা আছিল। টেকেলি দিনাৰে পৰা বিয়া নামৰ ওৰা পাতি জাতে পদে বৰ্জিতা খুৱাই কেতিয়া কি সুৰে ক'ত কি নাম গাব

লাগে একালৰ পৰা মালিনীয়ে মালা গোঠাদি গাঠি গাঠি গায় যায়।

কিন্তু আজি কালি আমাৰ অসমীয়া সমাজত আগত কৈ ধৰণ কৰণ বহুতো লৰিল। কিছুমান বিদেশী ৰীতি নীতি সোমায় আৰু আধুনিকতাৰ আৱৰণে পায় অসমীয়াৰ চিৰা চৰিত জাতীয় ৰীতি নীতি, সামাজিক নিয়ম সংযম ঢাক খালে। আজিৰ দিনত আমাৰ অসমীয়া সমাজত বিয়া সবাহ্ পাতিলে তাৰ সময়োপযোগী নাম-গুণ গীত পদ শুনা নাযায়। সেই বিলাকৰ ঠাইত “গ্ৰামোফন”ত “মাইক” লগাই কিছুমান অপ্ৰাসঙ্গিক গান-বাজনাৰে কোলাহল কৰাৰ বাদে আমি আন একো কৰিব নোৱাৰো। সৰ্ব্বসাধাৰণ একোটি গাৱঁলীয়া পৰিয়ালতো বিয়া এখন পাতিলে “কলগান” নানিলে মনত সন্তোষ নলগা হ’ল। একো গৱাকী অসমীয়া নামতীৰ মিঠা মাতৰ সুৱলা বিয়া নামে গ্ৰামোফনৰ ৰেকৰ্ডৰ গীতক চেৰ পেলাব পাৰে, অথচ আমি তেনেকুৱা বিয়া নাম গাবলৈ এৰি ব্যৱসায়ী নৰ্ত্তকীৰ নটী নাচৰ গীত আৰু সস্তিয়া প্ৰেমৰ ভুৱা অভিনয়ৰ প্ৰেমৰ গীতৰ ৰেকৰ্ড লগাই তাকে শুনি হে ভাল পোৱা হলো। ৰেকৰ্ডৰ সস্তিয়া হিন্দী গীত বিলাকতকৈ আমাৰ অসমীয়া বিয়া নাম, বহুতো ওপৰত আৰু তৃপ্তি দায়ক। বিয়াত বিয়া নাম, বিহুত বিহু নাম, সবাহত আই নাম, গোসাই নাম, আমি গাবলৈ এৰিলো, বিয়াত বিয়া নাম নাই উকলি নাই। উকলি এজোকা দিবলৈ কলে ‘মোৰ লাজ লাগে’ ‘মই নাজানো’ বুলি আপত্তি কৰাৰ

বাদে একো নুশুনি। বিয়া নাম গাবলৈ, উৰুলি দিবলৈ আমাৰ লাজ লাগে। অথচ মুকলি পথাৰত হাজাৰ বাৰশ মানুহৰ আগত মেলে মিটিঙে আধুনিক 'গান' গাবলৈ নতুবা পুৰুষে সজাই দিয়া পুৰুষৰ সাজ পিন্ধি নাট ঘৰত পুৰুষৰ ভাও দিবলৈ আৰু আৱশ্যক হলে নাচিবলৈ আমাৰ লাজ নালাগে। যেনেকুৱা বিয়া নাম শুনি বনৰীয়া হাতীয়েও মোহ গৈ পোহ মানে, তেনেকুৱা মুনিৰ মন মোহা সুললিত বিয়া নামৰ আদৰ কমিল। অসমীয়া ভাষা সাহিত্য বুজিব নোৱাৰা সুদূৰ আগ্ৰা চহৰতো আমাৰ অসমীয়া বিয়া নামে আগ-ভাগ আৰু সমাদৰ পাইছো। কিন্তু তেনেকুৱা বিয়া নামলৈ আমাৰ ধাউতি কমি আহিল। ই সচাকৈয়ে সমাজৰ তথা জাতিৰ অশুভ লক্ষণ।

আগৰ অসমীয়া নামতীয়ে বিয়া নাম গাওঁতে চুলৰি হলে জোৰণিতে "ৰাম ৰাম" "হৰিহে" "ৰাম কৃষ্ণ" "জয়" আদি ঈশ্বৰৰ নাম উচ্চাৰণ কৰি নতুবা সৰ্ব্বত্রে জয় বাঞ্ছা কৰি বিয়া নাম আৰম্ভ কৰে। এতিয়া আমি তেনে সুৰত নাম গায় নিজেও বেয়া পাওঁ আৰু আনে গালেও আপচু শুনো। বিয়া নামৰ পৰিবৰ্ত্তে মাইক লগোৱা, গ্ৰামোফনৰ ৰেকৰ্ডত "কিত না বদল গয়া ইন্‌চান্‌।" "বস্তে বস্তে পৰ্ব্বতে পৰ্ব্বতে……" "দুনিয়া তেৰি গেলি…" ইত্যাদি চিনেমাৰ সস্তিয়া হিন্দী গীতেহে বিয়াৰ সঙ্গীত হল। আৰু নামেৰেই গোটেই বিয়াখন বৰ্ণাব পৰা অসমীয়া নামতীয়ে তাকে শুনি ভোলগৈ বিয়া নাম গাবলৈ ভু হেৰুৱাই পেলায়। অসমীয়া নামতীৰ বিয়া নামত ফুটি উঠা ভাবাৰ

প্ৰাঞ্জলতা, সুৰৰ লালিত্যতা, ভাৱৰ মাধুৰ্য্যতা ক্ৰমে নাইকিয়া হৈ আহিছে। আগৰ বুঢ়ী আইহঁতে গোৱা ধীৰ আৰু জুৰ সুৰৰ বিয়া নাম নাইকিয়া হল। দুই এষাৰ আছে যদিও সেই-বোৰ পুৰণা ধৰণৰ আৰু অশিক্ষিত গাৱঁলীয়াৰ চহা নাম বুলি গাবলৈ আমি নাক কোচাওঁ। বুঢ়ালোকে ক'বৰ "ত'তো নাহিলো খায় এখেতো পাবলৈ নাই।" বোলাৰ দৰে আমি আগৰ দিনীয়া নামো এৰিলো। এতিয়াও এষাৰ ভাল নাম জোটাই গাব নোৱাৰো। তাৰ কাৰণে কোনো উচ্চ শিক্ষাৰ প্ৰয়োজন নাই। আগৰ নিৰক্ষৰতা অশিক্ষিতা গাৱঁলীয়া অস-মীয়া তিৰোতাসকলে যেনে সুৱলা সুৰত বিয়া নাম ৰচনা কৰি সাহিত্য ভৰাল চহকী কৰি থৈ গৈছে—এতিয়াৰ শিক্ষিতাসকলে ৰছা বিয়া নাম যি দুই এষাৰ ওলাইছে পৌৰাণি নামৰ লগত ফেৰ মাৰিলে জিকিব নোৱাৰে। আজি কালি মুখে মুখে বহুতো উতলা সুৰৰ জাত শুনা যায়। সেইবোৰ গাওঁতেই টেঙা লাগি যায়। শুনোটাই কেনে পায় নাজানো। তলত আধুনিক নামৰ ষাৰ চেৰেক তুলি দিছো—

"অ মন চিলুট,
মেচিন গান ফুটিছে ৰবৈয়া ফিলত।
ওপৰে উৰিছে সূৰ্য্য ৰথ খনি
আজিও জাপানৰ মেচিনগান শুনি।"
আকৌ—"অ" পকা কমলা,
চৌকাত জুই জ্বলাইছে চাহ দিব হবলা" ইত্যাদি।

এইবোৰ জানো বিয়া নাম? এই নাম কেইযাবত বিয়াৰ কোনো এটা অৱস্থাৰেই উল্লেখ নাই। সুৰো কৰ্কশ। আগৰ দিনৰ বিয়া নামত স্থান কাল পাত্র সময় আৰু অনুষ্ঠানৰ অৱস্থাৰ বৰ্ণনা আছে।

আগৰ দিনত বিয়া নাম বিলাকৰ কথাই বেলেগ আছিল।

সজাই থৈছে এৰা ঘঁট এ হৰি
গঙ্গা জল ভৰি।
অধিবাসত বহে ৰাম এ হৰি
বিষ্ণু বিষ্ণু কৰি॥
আলসুৱা ৰামচন্দ্ৰ এ হৰি
কৰে অধিবাস।
গোপী সৱে গাৱে গুণ এ হৰি
মৃদু মৃদু ভাষ॥

আকৌ গাঠিয়ন খুন্দিবলৈ হলেও—

উজনী ৰাজ্যৰে গান্ধে গাঠিয়নে
নামনি ৰাজ্যৰে পটা ৰামে হৰি,
নামনি ৰাজ্যৰে পটা।
সাতো আয়তীয়ে গাঠিয়ন খুন্দিছে,
উকলী এজোকা দিয়া ৰামে হৰি,
ৰামচন্দ্ৰৰ ধৰমে বিয়া॥

এইযাৰ নামত ছন্দৰ মিল নাথাকিলেও ব্যৱহাৰিক বস্তুৰ বিৱৰণ আৰু অনুষ্ঠানত কৰিব লগীয়া কাম বিলাক, তাৰ উদ্দেশ্য

আদি বঢ়িয়াকৈ বৰ্ণাই দেখুৱাইছে। অধিবাসৰ শেষতো যেতিয়া সকলো কাম প্ৰায় শেষ হওঁ হওঁ তেতিয়াও নামতীয়ে নামেৰেই দৰা বা কন্যাৰ শোৱাৰ বিষয়ে দিহা কৰি থোৱা উল্লেখ কৰি গায়—

"দধি থৈছো দুগ্ধ থৈছো উদৰ ভৰি খাবা,
শীতলপাটী পাৰি থৈছো তাতে নিদ্ৰা যাবা।
ঘৃত মধু চেনি চুৰা থৈছো ক্ষীৰ লাৰু,
হংস তুলি বিচাই থৈছো আৰু থৈছো গাৰু॥

বিয়াৰ দিনা দোক মোকালিতে দৰা বা কন্যাক দৈয়ন দিবলৈ নামতীহঁতে আগতে উঠি জাঁত জাঁত নামেৰে টোপনিৰ পৰা জগাই তোলে। দৈয়ন দিওঁতে ৰাতিপুৱা কোমল আৰু জুৰ সুৰেৰে গোৱা দৈয়নৰ নাম শুনিলে মন প্ৰাণ শীতল লাগি যায়—

"সূৰ্য্য উদয় হল শ্ৰীকৃষ্ণ নিদ্ৰা গল
উঠাহে শ্ৰীকৃষ্ণ দৈয়নৰ সময় হল।"

আকৌ—দৈয়ন দিয়া, দৈয়ন দিয়া,
উঠা কৃষ্ণ আপোনাৰে আই
ভালে কৰি দৈয়ন দিয়া
উঠা কৃষ্ণ এই বাৰেই যায়,

এনে বিলাক জাত লগাই বৰ গীতৰ পদ দি আগৰ আমাৰ বুঢ়ী আইহঁতে মধুৰ সুৰত দৈয়নৰ নাম গায়। এইদৰে অনুষ্ঠানৰ লগত বজিতা খুৱাই গোৱা বিয়া নামৰ সীমা সংখ্যা নাছিল। পিচে সংগ্ৰাহকৰ অভাৱত বহুতো বিয়া নাম বুঢ়ীআইহঁতৰ লগতেই

গল। তদুপৰি আমি অনাদৰ কৰি গাবলৈ এবাৰ কাৰণেও বহুত বিয়া নাম নাইকিয়া হল। আগৰ ধৰ্ম্মপ্ৰাণা নামতী সকলে দৰা কন্যাক ৰাম সীতা, কৃষ্ণ ৰুক্মিনী, হৰ পাৰ্ব্বতী জ্ঞান কৰি তেনে দৰেই ৰূপ বৰ্ণাই শিশুলীলা, লীলা মালা, ৰুক্মিণী হৰণ, কালিকা পুৰাণ, হৰমোহন আদিৰ পদ দি শুনিলে শ্ৰদ্ধা জন্মা নাম গায়। আনকি বিধিতো "বিষ্ণু স্বৰূপ বৰায় নমঃ" "শিৱ স্বৰূপ বৰায় নমঃ" আৰু "লক্ষ্মী স্বৰূপা কন্যায় নমঃ" আদি দৰা কন্যাক যথেষ্ট সন্মান দেখুৱায়। আমি আজি কালি দৰা কন্যাৰ নাম ধৰি জোটাই তুচ্চ তাচ্ছিল্য কৰি ঠাটা মস্কৰাবে চন গুৰি নাইকিয়া জাত, লাগ বান্ধ নাইকিয়া পদ দি লঘু নামৰ বাদে গহীন নাম গাই বেয়া পাওঁ।

আগৰ অসমীয়াই বিয়া খাবলৈ গলে ঘৰতে বোৱা পাতৰ মুগাৰ জাতীয় সাজ পিন্ধি লৈ ঢাৰী কঠত বহি জতুৱা জলপান খাই কামে বনে দিহাই ভৰসাই নামে গুণে বিয়া ঘৰীয়াৰ সৰ্ব্বাঙ্গীণ মঙ্গল কামনা কৰি বিয়াৰ ৰূপত ৰং চৰায় তোলে। এতিয়া আমি বিদেশী সাজেৰে গৈ চকীত বহি বিদেশী খাৱন খাই নিজৰ অৱস্থা আৰু বিলাসিতাৰ প্ৰতিযোগীতাহে চলাওঁ। বিয়াত ঢোল-খোল পেঁপা মুৰুলী দোলা ঘোঁৰা হাতী সকদেৱা জাপীৰে ঢকা কইনা নিয়া—জুণুকা লগোৱা গৰুগাৰী আদি নাই। আজি-কালি আমাৰ বিয়া হলে দৰা যাওঁতে এজোৰা "বেণ্ড" আৰু দুই তিনিখন বা ততোধিক মটৰ গাৰী হলেই হল। আগৰ অসমীয়াৰ আলি বাটে বিয়া গলে হাতীয়ে-দোলায়, গাৰীয়ে-

ঘোঁৰায়, ঢোলে দগৰে, নামে-গুণে, আলি বাট ৰজনুজনাই যায়। নামতীহঁতেও নামেৰে বাটৰ বাটকৰাক সঁকিয়াই যায়—

"হৰিহে ঢোলত চাপৰ মাৰি,
হৰিহে ৰামচন্দ্ৰ ওলায়হে
হৰিহে অযোধ্যা ৰাজ্যলৈ চাইহে
ৰাম ৰাম,
হৰিহে বাটৰ বাটকৰা
হৰিহে বাট এৰি দিয়া
হৰিহে ৰামচন্দ্ৰ যজ্ঞলৈ যায় হে
ৰাম ৰাম ইত্যাদি।

এতিয়া আমাৰ বিয়া গলে বিয়াই গৈছেনে "চাৰ্কাচ" বিজ্ঞাপন বিলোৱা দলটোৱেই গৈছে নেদেখিলে বুজিব নোৱাৰি। কেৱল মটৰ আৰু বেণ্ডৰ মাতৰ বাদে নাম-গুণ ঢোল-খোলৰ মাত নাই। আজিৰ দৰাই পাতৰ মুগাৰ গোমচেঙৰ সাজ পিন্ধি মটামণি, লোকাপাৰ, গামখাৰু, কৰধনি আদি অলঙ্কাৰ পিন্ধি কাৰ্চিপি কাপোৰ লৈ মূৰত শঙ্খ পাগ মাৰি জুতুৰা সাজত ওলায় সখিৰে সৈতে হাতীত উঠি মূৰৰ ওপৰত ছাতি তৰি আৰু—

"চতিয়াই লৈছে সোবোল খাই পৰিছে
কাৰ্চিপি কাপোৰৰ দাতি।
বাটৰ বাটকৰাই বৈ বৈ সুধি যায়
কোন ভাণ্ডৰীয়াৰ নাতি॥"

বুলি নাম গাবলৈ লগত নামতী লৈ বিয়া কৰাবলৈ নাযায়। কোনোৱে আকৌ বিদেশী ধৰণৰে কাছাৰীত ৰেজিষ্টাৰ কৰিও ঘৰ পাতে। আজিৰ দৰা-কন্যাক কোনোবাই দেখুৱাই চিনাই নিদিলে দৰা বা কন্যায় নে বিয়া খাবলৈ অহা নিমন্ত্রিত আলহী-য়েই সহজে চিনি পোৱা টান। নিমন্ত্রিত আলহীবো বহুতক সাজ পাৰলৈ চালে অসমীয়াইনে অনা অসমীয়া তৎ ধৰিব নোৱাৰি। কইনায়ো আজি কালি "গলে পলপতা হিয়াতে মুকুতা" বুলি নাম গাবলৈকে গলপতা ঢুগঢুগী, গেজেৰা, জোনবিৰি, চিপাত ধৰিয়া, বিৰি আদি অলঙ্কাৰ নিপিন্ধে, পাতৰ মুগাৰ সাজ পিন্ধি সাইলাখ কইনাজনী হৈ নাথাকে। আজিৰ কইনাই জৰ্জ্জেট, অৰগেণ্ডি বেনাৰসী আদি পিন্ধিলে গা ওলাই থকা সাজ পিন্ধিহে ভাল পোৱা হল। বাটত বিয়া আগচাৰ নামত হত্যা ৰক্তপাত আদি অনেক অমানুষিক ঘটনা ঘটিবলৈ ধৰিলে। এয়ে আমাৰ সমাজ ব্যৱস্থা আৰু জাতিৰ অবস্থা।

বিয়াৰ দৰেই আমাৰ আন আন উৎসৱ ভাওনা, সবাহ, বিহু আদি সকলো জেঠি নেগুৰীয়া হ'ল। সেই বাবলৈ আমাৰ আস্থা, আগ্ৰহ, শ্ৰদ্ধা, ভক্তি কমি আহিল। মহাপুৰুষ দুজনাৰ ঘোষা. কীৰ্ত্তন, গীত, পদ গুণমালা, ভটিমা, চপয় · চৌটয় ইত্যাদি ধৰ্ম্মৰ মূল সামগ্ৰী ভেকুৰিল। সেই বোৰৰ ঠাই আধুনিক গীতে অধিকাৰ কৰিলে। সত্ৰাধিকাৰ প্ৰভু সকলে ধৰ্ম্ম সম্বন্ধীয় গীত-মাত-নাট আদি ৰচনা কৰিবলৈ এৰি নৈ বিল, বজাৰ, গকৰ কাটেক ডাকিবলৈ ললে। · তদুপৰি কাৰ চাং তলত

চোৰ সোমাল, কাৰ চেচাৰ্ব. কোনে ষ্টেশনত ৰেল ধৰিব নোৱাৰি হিয়া ধাকুৰিলে এনে বিলাকহে আমাৰ ধৰ্ম্মগুৰু সকলৰ অমৰ লেখনিৰ পৰা ওলাবলৈ ললে।

মৃদং আদি দেৱ বাদ্যলৈ আমাৰ হাবিয়াস নোহোৱা হল। ভাওনা ঘৰ জুৱা খেল, তাচ্ খেলৰ থলী হ'ল। বিৰি, চিগাৰেট, মদ, চাহ, পানৰ দোকান হল। মানুহৰ মুখত শ্লীলতা নাইকিয়া হৈ আহিবলৈ ধৰিলে। বিহুত ৰং ধেমালি নোহোৱা হৈ আহিল। আগৰ অসমীয়াই বিহু বুলিলে আনন্দত উতলা হৈ পৰে। এতিয়া আমাৰ বিহু আহিলে মাহী-পেহী, বাই-ভনীয়ে চতীয়া শেল আৰু ভমকা ফুলৰ বিহুৱান বৈ নিদিয়ে। পদূলি লৈকে মল মলায় থকাকৈ নানা বিধ পিঠাপনা, জা-জলপান নকৰে। বজৰুৱা জলপান পিঠা খাই বিহু সন্মিলন পাতি বিদেশী সভাপতিৰ মুখত বিলাতী ভাষাৰ বক্তৃতা শুনি আৰু বৰগোলাৰ কিনা কাপোৰবে বিলাতী ধৰণৰ সাজ কৰাই তাকে পিন্ধি হে আমি বিহু পালন কৰো। হুচৰীৰ নামত শোষণ আৰু উৎপীড়ন হল। এনেকৈ হলে আমাৰ অসমীয়া আৰু কেইদিন তিস্থিব কব নোৱাৰি। জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল, "অসমীয়াই নিজে আত্মহত্যা নকৰিলে আনে মাৰিব নোৱাৰে"। কিন্তু এতিয়া আমাৰ অবস্থালৈ চালে মহামানৱৰ সেই মহাবাণী অথলে যাব যেন হে দেখা গৈছে। মহাত্মাৰ অমৰ অসমীয়া আজি আমি নিজৰ জাতীয় ৰীতি নীতি এৰি বল শক্তিহীন হৈ পৰৰ পদানুসৰণ কৰাৰ ফলতেই এতিয়া সৰি হৈ বলি পৰিছো

নিজে দিঙি পাতি দিব লগীয়া হৈছে। নিজা শাসকৰ তুলাচনীত পৰি বান্দৰে পিঠা ভগোৱাৰ দৰেই কাবৰাৰ পেটত বিলীন হোৱাৰহে সন্দেহ।

আমাৰ ঢেঁকীটো আৰু তাঁতশালখন

বহাগৰ বিহুটি পালেহি বুলিয়েই আমাৰ গাত গোসাই নাইকিয়া হয়। ফাগুনৰে পৰা আমাৰ গাত বিহুৰ বতাহ লাগিলেই। চ'ত সোমোৱাৰ লগে লগেই চেনেহৰ আপোন জনক বিহুৰ দিনা এদোখৰ বিহুৱান দিবলৈ তাঁতশাল খনি আমাৰ অতি আৱশ্যক হৈ পৰে। বিহুদিনা গৰু গা ধুৱাই গা-পা ধুই অহাৰ পাচতে নতুন বিহুৱান খনি দি বিহু জলপানটি খাবলৈ, দিবলৈ চিৰা-সান্দহ, পিঠা-পনা আদি জা-জলপান খুন্দিবলৈ ঢেঁকীঠোৰো আমাৰ বৰ দৰকাৰ অৰ্থাৎ যি দুটা বস্তু নহলে অসমীয়াৰ জাতীয় উৎসৱ "অতি চেনেহৰ বহাগৰ বিহুটি" সম্পূৰ্ণ হৈ উঠিব নোৱাৰে বা নুঠে, তেনে দুটি লাগতীয়াল বস্তু ঢেকীটো আৰু তাঁতৰ শাল খনি আমাৰ বাৰু কম চেনেহৰ হবনে?

বিহুৰ প্ৰেমিকাই "চেনেহৰ দীঘ দি মৰমৰ বানি বৈ হেপাহৰ আচুঁৰে ফুলবছা" "অতি চেনেহৰে. গামোছা বলো মই বাছিলো [illegible] জাই" বুলি বিহুৱান খনি বৈ প্ৰেমিকক দিবলৈ তাঁতশাল

খনি নহলে সেইহেন হেপাহৰ বিহুৱান খনি ববই বা কিহত আগৰ অসমীয়া জীয়াৰী বোৱাৰীৰ আন কি বুঢ়ীবো তাঁতশাল খনি অতি আদৰৰ বস্তু আছিল। আৰু অসমীয়া তিৰুতাৰ ৰং ধেমালিৰ থলি আছিল তাঁতশাল ঢেকীশালত হে। তাঁত এখন লগাবলৈ হলে, সূতা সিজোৱাৰ পৰা লগৰ লগৰীয়াৰ অহা যোৱা খা খবৰ লোৱা, সূতা সিজাই লেতিয়াই উঘাই বাতি কৰি বৰ বটিয়া তুলি শালত অৰাৰে পৰা, মলুৰা ফুকৱাকে আদি কৰি ফুলটেটেলী বছালৈকে সহায় সহানুভূতিৰ মাজেদি লগৰীয়াইতৰ লগত ৰং ধেমালিকে তাঁতশালৰ জেউতি চৰি উঠে। নামতীইঁতে নামতো গায়।—

"বাৰীৰ পিছে ফালে,
আইদেউৰ তাঁতৰ শালে,
বহি পদুম ফুলে বাছে অ' উৰ্ম্মিলা,
কি ফুল জুৰিলা?"

তাঁতশাল খনেই হৈছে অসমীয়া তিৰুতাৰ প্ৰাণ স্বৰূপ। যি বিলাক তিৰুতাই বোৱা-কটা নাজানিছিল সেইবিলাকক আগৰ দিনত "থুপৰী" বুলি হাঁহিছিল। আনকি বোৱা-কটা নাজানিলে সেই ছোৱালী "থুপৰী" বুলি গৰাকীকে নোলাইছিল। এসময়ত আমাৰ অসমীয়া জীয়াৰী-বোৱাৰীৰ কাৰণে বোৱা-কটা নজনাটো অতি লাজৰ কথা আছিল। আজি কালি আমাৰ অসমীয়া সমাজত অধিক সংখ্যক তিৰুতাই বোৱা-কটা নাজানে [illegible] ই অতি পৰিতাপৰ বিষয়। ইয়াৰ গুৰিতে [illegible]

এটা হৈছে প্ৰচুৰ পৰিমাণে নানা ৰং-চঙীয়া বিদেশী কাপোৰৰ আমদানী, আনটো হৈছে অসমীয়া জীয়াৰী বোৱাৰী সকলে অধিক বিলাসীতাত মন এৰি দিয়া। তদুপৰি আজিৰ অসমীয়াই নিজৰ জাতীয় সাজ-পোচাক এৰিলে। নামৰ পিচত উপাধীটোৰ (যেনে বৰুৱা, বড়া) বাহিৰে অসমীয়া বুলি চিনি পোৱা টান হৈ পৰিছে। আগৰ অসমীয়া তিৰুতা সকলে ঘৰুৱা কামত, বোৱা কটাত পাকৈত হোৱাৰ বাবেই 'শিপিনী' 'ঘৈণী' আদি নাম পাইছিল। আজি অসমীয়া জীয়াৰী বোৱাৰীৰ তাঁতশাল নাই, দুই একৰ যি দুই এখন পুৰাতনীয়া শাল আছে তাতো ভেকুৰি গৈছে। তাঁতলৈ স্পৃহা নাই, আগ্ৰহ নাই।

নিজে বৈ কাটি লোৱা কাপোৰ খনি যে কিমান গৌৰৱৰ বস্তু সেইটো বহুতেই পাহৰি গল। বুঢ়ী আইহঁতে কোৱা শুনো, আগৰ দিনত হেনো চ'তৰ গোটেই মাহটো ৰাতি দিন নেওঠনি, যঁতৰৰ কেৰ্‌কেৰণি, তাঁতৰ ঘিট ঘিটনি মাকোৰ খিটখিটনি শুনুছেই। বিহুলৈ বিহুৱান উলিয়াই আকৌ খুন্দা ভজাৰ সময় উলিয়াব লাগিব। আজি কালি আৰু সেই দিন নাই, সুতা কাটি ৰাতিক দিন কৰি বিহুৱান বৈ দিয়াৰ দূৰৰ কথা বজাৰত পোৱা আঁচু কিনি আনিও নতুন বছৰৰ নতুন বিহুটোত এখন গামোছা দিওতা নাইকিয়া হল।

তাঁতশাল ঘৰ অকল বিহুৰ কাৰণেই বা অকল বিহুটোৰ উদ্দেশ্যে আৰম্ভক হয় এনে নহয়, ঘৰখনৰ যাবতীয় কাপোৰ কানি' যেনে চেলেং খনীয়া ৰব কাপোৰ, গামোছা, বিহা

মেখেলাকে আদি কৰি আথুৱাৰ তলত পৰা, ছোলাকানি গাৰু আদি সকলো কাপোৰ নিজে তৈয়াৰ কৰি লব পৰা শক্তি আৰু শিক্ষা আমাৰ অসমীয়া তিৰুতাৰ গাত থকা সত্বেও আমি অধিক সংখ্যক অসমীয়া তিৰুতাই আটাইবোৰ কাপোৰ কিনি পিন্ধিব লগীয়া হোৱাতো সঁচাকৈয়ে বৰ দুখৰ কথা। অতীতৰ অসমীয়াই বিয়া এখন পাতিব লগীয়া হলেও বিয়াৰ যাৱতীয় কাপোৰ-কানি ঘৰতে বৈ যোগাৰ কৰিছিল। আনকি দৰা-কন্যাৰ মূল সাজটোও কোনোৱা আপোন জনেহে বৈ দিছিল। আৰু সেই কাৰণে নামতী হঁতেও নামতে বৰ্ণনা কৰি কোনে বৈছিল উল্লেখ কৰি জোৰাই নাম গাইছিল—

"শহুৰৰ বৰে ঘৰ, দাতৰি ওলোৱা,
চাপৰি চাপৰি যাবা।
আয়ে বই দিয়া, পাতৰে পাগুৰি,
খোছ্ খাই ফাটিব ছাবা।"

"আয়ে" বৈ দিয়া পাতৰ পাগুৰিটি কিমান চেনেহৰ আৰু কেনেবাকৈ খোচ্ খাই ফাটে বুলি শিপিনী নামতীহঁতে দৰাক সোঁৱৰাই দিছে সাৱধানে যাবলৈ। সেইদৰেই কন্যাই পিন্ধা সাজটিবো কোনে বৈছিল তাক বৰ্ণনা কৰি নামতীহঁতে গাইছিল।

"বিহাখনি কেচ্‌বছা মেখেলা খন [illegible]।
পাবী বছা কাপোৰ খনিও শাহুকেৰ [illegible]"

অকল যে দৰায়ে হাতে বোৱা কাপোৰ [illegible] কন্যাৰ কাৰণেও শাহুআয়ে পাবী বছা [illegible]

পাতৰ মেখেলা বৈহে দিছে। তদুপৰি বাই-ভনী, মাহী-পেহী আদিৰ চেনেহৰ চিন বুলি কিবা থাকিবলৈ হলে নিজহাতে বৈ দিয়া এডুখৰি কাপোৰেইহে প্ৰধান। এই চেনেহৰ তাঁতশাল খনকে কেন্দ্ৰ কৰি বিয়াৰ বিয়া নাম, বিহুৰ বিহুনাম, গৰখীয়া, ম'হ ৰখীয়াৰ বনগীত, কবিৰ কৱিতা আদিৰ উৎপত্তি কিন্তু মুখত তাঁতশালক লৈ বিয়ানাম, বিহুনাম, বনগীত আদি সকলো বিলাকৰে প্ৰতিযোগিতা চলিব লাগিছে। সেইমতে উপযুক্ত পুৰস্কাৰো পাব লাগিছে কিন্তু তাঁতশাল খনৰ উন্নতি হলে ন'হল। চৰকাৰে তাঁতশাল আন্দোলন বুলি যিটো আন্দোলন চলাইছে সেইটো কাপোৰ বেচিব পৰা এক শ্ৰেণীৰ ব্যৱসায়ীৰ কাৰণেহে হে কামত আহিব, কিয়নো আমাৰ অসমীয়া আজিও তাঁত-শাললৈ আওকাণ। গতিকে আমাৰ অসমীয়া শিপিনীৰ নাম লোপ পাবলৈ আৰু বেছি দিন নাই।

একোগৰাকী অৱস্থাহীন তিকতাই ইচ্ছা কৰিলে তাঁতশাল খনৰ পৰাই নিজৰ জীৱিকা উপাৰ্জ্জন কৰি খাব পাৰে আৰু তেনেকৈ কৰা দৃষ্টান্তও বিৰল নহয়। গতিকে আমাৰ অসমীয়া বাই ভনী সকলে জাতীয় সম্পদ আৰু জাতীয় শিল্প তাঁতশাল খনিৰ অধঃপতন হবলৈ নিদিয়ে যেন।

তাঁতশাল খনৰ দৰেই ঢেঁকীটোও আমাৰ অতি লাগতীয়াল বস্তু। ঢেঁকীশাল খন আমাৰ অসমীয়াৰ বোৱাৰী জীয়াৰী হঁতৰ জীৱনৰ বাটি আছিল। কাৰণ বিহুৰ বিহুবান খনিৰ যোগাৰ কৰিছিল ঢেঁকী আমাৰ বিহুলৈ চিৰা, সান্দহ, আখৈ, মুড়ি আদি

খুন্দা ভজাৰ সময় হল। হৰেক ৰকমৰ পিঠা-পনা কৰি হেপাহ সুগুছে। পিঠাৰ যে কিমান বিলাক নাম তাৰ লেখ নাই। বিহুত আত্মীয় স্বজন আহিব—সকলোকে শোধ পোচ কৰিব লাগিব—এষাৰি সাদৰি মাত এখনি বিহুৱান, এটি জলপানেৰে। তাৰমাজতেই সোমাই থাকিব আন্তৰিক ভালপোৱা, স্নেহ-ভক্তি প্ৰেম-প্ৰীতি সকলো।

বিহুক বাদ দিও ঘৰুৱা জীৱনৰ গৃহস্থী ঘৰত ঢেঁকীটো বিশেষ আৱশ্যকীয় বস্তু। ঢেঁকী দিয়াত বেছ্ আনন্দ আছে। অসমীয়া গাভৰুহঁতে ধান বানোতে মুখত নানা ধৰণৰ নাম, তদুপৰি ঢেঁকীৰ চাবে চাবে "হুঁচ ৰৰা হুঁচ, ধানৰ বাকলি গুচ্" আদি ধেমেলীয়া নামেৰে ঢেঁকী শাল মুখৰিত কৰি তোলে। ঢেঁকী দিয়া শৰীৰৰ কাৰণে উপকাৰো। ই এটা ব্যায়ামৰ কামো কৰে। গৰ্ভাৱতী তিৰুতাৰ কাৰণে ঢেঁকী দিয়া খুব উপকাৰ, সেইহে অসমীয়া গাৱঁলীয়া তিৰুতা সকলৰ ঢেঁকী দিয়া অভ্যাস থকাৰ বাবে তেওঁ বিলাকৰ প্ৰসৱৰ সময়ত বেছি [illegible] নাপায়।

বিয়া সবাহ পাতিলেও ঢেঁকীটোৰ বৰ দৰ্কাৰ হৈ পৰে। ঢেঁকীৰ আৱশ্যক আৰু ইয়াৰ কামবোৰ বৰ্ণাই বিয়াতো নামতীয়ে নাম গায়।

"বগা ধানৰ বগা চিৰা সকলো [illegible]।

আকৌ গায়—"ভিতৰতে পানি [illegible]।

[illegible] জিৰাব" [illegible]

নানা ধৰণৰ নামে ঢেঁকীটোক অতি আৱশ্যকীয় কৰি তোলে। সঁচাকৈয়ে অতি চেনেহৰ আপোন জনৰ খোৱা-পিন্ধাৰ কিবা আয়োজন কৰিব লগীয়া হলে আমি অসমীয়া তিৰোতাই ঢেকীটো আৰু তাঁতশাল খনি কোনো মতেই বাদ দিব নোৱাৰো। এই দুয়োটাই আমাৰ জাতীয় সম্পদ। আমি জীয়াই আছো অন্ন আৰু বস্ত্ৰৰ ওপৰত নিৰ্ভৰ কৰি। আমাৰ এই দুয়োটা সম্পদতে অন্ন বস্ত্ৰৰ সংস্থান হৈ আহিছিল কিন্তু আজিকালি ধানবনা কলবোৰ হবৰে পৰা বহুতেই ঘৰত ধান বানিবলৈ এৰিলে কলত বনা চাউলৰ খাদ্যপ্ৰাণ একেবাৰে নষ্ট হৈ যোৱাত আমি ভাতৰ পৰা পাবলগীয়া শক্তি খিনি সমূলিকে নোপোৱা হোৱাৰ ফলত খাদ্যপ্ৰাণৰ অভাৱত আমি দিনে দিনে একোটা অসুখ ভোগ কৰিব লগীয়াহে পৰিছে।

ঢেঁকী আৰু তাঁতশাল খনে আমাৰ ঘৰৰ শ্ৰীবৃদ্ধি কৰে। আমি হাড়ে মগজুৱে অসমীয়া, গতিকে নিভাজ অসমীয়া হৈ থাকিবলৈ হলে আমাৰ আন আন উন্নতিৰ লগতেই আমাৰ লৰা ছোৱালীকো আদৰ্শ দেখুৱাব লাগিব—আমাৰ জাতীয় সম্পদ ঢেঁকী আৰু তাঁতশালখনৰ সদব্যৱহাৰ কৰি। ঢেঁকীটো আৰু তাঁতশালখনৰ বাদ দিলে আমি অঘৰীৰ লেখত হে পৰিম। আগৰ অসমীয়া তিৰোতাসকলে তাঁতে-সূতে, বনাই-খুন্দাই, বয়াই বঢ়াই [illegible], পোহনে-পোচনে একোগৰাকী আদৰ্শ [illegible] কাৰণেই "গৃহিণী" "লখিমী" আদি [illegible] আজিৰ অসমীয়া তিৰোতাই

কাপোৰ এডোখৰৰ কাৰণে লোকৰ হাতৰ-মুখলৈ চাব লগা হ'ল অৰ্থাৎ কিনি দিলেহে পিন্ধিবলৈ পোৱা হ'ল। তাঁতবোৱা ধান বনা, জা-জলপান তৈয়াৰ কৰা ঘৰৰ পৰিয়াল বৰ্গক শোধ পোচ কৰি খুউৱা, আলহী অতিথি শুশ্ৰূষা কৰা আদি যাৱতীয় কাম খিনিয়েই হৈছে আমাৰ প্ৰধান কাম। ঘৰখন ঠিক ৰাখিহে বাহিৰলৈ চকু দিয়া উচিত।

ধানবনা কলবোৰ হোৱাৰ পৰা চৰকাৰ বা ব্যৱসায়ী সকলৰ লাভ হক নহক আমাৰ জীয়াৰী-বোৱাৰীহঁতৰ কিন্তু যথেষ্ট লোকচান হৈছে।